# Assam Legislative Assembly Debates

## *OFFICIAL REPORT*

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENT GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC RE-PUBLICAN CONSTITUTION OF INDIA

**BUDGET SESSION**

**VOL. IV**

No. 18

**The 28th March, 1984**

*PRINTED AT BHASKAR PRINTERS, KACHARIBASTI*

*DISPUR, GUWAHATI-5, 1989*

REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

( *Budget Session* )

**Dated the 28th March, 1984**

Vol. IV

No. 18

Contents


| | | Page |
|---|---|---|
| 1: | Questions | 1 |
| 2. | Statement by Chief Minister | 21 |
| 3. | Voting on Demands for grants | 25 |
| 4. | Assam Appropriation ( No. II ) Bill, 1984 | 86 |
| 5. | Adjournment | 119 |

Proceedings of the fourth Session of the Assam Legislative Assembly asssembled after the Seventh General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Wednesday the 28th March, 1984 with the Hon. Speaker in the Chair, 18 ( Eighteen ) Ministers, 6 (Six ) Ministers of State, 6 ( Six ) Deputy Ministers, 1 ( One ) Parliamentary Secretary and 71 ( Seventy one ) Members present.

## STARRED

### Questions and Answers

( To which oral replies were given )

Date : 28th March, 1984

Re : Flood Tarkoni Jan

Shr Amir Hamcha Talukdar asked :

*161. Will the Minister, Flood Control be pleased to state—

(a)—Whether it is a fact that the whole Paka Mouza under Barpeta District is affected every year by the flood water from Tarkoni Jan ?

(b) If so, whether the Govt. have any scheme for embankment of the Tarkoni Jan to save the agricultural produce of the Paka Mouza in this financial year ?

(c) If so, when the work will be started ?

(d) If not, why ?

Shri Ranendra Narayan Basumatari (Minister, Flood Control) replied :

161. (a)—Yes, a major part of Paka Mauza is affected by flood of Kaldia & Tarkoni Jan.

(b)—No.

(c)—Does not arise.

(d)—The proposal requires further investigation as per recommendation of T. A. C.

শ্ৰীআমিৰ হামচা তালুকদাৰ—মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই এইটো কব নেকি এই ইনভেষ্টিগেচন কেতিয়া কৰা হব ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, সেই ঠাই ডোখৰলৈ মই নিজেই গৈছিলো আৰু ঠাই দোখৰ যে ফ্লাড এফেক্টেড এৰিয়া এই বিষয়ে মোৰ নিজৰেই অৱগত আছে আৰু এই বিষয়ে প্ৰপোজেল এটা আমি ইনিচিয়েট কৰিবলৈ দিছিলো। সেইমতে প্ৰপোজেল আহিল আৰু সেইমতে ফাষ্ট চি, এ, চিৰ মিটিংত সেই প্ৰপোজেল প্লেচ কৰি তাৰ এটা অবজাৰভেচন কৰি যেনেকুৱা ধৰণে স্কীমতো দাঙি ধৰা হৈছে তাৰ পৰা যেন একো উপকাৰ নহব। সেইকাৰণে ফাৰ্ডাৰ ইনভেষ্টিগেচন কৰিব লাগে আৰু এই ফাৰ্ডাৰ ইনভেষ্টিগেচনৰ কাৰণে টকা পইচা মঞ্জুৰ কৰা হৈছে। গতিকে এই ইনভেষ্টিগেচনটো হলে এটা স্কীম হিচাবে আহিব আৰু বি, এ, চিত দাঙি ধৰা হব।

শ্ৰীআমিৰ হামচা তালুকদাৰ—মাননীয় মন্ত্ৰী মহোদয়ে কৈছে এইটো ইনভেষ্টিগেচন কৰি টকা মঞ্জুৰ কৰা হৈছে আৰু ইনভেষ্টিগেচন হব। ইনভেষ্টিগেচন হৈ অহাৰ পাচত যেতিয়া টি, এ, চিত প্ৰথমে উঠাব এইটো জনসাধাৰণে

আশা কৰিব পাৰেনে ? এই টি, এ, চিৰ এপ্ৰোভেল আৰু বাকী কামখিনি বিত্তিয় বছৰত কৰাৰ আশা আছে নেকি ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )—চাৰ টি. এ. চিৰ পৰা ফিজিবিলিটি ৰিপোৰ্ট পালে আমি এইটো একজিকিউত কৰিব পাৰিম ।

শ্ৰীমোহন বসুমতাৰী—অধ্যক্ষ মহোদয়. তাত এখন স্কীম পুট আপ কৰাৰ কথা কৈছে । কিন্তু এই টকা খিনি স্কীমৰ ওপৰত ধাৰ্য্য কৰা হৈছে নে এনেয়ে ধাৰ্য্য কৰা হৈছে ।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )—অধ্যক্ষ মাহোদয়, যিখিনি আমি টকা ধাৰ্য্য কৰিছো ২৬ হাজাৰ টকা এইটো চাৰ্ভে এষ্টিমেটৰ বাবে খৰচৰ কাৰ্য্য-সূচীত মঞ্জুৰ কৰিছে । চাৰ্ভে কৰি টি, এ, চিত পঠাই দিব । টি, এ, চি য়ে তাৰ ওপৰত এইটো ফিচিবিলিটি ৰিপোৰ্ট পালে ৰিকমেণ্ড কৰি এইক্ষেত্ৰত আঁচনি গ্ৰহণ কৰিব ।

শ্ৰীআমিৰ হামচা তালুকদাৰ—মন্ত্ৰী মহোদয়ে এইটো জনাব নেকি এনেকুৱা ফিটি-বিলিটি ৰিপোৰ্ট এতিয়ালৈকে কিমান বাৰ হ'ল ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )—এইটো জনা আছে কাৰণ গোটেই বিলাক চাৰ্ভে ৰিপোৰ্ট এইটো স্কীম হিচাবে ফিচিবিলিটি নহৰও পাৰে । সেই কাৰণে যদিও বহু খিনি ঠাইত ৰিপোৰ্ট হৈছে তথাপিও স্কীম হিচাবে আকাৰ পোৱা নাই ।

বি : দৰমহা নিৰ্দ্ধাৰণ

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে :

* ১৬২। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰাজ্যৰ ধান তেলৰ মিল সমূহত কাম কৰা শ্ৰমিক সকলৰ নিম্নতম দৰমহা কোন চনত কি নিৰিখত নিৰ্দ্ধাৰণ কৰা হৈছিল ?

Starred question No. 162 was not replied by the Minister in charge as the matter was subjudice,

বি: ৰংজুলিত ৰাজহ চাৰ্কোল অফিচ

শ্ৰীজগত পাটগিৰিয়ে সুধিছে:

*২৬৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰংজুলিত ৰাজহ চাৰ্কোল অফিচ পতা সম্পৰ্কে চৰকাৰ সিদ্ধান্ত কৰিছেনে?

(খ) যদি কৰিছে, কেতিয়াকৈ কাৰ্য্যকৰী ব্যৱস্থা লব চৰকাৰে জনাবনে?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

১৬৩। (ক)—হয়।

(খ)—বিত্ত অনুদান পোৱাৰ লগে লগে যথা বিহিত ব্যৱস্থা লোৱা হব।

শ্ৰীচিৰাজুদ্দিন আহমেদ—অধ্যক্ষ মহোদয়, ধুবুৰীতো এনেধৰণৰ নতুন চাৰ্কোল হোৱাৰ কিবা আঁচনি হাতত লৈছে নেকি?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ ৰিপোৰ্ট হৈ হৈছে। চাৰ্কোল বঢ়াবৰ কাৰণে আমি এখন কমিটি কৰি দিছো আৰু সেই কমিটিৰ পৰামৰ্শ মতে আমি কাম কৰি আছো।

বি: তৃতীয় তেল শোধনাগাৰ

শ্ৰীমথুৰা ডেকাই সুধিছে:

* ১৬৪। মাননীয় খনি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৭৫ চনৰ ১৮ ফেব্ৰুৱাৰী তাৰিখৰ অসম বিধান সভাই সৰ্ব্বসন্মতি ক্ৰমে তেল পথাৰৰ সমীপত তৃতীয় তেল শোধনাগাৰৰ প্ৰস্তাৱ গ্ৰহণ কৰা বিষয় চৰকাৰে জানেনে?

(খ) যদি জানে, কেন্দ্ৰীয় চৰকাৰৰ লগত এই বিষয়ে যোগাযোগ কৰা হৈছে নেকি?

(গ) এই সম্বন্ধে কেন্দ্ৰীয় চৰকাৰৰ মনোভাব কি জনাবনে?

শ্ৰীজি, চি, লাংথাচা (খনি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

১৬৪। (ক)—হয় জানো।

(খ)—হয়, কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে।

(গ)—বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, যোগাযোগও হৈছে, বিবেচনাও হৈছে, তেনে-

ক্ষেত্রত এতিয়া হবনে ?

শ্রীজি, চি, লাংথাচা ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে দিল্লীলৈ যাওতে কেন্দ্ৰীয় চৰকাৰৰ মিনিষ্টাৰ-ইন-চাৰ্জক লগ ধৰিছিল। গতিকে এইবিষয়ে তেখেতে বেচিকৈ খবৰ পাব।

শ্রীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, মই বিভাগীয় মন্ত্ৰীক সুধিছো। এইটো মুখ্য-মন্ত্ৰীৰ কথা নহয়।

শ্রীজি, চি, লাংথাচা ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, মই জনামতে আগতেও ৰিজো-লিউচন লোৱাৰ পাচত মাননীয় মুখ্যমন্ত্ৰী আছিল, তেখেতে যোগাযোগো কৰিছিল, পাচত মাননীয় মহম্মদ ইদ্রিছ; আইন মন্ত্ৰী আছিল তেখেতেও যোগা-যোগ কৰিছিল আৰু মাননীয় কেশৱ চন্দ্ৰ গগৈ যেতিয়া ইনচাৰ্জ আছিল তেতিয়া তেখেতেও লগ ধৰিছিল। মন্ত্ৰী হোৱাৰ পাচত পাৰ্চনেলী মই লগ ধৰা নাই। এইবিষয়ে চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে।

শ্রীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )—অধ্যক্ষ মহোদয়, আৰু এটা তেল শোধানাগাৰ পাতিবৰ কাৰণে আমাৰ ফালৰ পৰা কেন্দ্ৰীয় চৰকাৰক জনোৱা হৈছে আৰু আমি জনাইছো যে ১৯৮৫ চনৰ পাচত অসমত যি কেইটা তেল শোধনাগাৰ আছে তাৰে শোধন কৰা সম্ভৱ নহব। গতিকে অসমৰ তেলক্ষেত্ৰ অসমত পাতিবৰ কাৰণে অনুৰোধ কৰিছো আৰু কেন্দ্ৰীয় চৰ-কাৰেও বিবেচনা কৰি আছে।

## বি : ধুবুৰীত চিকিৎসা মহাবিদ্যালয়

শ্রীজয়নাল আবেদিনে সুধিছে :

* ১৬৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ধুবুৰী জিলাত এখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰাৰ কোনো প্ৰস্তাৱ চৰকাৰৰ হাতত আছে নেকি ?

(খ) যদি আছে, চৰকাৰে ইয়াৰ কাম কেতিয়াৰ পৰা আৰম্ভ কৰিব জনাবনে ?

ডাঃ ভূমিধৰ বৰ্মণ ( স্বাস্থ্য বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১৬৫। (ক)—এই সম্পৰ্কে কোনো প্ৰস্তাৱ নাই।

(খ)—ওপৰোক্ত তথ্যৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

শ্ৰীজয়নাল আবেদিন—বৰ্ত্তমান প্ৰস্তাব নাই তথাপি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো চিকিৎসা মহাবিদ্যালয়ৰ স্থানৰ ক্ষেত্ৰত কি কি বিবেচনা কৰা হয় ?

ডাঃ ভূমিধৰ বৰ্মণ ( মন্ত্ৰী )—ভৱিষ্যতে ডাক্তৰ তৈয়াৰ কৰিব লাগিব আৰু আমাৰ দেশত কিমান ডাক্তৰ লাগিব এই কথাটো চাম। বৰ্তমান আমাৰ দেশত তিনিখন মেডিকেল কলেজ আছে। এই তিনিখন মেডিকেল কলেজ আমি একেবাৰে ফুলফ্লেজেদ কৰিব পৰা নাই অসম মেডিকেল কলেজৰ বাহিৰে। চিলচৰ মেডিকেল কলেজত পি, জি ক্লাছ খুলিব পৰা নাই। খুলিম আৰু খুলি আছো। এই কেইখনকে ভালকৈ কৰাটোকে উপযুক্ত বুলি বিবেচনা কৰিছো।

শ্ৰীজয়নাথ আবেদিন—বৰ্তমান কিমান সংখ্যক ডাক্তৰ সৃষ্টি কৰিছে আৰু এই পৰিপ্ৰেক্ষিতত নতুনকৈ এখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰাৰ প্ৰয়োজনীয়তা আছেনে নাই ?

ডাঃ ভূমিধৰ বৰ্মণ ( মন্ত্ৰী )—চিট বঢ়োৱাৰ স্কপ আছে। ডিব্ৰুগড় আৰু চিলচৰত চিট বাঢ়িছে আৰু ডাক্তৰৰ অভাৱ এতিয়া আমাৰ ৰাজ্যত হোৱা নাই।

শ্ৰীহেমেন দাস—এম, বি, বি, এচ কিমান নিবনুৱা হৈ আছে ?

ডাঃ ভূমিধৰ বৰ্মণ ( মন্ত্ৰী )—এতিয়া গোটেই তথ্যপাতি মোৰ হাতত নাই। তথাপি কিছু কিছু আছে।

শ্ৰীমথুৰা ডেকা—ধুবুৰী জিলাক পিচপৰা বুলি কয়। সেই হিচাপে এখন ভেন্সাৰ মেডিকেল কলেজ ধুবুৰীত স্থাপন কৰিবনে ?

ডাঃ ভূমিধৰ বৰ্মণ ( মন্ত্ৰী )—ভেন্সাৰ কলেজ মেইনটেইন কৰাটো টান।

Shri Hasan Uddin—Is it a fact that there is heavy rush for admission in all the Medical Colleges ? If so, does it not indicate that there should be more Medical colleges, especially in the backward areas ?

ডাঃ ভূমিধৰ বৰ্মণ ( মন্ত্ৰী )—ল'ৰাই চিট বিচাৰি আছে আৰু বহু যত্ন কৰিও চিট পোৱা নাই। এই কেইখন মেডিকেল কলেজ ঠিক নকৰাকৈ আৰু কৰাটো কেনেকুৱা হব ?

Shri Hasan Uddin—Then will it not go to prove that we are depriving the students who are willing to take admission in Medical Colleges:

ডাঃ ভূমিধৰ বৰ্মণ ( মন্ত্ৰী )—চিট বঢ়োৱাটো উচিত। চিট বঢ়োৱাটোত জোৰ দিছো। মেডিকেল কলেজ কৰাটোত টকাৰো কথা আছে।

শ্ৰীজয়নাল আবেদিন—প্ৰস্তাব নাই। তথাপি ভৱিষ্যতে নতুনকৈ চিকিৎসা মহাবিদ্যালয় স্থাপন কৰোতে ধুবুৰী জিলাৰ কথাটো বিবেচনা কৰিবনে ?

ডাঃ ভূমিধৰ বৰ্মণ ( মন্ত্ৰী )—ভৱিষ্যতৰ কথা আজি কেনেকৈ কম ?

শ্ৰীবৰ্গৰাম দেউৰী—মন্ত্ৰী মহোদয়ে কৈছে যে চিট বঢ়োৱাৰ স্কপ আছে। ইতিমধ্যে চিট বঢ়োৱা হৈছে নেকি ?

ডাঃ ভূমিধৰ বৰ্মণ ( মন্ত্ৰী )—৪০ টা চিট বঢ়োৱাৰ কাৰণে আই, এম, চিলৈ লিখা হৈছে।

### Re : Bridge on Barkanda-Lakhiganj Road

Shri Siraj Uddin asked :

* 166. Will the Minister, P. W. D. be pleased to state—

(a) Whether there is any Bridge on the Barkanda-Lakhiganj road at the Village Gobardhanpara ?

(b) If so, what is its present condition ?

(c) Whether Government is aware that there is a theft case for removal of the Bridge materials ?

(d) If so, the action taken by the Government in this regard ?

Smti Syeda Anowara Taimur ( Minister, P. W. D. ) replied:

166. (a)—No.

(b)—Does not arise.

(c)—Does not arise.

(d)—Does not arise.

শ্ৰীচিৰাজ উদ্দিন—বৰকান্দা লক্ষীগঞ্জ ৰাস্তাত গোবৰধন পাৰা গাওঁত দলং নাই বুলি কৈছে। এইটো ভাঙি কবনে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—ভাবি কৈছো। গোবৰধন পাৰা বাহমৰা ব্ৰীজত চুৰি কেচ হৈছে।

শ্ৰীচিৰাজ উদ্দিন—যি দলঙৰ চুৰি হৈছে সেই সম্পৰ্কত বিভাগৰ পৰা তদন্ত কৰি জনাবনে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—এইটো কৰ্টৰ কেচ হৈছে। ১২-১১-৮২ তাৰিখে চুৰি হৈছিল। তাৰ আগতে বানপানী আহিছে আৰু দলংখন লোজ হৈ আছিল। ৰাইজে জনাইছিল বস্তুবিলাক অলপ অলপকৈ নি আছে। তেতিয়া ১২-১১-৮২ তাৰিখে বিলাসীপাৰাৰ অ, চি আৰু এচ, ডি, অই গৈ ট্ৰাক সহ বস্তু ধৰিছে আৰু কেছ দিছে। এতিয়া চাবজুদিচ হৈ আছে, গতিকে কব নোৱাৰিম।

শ্ৰীমথুৰা ডেকা—মোকৰ্দমা চলিছে আৰু চলি থাকিব। দলংখন নোহোৱাকৈ থাকিবনে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—দলং নোহোৱাকৈ নাথাকে। বস্তুবিলাক চুৰ কৰিছে। দলং বনাবৰ বাবে আঢ়ৈ লাখ টকা লাগিব। সোনকালে দলং বনাবৰ কাৰণে ব্যৱস্থা হাতত লৈছো।

বিঃ ভোগদৈ আৰু ধনশিৰী নদীৰ মাজত জলসিঞ্চনৰ ব্যৱস্থা

শ্ৰীজয় চন্দ্ৰ বৰাই সুধিছে :

* ১৬৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৰহাট জিলাৰ দক্ষিণাংশত ভোগদৈ আৰু ধনশিৰী নদীৰ জলসিঞ্চনৰ বাবে কি ব্যৱস্থা লোৱা হৈছে ?

(খ) যিহেতু এই অঞ্চলত ভূগৰ্ভতো পানী উপযুক্ত পৰিমাণে পোৱা নাযায় সেই বাবে ব্ৰহ্মপুত্ৰ নদীৰ পৰা পানী তুলি জলসিঞ্চনৰ ব্যৱস্থা কৰিব পৰা হয়নে ?

(গ) যদি হয়, তেন্তে কিবা আঁচনি লোৱা হৈছে নেকি ?

শ্ৰীজেহিৰুল ইচলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিব।

১৬৭। (ক)—জলসিঞ্চনৰ বাবে তলত দিয়া ধৰণে ব্যৱস্থা লোৱা হৈছে।

যোৰহাট মহকুমা

১। চৰাই প্ৰবাহমান জলসিঞ্চন আঁচনি (flow)

গোলাঘাট মহকুমা

২। সৰুপথাৰ গভীৰ নলীনাদ আঁচনি D. T. W.

৩। আঠগাওঁ মৌজাৰ দৈয়াং নদীৰ পৰা উত্তোলন আঁচনি। L. I. S

৪। সৰুপথাৰ মৌজাৰ ধনশিৰি নদীৰ পৰা উত্তোলন আঁচনি। L. I. S

৫। সৰুপথাৰ খণ্ডৰ ধনশিৰি নদীৰ পৰা উত্তোলন আঁচনি। L. I. S

৬। বৰপথাৰ মৌজাৰ ধনশিৰি নদীৰ পৰা উত্তোলন আঁচনি। L. I. S

৭। দ চমুৱা উত্তোলন পইণ্ট ১, ২, ৰিমোদেলিং আঁচনি। L. I. S

৮। হুচুপাৰা ৰিমোদেলিং উত্তোলন আঁচনি। L. I. S

৯। ঘগ্ৰা পথাৰ ৰিমোদেলিং উত্তোলন আঁচনি। L. I. S

১০। আটোনিয়া মিৰিগাওঁ ৰিমোদেলিং উত্তোলন আঁচনি। L. I. S

১১। প্ৰেমহোৰা ১ নং. ২ নং গভীৰ নলীনাদ আঁচনি। D. T, W

১২। বৰপথাৰ মৌজাৰ পাভোজান গভীৰ নলীনাদ আঁচনি। D. T. W

১৩। চাকুলীয়া পথাৰ গভীৰ নলীনাদ আঁচনি। D. T. W

১৪। পশ্চিম সৰুপথাৰ গাওঁ পঞ্চায়তৰ খৰাং বতৰত লোৱা অগভীৰ নলী নাদ আঁচনি। S. T. W

১৫। সৰুপথাৰৰ চটিয়নি গাওঁৰ খৰাং বতৰত লোৱা অগভীৰ নলী নাদ আঁচনি। S. T. W

১৬। দক্ষিণ বৰপথাৰ গাওঁ পঞ্চায়তৰ খৰাং বতৰত লোৱা অগভীৰ নলী নাদ আঁচনি। S. T. W

১৭। উত্তৰ বৰপথাৰ গাওঁ পঞ্চায়তৰ খৰাং বতৰত লোৱা অগভীৰ নলী নাদ আঁচনি। S. T. W

১৮। কাবিগাওঁ উত্তোলন আঁচনি। L. I. S

১৯। চিলাপথাৰ উত্তোলন আঁচনি। L. I. S

(খ)—এই বিষয়ে জৰিপ আৰু অনুসন্ধানৰ ব্যৱস্থা কৰা হব।

(গ)—প্ৰশ্ন নুঠে।

শ্ৰীজয়চন্দ্ৰ বৰা—মাননীয় অধ্যক্ষ মহোদয়, যি কেইটা আঁচনিৰ কথা কৈছে এইটো ধনশিৰি নদীৰ আশে পাশে থকা আঁচনি। মোৰ প্ৰশ্নটো আছিল যে, ভোগদৈ আৰু ধনশিৰি নদীৰ মাজত যিটো অঞ্চল, সেই অঞ্চলটোৰ কথা মই বিশেষকৈ উত্থাপন কৰিছো। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, এই অঞ্চলটো ভোগদৈ নদীৰ পৰা আৰম্ভ কৰি আৰু সেই অঞ্চলৰ পানীৰ কাৰণে কিবা ব্যৱস্থা কৰিবনে ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)—মই ইয়াৰ উত্তৰ দিছো। এই বিষয়ে অনুসন্ধান কৰা হব।

শ্ৰীজয় চন্দ্ৰ বৰা—কেতিয়াৰ পৰা অনুসন্ধান কৰাৰ ব্যৱস্থা কৰা হৈছে ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)—ইতিমধ্যে আৰম্ভ কৰা হৈছে।

শ্ৰীজয় চন্দ্ৰ বৰা—অধ্যক্ষ মহোদয়, যিহেতুকে এই অঞ্চলত গভীৰ নলী নাদৰ পৰা পানী পোৱা নাযায়, খোৱা পানীৰ কাৰণে হাঁহাকাৰ কৰা হয়, সেইকাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খোজো যে, খোৱা পানী আৰু জলসিঞ্চন দুয়োটাৰ বাবে পৰীক্ষা কৰাৰ কাৰণে ব্যৱস্থা কৰিবনে ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)—এইটো পৰীক্ষা কৰি চোৱা হব।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, আমাৰ অসমত খেতিৰ বতৰ কেতিয়াৰ পৰা, কোন মাহৰ পৰা আৰম্ভ হয় ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)—খেতিৰ বতৰ গোটেই বছৰ ধৰি চলি থাকে।

শ্ৰীপূৰ্ণ বড়ো—অধ্যক্ষ মহোদয়, যিবিলাক দিপ টিউবওৱেলৰ হিচাব দিছে সেই কেইটাৰ ভিতৰত কিমানটা অচল হৈ আছে আৰু কিমানটা ভাল ভাবে পানী দিব পাৰিছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এই টিউবওৱেল কিছুমান চলি আছে আৰু কিছুমান কাম হৈ আছে। লিষ্ট বিচাৰিলে জনাম।

শ্ৰীজয় চন্দ্ৰ বৰা—অধ্যক্ষ মহোদয়, আগতেই কৈছিলো যে, খোৱা পানীৰ কাৰণে কিছুমান অঞ্চলত হাঁহাকাৰ হৈছে আৰু এই বিষয়ে জলসিঞ্চন মন্ত্ৰীয়ে পৰীক্ষা কৰি চোৱা হব বুলি কৈছে। মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এইটো জানিবলৈ বিচাৰো যে, দুয়োটা বিষয়তে পৰীক্ষা কৰি চোৱা

হবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )—অধ্যক্ষ মহোদয়, ইতিমধ্যে মই মাননীয় সদস্য সকললৈ প্ৰফৰমা পঠিয়াইছো। প্ৰকৃততে ব্লক উন্নয়ন খণ্ড এলেকা কিমান আছে, ৰাষ্টা পদুলিৰ কাম, বিজুলী বাতি, ইৰিগেচনৰ বাবে কিমান আঁচনি আছে খোৱা পানীৰ আঁচনি কিমান আছে এই আটাইবিলাকৰ দিটেইলচ ভাবে যেতিয়া ৰিপোৰ্ট পোৱা যাব তেতিয়া আমি সেই উন্নয়ন খণ্ড বিলাকত কৰিবলৈ চাম।

Re: Installation of Hand Tube Wells.

Shri Barkat Ullah asked :

* 168. Will the Minister, Public Health Engineering be pleased to state—

(a) The number of Hand Tube Wells in the villages covered by Pachim Borigog Mouza during the last year ?

(b) The number of Hand Tube Wells proposed to be installed within this current financial year under 20 point programme ?

(c) The names of villages may be furnished ?

Shri R. N. Pamegam ( Minister, Public Health Engineering) replied :

168. (a)—During the last financial year i. e., 1982-83 no Tube Wells were installed.

(b)—11 nos. in four villages.

(c)—(1) Dhuhi No. 1,

(2) Barpalla,

(3) Souramuri,

(4) Purna Khumdum.

Shri Barkat Ullah—Mr. Speaker, Sir, may I know from the Honourable Minister whether these 11 numbers of tube wells to which he has referred to have been installed ?

Shri Raghu Nath Pamegam ( Minister )—Mr. Speaker, Sir, out of these 11 numbers of tube wells 6 have been installed already and the remaining 5 are going to be installed very soon.

Shri Barkat Ullah—Mr. Speaker, Sir, the Honourable Minister has stated that only 6 number of tube wells have been installed. May I know from the Honourable Minister the dates of installation of these tube wells ?

Shri Raghu Nath Pamegam ( Minister )—Mr. Speaker, Sir, the dates are not immediately available with me now. If the Honourable Members insist on the dates, I will have to collect the information.

Shri Barkat Ullah—Mr. Speaker, Sir, may I know from the Honourable Minister whether all these tube wells have been completed ?

Shri Raghu Nath Pamegam ( Minister )-Mr. Speaker, Sir, when it is replied as installed, it must be completed.

Re: Unemployed bonus to Unemployed graduates above 30 Years of age

Shri Amir Hamcha Talukdar asked:

*169. Will the Minister, Labour and Employment be pleased to state—

(a) Whether the Government have any proposal for sanctioning unemployed bonus to the unemployed graduates above 30 years of age ?

(b) If not, why ?

(c) If so, the date and year from which the unemployed bonus will be given to unemployed graduates ?

Shri Rameswar Dhanowar (Minister, Labour & Employment) replied :

169. (a)—No.

(b)—Any person who has remained unemployed for a minimum period of 3 years after graduation on the first day of the year and has not crossed the age of 30 years are eligible to receive the unemployment assistance under the Assam Unemployment Assistance Scheme, 1983. The age is relaxed upto 35 years in case of SC/ST and handicapped persons which are the maximum limit of age bar for entry in a Government service. Hence, it is not considered for any assistance beyond 30 or 35 years as the case may be.

(c) Does not arise.

শ্ৰীআমিৰ হামছা তালুকদাৰ—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে, ৩০।৩৫ বছৰ বয়স হোৱা চি দিউল কাষ্ট আৰু চি দিউল ট্ৰাইবৰ ক্ষেত্ৰত বিলেক্স দিয়া হব। বাকী যিবিলাক জেনেৰেল, সেইবিলাককো সেই একে সূত্ৰৰ ভিতৰতে বিবেচনা কৰা হব নেকি ?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, ইয়াৰ উত্তৰ মই আগতেই দিছো। চৰকাৰৰ এটা চাকৰী নীতি আছে সেইমতেই বিবেচনা কৰা হব।

Re : Barkanda-Sapatgram, P. W. D. Road

Shri Siraj Uddin asked :

*170. Will the Minister, P. W. D. be pleased to state—

(a) The year in which the Barkanda-Sapatgram, P. W. D. road was constructed ?

(b) The length of the road ?

(c) How many K. Ms. of the road have been black-topped ?

(d) Whether, there is any proposal for black-topping of this road in the current year ?

(e) If so, when the work will be started ?

Smti Syeda Anowara Taimur ( Minister, P. W. D. ) replied :

170. (a)—1958.

(b)—34·00 K. M.

(c)—2·024 K. M.

(d)—No.

(e)—Does not arise.

শ্ৰীচিৰাজ উদ্দিন—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়াই কোৱাৰ দৰে এই ৰাস্তাটো ১৯৫৮ চনতে নিৰ্মান কৰা হৈছে। আজি ১৯৫৮ চনৰ পৰা ১৯৮৬ চনলৈকে হিচাব কৰি তাৰ এতিয়া বয়স কিমান হৈছে? এই ৰাষ্টাটোৰ ২·৫ অংশৰ ব্লেক টপিং কৰা হৈছে। মই মন্ত্ৰী মহোদয়াক কব বিচাৰো যে, এই ৰাষ্টাটো এই বিত্তীয় বছৰতে ব্লেক টপিংৰ বাবে গ্ৰহণ কৰিবনে?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, এইটো চাব লাগিব। মই যোৱা কালি কৰ্ত্তন প্ৰস্তাৱৰ উত্তৰত কৈছো যে, ব্লেক টপিংৰ বাবে টকা কম। সেইকাৰণে সেই কথাটো চাম।

শ্ৰীচিৰাজ উদ্দিন—অধ্যক্ষ মহোদয়, যিবিলাক কন্দিচন লৈ ব্লেক টপিং কৰিবলৈ দিয়া হয়, সেই সকলোবিলাকেই আছে। দুটা সমষ্টিৰ ভিতৰত এটা ৰাস্তা আৰু এই ৰাস্তাটোৱে কোকৰাঝাৰ জিলা আৰু ধুবুৰী জিলাক সংযোগ কৰিছে। সেই ফালৰ পৰা এই ৰাস্তাটোৰ গুৰুত্ব অনুভৱ কৰি এই বছৰতে ব্লেক টপিং কৰাৰ বাবে মন্ত্ৰী মহোদয়াক অনুৰোধ কৰিলো। এই বছৰতে ব্লেক টপিং কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, এই বছৰৰ টকা প্ৰায় শেষ হৈছে সেই কাৰণেই কিছুমান ৰাস্তাৰ গুৰুত্ব উপলব্ধি কৰিহে ব্লেক টপিং কৰা হৈছে। টকা কম হোৱাৰ কাৰণেই এম, এন, পিৰ টকা ভাগ কৰি নিয়া হয়, আনহাতে আমাৰ অহা বছৰ ১৯৮৪ চনত আৰু ১৯৮৫ চনত এই টকাৰ পৰিমাণ দবল কৰিবৰ বাবে চেষ্টা কৰিলো। আমাৰ মুখ্যমন্ত্ৰী মহোদয় ফাইনেন্স বিভাগত আছে। এই বিষয়ে তেওঁকো কোৱা হৈছে।

Shri Barkat Ulla—Mr. Speaker, Sir, will the Honourable Minister P. W. D. be pleased to assure that the fund for black topping for the roads will be distributed constituency-wise like the minimum needs programme

Smti Syeda Anowara Taimur (Minister)—Mr. Speaker, Sir, it will be very difficult. I have already told when I replied to some questions that it would be difficult to distribute the fund for black topping constituency-wise, as suggested by the Honourable Member.

শ্ৰীআমিৰ হামছা তালুকদাৰ—অধ্যক্ষ মহোদয়, ব্লেক টপিং কৰাৰ কাৰণে মাননীয় সদস্য সকলৰ পৰা পৰামৰ্শ লবনে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যত ৰোদ কমিউনিকেচন বৰ্ড আছে। সেই বৰ্ডত আমাৰ এম. এল, এ সকলো আছে। তাৰোপৰি আমাৰ যি চাবদিভিজনেল ৰোদ বৰ্ড আছে তাতো এম, এল, এ সকল আছে। হাৰিয়ানা, পঞ্জাৱ আদিৰ দৰেই আমাৰ ইয়াতো এম, এন, পি ৰাষ্টাৰ কাম কৰিবলৈ লোৱা হৈছে। সেই-কাৰণে যিবিলাক ইম্পৰটেণ্ট ঠাইত ৰাস্তা হব লাগে সেইবিলাকত গুৰুত্ব আৰোপ কৰি কাম কৰাৰ চেষ্টা কৰা হব।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে কি যে ব্লেক টপিং মজবুত নকৰি সস্তীয়া কৰিলে ভাল হব ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ ( মন্ত্ৰী )—সস্তীয়া ধৰণৰ কৰিলে আপুনি কৈছে

যে ভাল নহব। আমাৰ ভাৰতবৰ্ষত দেখিছোঁ ৰাস্তা মেৰামতিতে বহুত টকা যায়, কিন্তু আমেৰিকা, ৰাচিয়া আদি ঠাইত একেবাৰে আৰ, চি, চি কৰাৰ কাৰণে মেৰামতিৰ আৰু কথা নুঠে।

শ্ৰীবৰ্গ ৰাম দেউৰী—অধ্যক্ষ মহোদয়, আমাৰ যিখন ষ্টেটৰ ৰড বৰ্ড আছে সেইখন যোৱা বছৰত কিমান বাৰ বহিছিল আৰু সেইখনৰ ফাংচন কি?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, যোৱাবছৰ এবাৰ বহিছিল আৰু দৰকাৰ হলে এবাৰতকৈয়ো বেছি বহিব লাগে। অসমৰ গোটেই ৰাস্তাবিলাক কেনেকৈ ভাল কৰিব পাৰি এই বিষয়ে পৰামৰ্শ আগবঢ়োৱাটোৱেই এই বৰ্ডৰ কাম।

শ্ৰীমোহন বসুমতাৰী—অধ্যক্ষ মহোদয়, চাব ডিভিজনেল ৰড বৰ্ডত এম, এল, এ সকল থাকে আৰু তেওঁলোকৰ পৰামৰ্শ মতে ব্লেক টপিং কৰা হয় বুলি মন্ত্ৰী মহোদয়াই কৈছে। এইবাৰ এই চাব ডিভিজনেল বৰ্ডৰ পৰামৰ্শ মতে কাম হৈছে নেকি?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, চাৰ ডিভিজনেল ৰড বৰ্ডে এম, এন, চিৰ ৰাস্তাবোৰ কৰিবলৈ বিশেষ ভাবে পৰামৰ্শ দিয়ে। য'ত ট্ৰেফিক ইনটেচিটি বেছি হয় আৰু জিলাৰ লগত লিংক থাকে সেই সেই ঠাইৰ এম, এল, এ, সকলে জোৰ দি ডি, চিক ধৰে আৰু এক-জিকিউটিভ ইঞ্জিনিয়াৰক সোনকালে কৰিবলৈ পৰামৰ্শ দিয়ে।

শ্ৰীনুৰুল হক চৌধুৰী—অধ্যক্ষ মহোদয়, ব্লেক টপিংৰ টকা বিতৰণৰ ক্ষেত্ৰত দেখা গৈছে যে কোনো কোনো মাননীয় সদস্যৰ তাত ৮-১০ লাখ টকা দিয়া হয় আৰু কোনো কোনোক ২-৩ লাখ দিয়া হয়। সেই টকাটো ইয়াৰ পৰা ইয়েৰ মাৰ্ক কৰি দিয়া হয়। এই বিতৰণ ফেয়াৰ হোৱা নাই, এই বিষয়ে মন্ত্ৰী মহোদয়াই কিবা আশ্বাস দিব নে?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ (মন্ত্ৰী)—কৰবাত কম আৰু কৰবাত বেছি এইটো নহয়। এই বছৰ ১৭২·১২ লাখ টকা জেনেৰেল এৰিয়াত আৰু তাৰে ৬০ লাখ টকা ট্ৰাইবেল এৰিয়াত ধৰা হৈছে। ট্ৰাইবেল এৰিয়াত য'ত ট্ৰেফিক ইনটেনচিটি বেছি সেইবোৰ চাই ক'ত কেনেকৈ টকা দিব পাৰি সেই মতেই দিয়া হয়।

### Re : Board of Homoeopathic System

Shri Abu Nasar Ohid asked :

*171. Will the Minister, Health be pleased to state—

(a) Whether Government has constituted a board of Homoeopathic System of Medicine the year, 1955 ?

(b) If so, whether it is a fact that there are four Homoeopathic Colleges in Assam which are provided with non-recurring grants ?

Dr. Bhumidhar Barman ( Minister, Health ) replied :

171. (a)—Yes. The "Board of Homoeopathic Systm of Medicine, Assam" was constituted in 1956, but not in 1955.

(b)—Yes.

Shri Abu Nasar Ohid—May I know from the Hon'ble Minister who is the Chairman and who are the members of the Board ?

Dr. Bhumidhar Barman ( Minister )—DHS is the Chairman and Registrar is the Secretary. We have some hon'ble members from the Assembly. They are (1) Shri Sisir Das and (2) Shri Pushpadhar Pegu.

Shri Abu Nasar Ohid—Is it functioning since 1956.

Dr. Bhumidhar Barman, ( Minister )—Yes, Sir. It is reconstituted with hon'ble members Shri Sisir Das, Shri Pegu and member Shri Halim.

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, এই কমিটিখন বছৰত কেইবাৰ বহে ?

ডঃ ভূমিধৰ বৰ্মণ ( মন্ত্ৰী )—এই বৰ্ডখন হোৱাৰ পৰা এবাৰ বহিছে ।

শ্ৰীমথুৰা ডেকা—ভৱিষ্যতে আৰু বহাৰ আশা আছে নে ?

ডঃ ভূমিধৰ বৰ্মণ ( মন্ত্ৰী )—দৰকাৰ হলে বহুৱা হব ।

# UNSTARRED QUESTIONS AND, ANSWERS

Date 28th March, 1984

বি: বৈদ্যুতিক যন্ত্র চুৰি

শ্ৰীমথুৰা ডেকাই সুধিছে :

১১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) পুথিমাৰী নৈৰ কমলপুৰ চক্ৰৰ ভিতৰ অংশত থকা বৈদ্যুতিক যন্ত্ৰসমূহ চুৰি হোৱা কথা চৰকাৰে জানেনে ?

(খ) যদি জানে এই বৈদ্যুতিক যন্ত্ৰসমূহ নোহোৱা হোৱাৰ পিছত সেই অঞ্চলত পানী যোগানৰ কেনে ব্যৱস্থা লৈছে জনাবনে ?

(গ) যোৱা বেলি পানীৰ অভাৱৰ বাবে সেই অঞ্চলৰ খেতিয়ক সকলে খেতি কৰিব নোৱাৰা কথাটোও চৰকাৰে জানেনে ?

(ঘ) যদি জানে বৰ্ত্তমান বছৰত সেই অঞ্চলত পানী যোগানৰ কেনে ব্যৱস্থা লৈছে আৰু কেতিয়াৰ পৰা খেতিৰ পানী পাব ?

শ্ৰীজেহিৰুল ইচলাম ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১১। (ক)—হয় জানে। ১৬ টা মটৰ আৰু বিজুলী সংযোগ তাঁৰ চুৰি হৈছে।

(খ) অকল মটৰ চুৰি হোৱা ৯ টা পানী যোগান কেন্দ্ৰৰ ভিতৰত ৫ টা কেন্দ্ৰত অস্থায়ী মটৰ সংযোগ ক'ৰি পানী যোগানৰ ব্যৱস্থা কৰা হৈছে। কিন্তু একেলগে মটৰ আৰু বিজুলী তাঁৰ চুৰি হোৱা ৪ টা কেন্দ্ৰত বিজুলী সংযোগ পুনৰ সংস্থাপন নোহোৱা বাবে পানী যোগানৰ ব্যৱস্থা লব পৰা হোৱা নাই।

(গ) হয়। মটৰ আৰু বিজুলী তাঁৰ চুৰি হোৱ ৮ টাকেন্দ্ৰৰ পৰা যোৱাবেলি পানী যোগান ধৰিব পৰা হোৱা নাছিল।

(ঘ)—চুৰি নোহোৱা ৭ টা কেন্দ্ৰ আৰু মটৰ চুৰি হোৱা ৯ টা কেন্দ্ৰৰ ভিতৰত ৫ টা কেন্দ্ৰত অৰ্থাৎ ১২ টা কেন্দ্ৰত বৰ্তমান বছৰত পানী যোগান ধৰিব পৰা হব।

শ্ৰীমথুৰা ডেকা—মাননীয় অধ্যক্ষ মহোদয়, (খ) প্ৰশ্নৰ উত্তৰত কৈছে যে ১৬ টা

মটৰ আৰু বিজুলি তাঁৰ চুৰ কৰা হৈছে। এই চোৰ বিলাক ধৰা হৈছে। এই চোৰ বিলাক ধৰা হৈছিল নে নাই, যদি ধৰা হৈছে কি ব্যৱস্থা কৰিছে জনাবনে ?

শ্ৰীজেহিৰুল ইচলাম ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, ধৰা কাম আমাৰ বিভাগৰ নহয়, চোৰ ধৰি লগে লগে পুলিচ বিভাগক জনাই দিয়া হৈছে আৰু পুলিচ বিভাগে ইতিমধ্যে ১৬ টা মটৰৰ ভিতৰত ৪টা উদ্ধাৰ কৰিছে আৰু তাৰে আমাক ঘূৰাই দিছে, বাকী তিতিটা কমলপুৰ থানাত পৰি আছে, এই খিনি আমি পাম বুলি আশা ৰাখিছো।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, গড়কাপ্তানি বিভাগে চোৰ নধৰে আমিও জানো কিন্তু কেচটো কিয় লোৱা হোৱা নাই জনাবনে ?

শ্ৰীজেহিৰুল ইচলাম ( মন্ত্ৰী )- ইয়াৰ ব্যৱস্থা লোৱা হৈছে বুলি মই আগতেই কৈছো।

শ্ৰীপূৰ্ণ বৰো—অধ্যক্ষ মহোদয়, ১৬ টা মটৰ চুৰি হোৱাৰ কথা মন্ত্ৰী মহোদয়ে কৈছে ভৱিষ্যতে যাতে এনে নহয় তাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীজেহিৰুল ইচলাম ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, এইবোৰ চোৱা চিন্তা কৰিবৰ কাৰণে আমাৰ একজিকিউটিভ ইঞ্জিনিয়াৰে স্থানীয় ভাবে এটা কমিটি কৰি দিছে। কিন্তু ৰাইজৰ ফালৰ পৰা এই বিষয়ত সহাৰী পোৱা নাই, কাৰণ তেখেত সকলে পইচা নোহোৱাকৈ কাম কৰিব নোখোজে।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, যিবিলাক গাওঁত এনে মটৰ আদি দিয়া হৈছে সেই বিলাক গাওঁৰ ৰাইজক চোৱা চিন্তা কৰিবলৈ দায়িত্ব দিয়া হৈছে নেকি ?

শ্ৰীজহিৰুল ইচলাম ( মন্ত্ৰী )—প্ৰত্যেকটো পাম চেট চোৱা চিতাৰ কাৰণে কমিটি কৰি দায়িত্ব দিয়া হৈছে।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, প্ৰত্যেকটো পাম চেটৰ কাৰণে খালাচি নিয়োগ কৰা হৈছে নেকি ?

শ্ৰীজেহিৰুল ইচলাম ( মন্ত্ৰী )—টকা আমাৰ খুউব কম, ২৪ ঘণ্টা পহৰা দিয়াৰ কাৰণে মানুহ ৰখিবলৈ যিমান ধন লাগে সিমান আমাৰ নাই। প্ৰত্যেকটো পাম চেট চোৱাৰ কাৰণে এজন মানুহ ৰখা হৈছে।

শ্ৰীমথুৰা ডেকা—মাননীয় অধ্যক্ষ মহোদয়, মটৰ পাম্পৰ কাৰণে খালাচী নিয়োগ কৰা হৈছেনে নাই ?

শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰী ) – মাননীয় অধ্যক্ষ মহোদয়, মই এই বিষয়ে কৈছো-য়েই যে, অপাৰেশ্বনেল আৰু মেইন্টিনেন্সৰ ক্ষেত্ৰত টকা খুউব্ৰা কম। সেই কাৰণেই একেলেঠাৰিয়ে ২৪ ঘণ্টা পহৰা দিবৰ কাৰণে চকিদাৰ ৰাখিব লগীয়া হলে, যিমান খিনি টকা খৰছ কৰিব সেই খিনি টকা নথকাৰ কাৰণে প্ৰত্যেক পাম্পতে এজনকৈ চকিদাৰ দিয়া হৈছে ?

শ্ৰীমথুৰা ডেকা—মাননীয় অধ্যক্ষ মহোদয়, মানুহ ৰখা স্বত্বেও চুৰি কেনেকৈ হয় সেইটো মাননীয় মন্ত্ৰী মহাশয়ে জনাবনে ?

( কোনো উত্তৰ নাই )

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে পহৰাও দিব আৰু চোৰো হব। গতিকে এইটো হৈ থকাতকৈ যি সকল ৰাইজে খেতি কৰে সেই সকলকে ইয়াৰ দায়িত্ব চমজাই দিব লাগে। ইয়াৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ে ব্যৱস্থা কৰিবনে ?

শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য জনৰ লগত একমত। কলিকতা, বোম্বাই আদিৰ নিচিনা ডাঙৰ ডাঙৰ মহানগৰী বিলাকত যি ধৰণেৰে দুষ্কৃতি কাৰীয়ে চুৰি হৈ থাকে সেইদৰে গুৱাহাটীৰ উত্তৰ পাৰৰ অঞ্চল বিলাক সেই বিলাক মহানগৰীতকৈ অলপ উন্নত নেকি ?

শ্ৰীমথুৰা ডেকা – মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে (ঘ) প্ৰশ্নৰ উত্তৰত কৈছে যে, 'চুৰি নোহোৱা ৭ টা কেন্দ্ৰ আৰু মটৰ চুৰি হোৱা ৯ টা কেন্দ্ৰৰ ভিতৰত ৫টা কেন্দ্ৰত, অৰ্থাৎ ১২ টা কেন্দ্ৰ আৰু মটৰ চুৰি হোৱা ৯ টা কেন্দ্ৰৰ ভিতৰত ৫টা কেন্দ্ৰত, অৰ্থাৎ ১২ টা কেন্দ্ৰত বৰ্তমান বছৰত পানী যোগান ধৰিব পৰা হব। এই পৰিপ্ৰেক্ষিতত মই জানিব পাৰোনে যে, এই পানী বাৰিষা যোগান দিয়া হবনে খৰকালি যোগান দিয়া হব, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, এইটো কোনো নিৰ্দ্দিষ্ট সময় সীমাৰ কথা নহয়। খৰালিটো পানী যোগান ধৰা হয়েই কিন্তু

বাৰিষাও যদি কোনো অঞ্চলত পানী নেথাকে তাতো পানী যোগান ধৰিব লাগে।

শ্ৰীমথুৰা ডেকা—মাননীয় অধ্যক্ষ মহোদয়, খৰালি গম, আহুখেতি আদি কৰাৰ কাৰণে ব্যৱস্থা কৰা হয়। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ২০ দফীয়া আঁচনিৰ কথা কৈছে। কিন্তু মাননীয় মন্ত্ৰী মহোদয়ে কৰিব লগীয়া ধৰণেৰে নকৰাৰ কাৰণেই আমি এই কৰ্ত্তন প্ৰস্তাৱ আনিব লগীয়া হৈছে।

শ্ৰী জহিৰুল ইছলাম ( মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, মই সিদিনা কেইটামান অঞ্চল ভ্ৰমণকৰি আহি দেখিছো যে, পাঞ্জাব হাৰিয়ানাৰ নিছিনাকৈয়ে ঘেহু খেতি হৈছে।

শ্ৰীপূৰ্ণ বড়ো—মাননীয় অধ্যক্ষ মহোদয়, মহাশয়ে 'ওৱাৰ্ডচ এণ্ড ওৱাৰ্ড'ৰ কথা কৈছে, লগতে ৰাইজকো ইয়াৰ লগতে জড়িত কৰা হব। কিমান চনত এই ব্যৱস্থাটো কৰা হৈছিল ? এই ব্যৱস্থা কৰাৰ আগতেই চুৰি হৈছিল নেকি ?

শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, এই তথ্য মোৰ হাতত নাই। কাম বিলাক নিয়ম মতে হব লাগে। প্ৰত্যেক কেন্দ্ৰতে হব লাগে।

## Statement By Chief Minister

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি 'ৰিলিফ এণ্ড ৰিহাবিলিটেশ্বন' ৰ শিতানত ৫০ হেজাৰ টকাৰ দাবী মঞ্জুৰী বিচৰামতে সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী শ্ৰীদীপক মুৰ্ম্মু ডাঙৰীয়াই উত্থাপন কৰা 'গ্ৰাণ্ট'ৰ সংক্ৰান্তত আলোচনাৰ কোনো সুবিধা নথকা বুলি উল্লেখ কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৬ মাৰ্চত 'গ্ৰাণ্ট নং ৪৬ ত— এই শিতানত দুইকোটি ৯৮ লাখ ৭০ হেজাৰ টকাৰ 'গ্ৰাণ্ট'ৰ মঞ্জুৰী বিচৰা হৈছিল। এই টকা খিনি 'ৰিলিফ এণ্ড ৰিহাবিলিটেশ্বন'ৰ শিতানৰ সংক্ৰান্তত। সেই দিনা সেই দাবী মঞ্জুৰীটো পাছ হৈ গৈছে আৰু ইয়াৰ

ওপৰত কোনো কৰ্ত্তন প্ৰস্তাৱ নথকাৰ কাৰণে ইয়াৰ ওপৰত কোনো আলোচনাই নহল।

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰীৰ লগত একমত যে, 'ফ্ৰিডম ফাইটাৰছ'ৰ পেন্সন'ৰ কথাটো ইয়াৰ লগত জড়িত হৈ আছে। বিধান সভাৰ সচিবালয়ে গ্ৰণ্টৰ যিখন লিষ্টৰ যোগান ধৰে সেই গ্ৰাণ্টৰ তালিকা পালে কৰ্ত্তন প্ৰস্তাৱ দিয়া হয়।

মাননীয় অধ্যক্ষ—কিতাপো দিয়া হয়।

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহাশয়, কিতাপো দিছে। আমি 'এনুৱেল ফাইনেন্সিয়েল ষ্টেটমেণ্ট' মতেহে পৰিচালিত হওঁ। এই ষ্টেটমেণ্টৰ গ্ৰাণ্ট ৪৬ ত চাৰ্টিফিকেটত সামাজিক নিৰাপত্তা ইত্যাদি এই কথা বিলাক লিখা আছে। আমি 'ৰিলিফ এণ্ড ৰিহাবিলিটেশ্বন'ৰ ওপৰতহে আলোচনা ৰাখি ভগনীয়াৰ পুনৰ সংস্থাপন বিষয়টোৰ ওপৰত সমালোচনা কৰিম। সেইকাৰণেই আমি বিষয়টো উত্থাপন কৰিছিলো। কিন্তু ভগনীয়া পুনৰ সংস্থাপনৰ বিষয়টোৰ লগত 'ফ্ৰিডম ফাইটাৰছ'ৰ পেন্সনৰ কথাটো জড়িত থাকিব বুলি আমি ভৱা নাছিলো। গতিকে বিধান সভা সচিবালয়ে চাৰ্কোলেট কৰা 'এনুৱেল ফাইনেন্সিয়েল ষ্টেটমেণ্ট' খনৰ দ্বাৰা আমাক ভুল বাটে পৰিচালনা কৰি সদনৰ বিশেষ অধিকাৰ ভঙ্গ কৰা হৈছে। কিয়নো আমি এই বিষয়টোৰ ওপৰত হবলগীয়া আলোচনাৰ পৰা বঞ্চিত হৈছো। যোৱা বছৰ যি ভয়ানক সমস্যাৰ সৃষ্টি হৈছিল তাত ৬০ কোটি টকা খৰছ কৰা হৈছিল। ইমান বৃহৎ পৰিমাণৰ টকা এনে এক ভয়ানক পৰিস্থিতিত খৰছ কৰিবলগীয়া হলে নিশ্চয় অলপ ইফাল সিফাল হোৱাৰ কথা। এই বিষয়টো সদনৰ প্ৰত্যেক জন মাননীয় সদস্যই জনা দৰ্কাৰ। যোৱাকালিও মোৰ সমষ্টিতে এখন বঙ্গালী হাইস্কুল জ্বলাই দিয়াৰ কথাটো আৰু মাননীয় সংশ্লিষ্ট মন্ত্ৰী মহোদয়ে উত্তৰ দিছিল শিক্ষা কমিশ্বনাৰক প্লেন এষ্টিমেট দিয়া হৈছে। অসমত সকলোৰে টকা পালে কিন্তু সৰভোগ ৰেইলওৱে কল'নি হাইস্কুল খন নাই। এই বিলাক কথা এই পৱিত্ৰ সদনত আলোচনা কৰাৰ আমাৰ অধিকাৰ আছে আৰু এই অধিকাৰৰ পৰা সদনক বঞ্চিত কৰা হৈছে। সেইকাৰণেই এই বিশেষ অধিকাৰ ভঙ্গৰ প্ৰশ্নটো সদনত দাঙি কৰিছো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, যিখন কিতাপ দিয়া হৈছিল তাত ৪৬ নং গ্ৰাণ্টৰ সংক্ৰান্তত ২০৬-৭ ত স্পষ্ট ভাৱে দেখা যায়। ১১০ হিচাবৰ শিতানত লোৱা হৈছিল। কিতাপ খন ভালদৰে চোৱা-হলেই কথাটো ওলাই পৰিলহেতেন। তেতিয়াই কাট মোচন থাকিলে দিব পাৰিলেহেতেন। আনুসঙ্গিক কথা বিলাক তাত দিয়াই আছিল। মুঠ যিটো দাবী আছিল সেইটো ২ কোটি ৯৮ লাখ ৭০ হেজাৰ টকাৰ। 'ৰিলিফ এণ্ড ৰিহাবিলিটেশ্বন'ৰ শিতানত ২ কোটি ধৰা হৈছে। এই কথাটো নজনাৰ কাৰণেই সকলো হৈছে। এই কথা বিলাক পিছত হলেও আলোচনা হব লাগে। আনহে নেলাগে এক পইচা খৰছ হলেও সম্পূৰ্ণ ৰূপেই আলোচনা হব লাগিব। গতিকে মাননীয় সদস্য সকলে এতিয়াও অনুমতি দিলে আধা ঘণ্টা সময় আলোচনা হব পাৰে।

Shri Benoy Kumar Basumatary—We accept the statement of the Hon'ble Chief Minister but as our colleague Mr. Das has pointed out the programme and the list of Cut Motions that is given to us is definitely misleading. We understand it. But Sir, it is a major grant and we have been disallowed to have our say. Sir, in Gohpur, out of 21 thousand affected people, only about 10 thousand have been granted relief and rehabilitation. We also know that many people were granted relief did not really suffered. Now Sir, we hear so many things in our constituencies that large sums of money were misused. Therefore Sir, it is a matter of misleading the House. We stand by our position. It is definitely a misleading and under Rule 58, we have moved a Motion of Breach of Privilege jointly with Mr. Das and Mr. Bimal Gayari. I hope you will kindly allow us time for discussion.

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, যিহেতু মুখ্যমন্ত্ৰী মহোদয়ে নিজে সময় বিচাৰিছে আধা ঘণ্টা আলোচনা হওঁক। তেনে ক্ষেত্ৰত এই বিষয়ে লাগি থকা উচিত নহয়। মাননীয় মুখ্যমন্ত্ৰীৰ পৰামৰ্শ মতে কাম কৰা ভাল হব।

Mr. Speaker—I would like to inform the august House that there should not be any Cut Motion. If any Hon'ble Member would like to speak on the subject, definitely I will allow him to speak. At the same time, I request the Hon'ble Members that before submitting the Cut Notion, they should go through the Book. It is necessary to go through the Book· Sometime we do not read the book. But whatever it may be, it was not intentional.

Shri Hemen Das—Sir, we have thoroughly gone through the Annual Financial Statement.

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে বাজেটত আলোচনা হয়। এই সদনৰ পৰা আলোচনা কৰি মাননীয় সদস্য শ্ৰীবিনয় কুমাৰ বসুমতাৰী ডাঙৰীয়াই যি কিতাপ উত্থাপন কৰিছে সেইখিনিৰ পৰা মোক চাৰ্জ কৰিছে।

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, কিছুমান গ্ৰাণ্টত থাকে, বিশেষকৈ মিছেলিনিয়াচত থাকে। আমি যিবিলাক গ্ৰাণ্ট আলোচনা কৰিছো, বিশেষকৈ সেইবিলাকত থাকে। এইবিলাক এনুৱেল ফাইনেনচিয়েল ষ্টেটমেণ্টত কোনো উল্লেখ নাই।

Mr. Speaker—Whatever it may be, we will go according to the Cut Motion. It would be discussed at the time of introduction of Appropriation Bill. Appropriation Bill is being introduced to-day. It will be discussed then.

শ্ৰীপূৰ্ণ বড়ো—মাননীয় অধ্যক্ষ মহোদয়, ৰিলিভ এণ্ড ৰিহেবিলিটেচন এজন মন্ত্ৰীক

দায়িত্ব দিয়া হৈছে। তেনেস্থলত এই গ্ৰাণ্ট ধৰা হল। কোন মন্ত্ৰীক দিলে ?

Mr. Speaker - Leave it here. It has already been discussed. Shri Hemen Das has already pointed out.

Shri Benoy Kumar Basumatary – Mr. Speaker Sir, we accept the ruling. We will discuss it during the introduction of Appropriation Bill. But Sir, does it have a precedence ? Can we have it as per rules ?

Mr. Speaker – Rules provide, you can.

Now Grant No. 41. Shri Tilok Chandra Gogoi, Minister to move.

Shri Tilok Chandra Gogoi (Minister, Food and Civil Supplies)– On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 2,90,31,000.00 be granted to the Minister in charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of "Civil Supplies."

Mr. Speaker There are two Cut Motions to this Grant. One tabled by Shri Mathura Deka and No. 2 tabled by Shri Hemen Das and Shri Purna Boro. Now Shri Mathura Deka to move.

শ্ৰীমথুৰা ডেকা – মাননীয় অধ্যক্ষ মহোদয়, মই ৪১ নম্বৰ যোগান শিতানৰ মঞ্জুৰীৰ দ্বিতীয় খণ্ডৰ ১১ ভলিউমৰ ১০৭ ৰ পৰা ১১৭ পৃষ্ঠাত ২ কোটি ৯০ লাখ ৩১ হাজাৰ টকাৰ পৰা ১ টকা কম কৰিবলৈ বিচাৰিছো। আৰু ২ কোটি ৯০ লাখ ৩৪ হেজাৰৰ এক টকাৰে কৰ্ত্তন কৰাৰ বাবে প্ৰস্তাৱ জনাইছো।

Mr. Speaker – Now Shri Hemen Das to move.

Shri Hemen Das—Mr. Speaker Sir, the total provision of

Rs. 2,90,31,000.00, under Grant No. 41 in respect of "Civil Supplies", at pages 107-117 of Volume II Part I of the Budget, be reduced to Rs. 2,90,31,000.00, do stand reduced to Rs. 1.00.

মাননীয় অধ্যক্ষ মহোদয়, যোগান আমাৰ কাৰণে অতি অপৰিহাৰ্য্য বিভাগ। যি যোগান বিভাগে অন্যান্য সামগ্ৰী, খাদ্য সামগ্ৰী যোগান দিয়াৰ দায়িত্ব লৈছে কিন্তু আজি খাদ্য সামগ্ৰী যোগান দিয়াত যোগান বিভাগ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। গাওঁ অঞ্চলত যোগান পায় ১ মাহত (৩০০ গ্ৰাম) তিনিশ গ্ৰামকৈ আৰু চহৰত অৰ্থাৎ এই দিশপুৰতে ১ মাহত ১ কেজিকৈ সস্তিয়া যোগানে চাউল যোগান ধৰে। এক হেজাৰ গ্ৰামকৈ এই দিশপুৰতে পাইছে। ইয়াৰ পৰা আমি বুজিব পাৰিছো চহৰৰ মানুহৰ হাতত দুই চাৰিটা পইচা থাকে কাৰণে কিনি খোৱাত আপত্তি নাই। কিন্তু গাৱৰ যিসকল গৰীব খেতিয়ক সেইসকলে টান কাম কৰিও চাৰিটা টকা নেপায়। অৱশ্যে কিছুমান পোৱা ঠাইও আছে। সেই গৰীব মানুহখিনিৰ কাৰণে যদি চৰকাৰে সস্তিয়া দামত প্ৰয়োজনীয় চাউলৰ যোগান ধৰিছে তেনেহলে ভাল কথা। কিন্তু ধৰিব পৰা নাই। যদি চৰকাৰে প্ৰয়োজনীয় চাউলৰ যোগান ধৰিলেহেতেন তেতিয়া এই গৰীব মানুহখিনিৰ বহুত উপকাৰ হলহেতেন। কিন্তু তিনি শ গ্ৰাম চাউলেৰে এজন দিন মজদুৰৰ এদিনৰ খাদ্য নহয়। এই চাউল দি গৰীব মানুহক ঠাট্টা কৰা হৈছে। আটা যোগান ধৰা হয় মাহত দুই শ গ্ৰাম, তিনিশ গ্ৰাম চেনি আৰু অন্যান্য বস্তুৰ যোগান নাই। আজি গৰীৱৰ কাৰণে সস্তিয়া দামত যোগান ধৰিব পাৰে। ধৰাটো উচিত। প্ৰয়োজনীয় খাদ্য সামগ্ৰী যেনে চাউল, আটা, ডালি, টেল, নিমখ আনকি স্কুলীয়া ল'ৰাছোৱালীৰ কাগজপাতিও যোগান ধৰিব লাগে। এইবিলাক যোগান ধৰাৰ কোনো সস্তীয়া পৰিকল্পনা নাই। যোগান বিভাগত গলে গাওঁ অঞ্চলত সস্তীয়া যোগান দিয়া হৈছে বুলি কয়।

চাউল, আটা, দালি, তেল, নিমখ আনকি স্কুলীয়া ল'ৰাছোৱালীৰ কাগজ পত্ৰও যোগান ধৰিব লাগে। এইবোৰ যোগান ধৰা কিন্তু ষষ্ঠ পৰিকল্পনাত নাই। যোগান বিভাগৰ মাধ্যমত গাওঁঅঞ্চলত সস্তীয়া দোকান

খোলা হৈছে। এতিয়া সস্তীয়া দোকানে তেওঁলোকৰ খাদ্যবস্তু বিলাক বা অত্যাৱশ্যকীয় বস্তু বিলাক নিয়ে সমবায় সমিতি বিলাকৰ পৰা। সমবায় সমিতি বিলাকৰ ওপৰত সস্তীয়া দোকান বিলাকৰ নিয়ন্ত্রণ নাইকীয়া হৈছে কাৰণ তেওঁলোকক যোগান বিভাগে নিযুক্তি দিয়ে। সেয়েহে তেওঁলোকে কয়, "তোমালোকে সমবায়ৰ কথা শুনিব নালাগে আমাৰ কথা শুনিবা।" এতিয়া এটা দুষ্ট চক্র লাগি গৈছে। যোগান বিভাগৰ বিষয়া আৰু কিছুমান সস্তীয়া দোকানৰ মালিকৰ প্ৰৰোচনাত গাওঁ অঞ্চলত যেতিয়া জনে প্রতি ৩০০ গ্রাম চাউল যায় সেইখিনি বহুতো জেগাত গৈ নাপায় আৰু বজাৰতে বিক্রি হৈ যায়। এই অৱস্থাতো চলাই যদি ৰাখিব বিচাৰিছে তেনেহলে মই কৈছো অসমৰ ভোকাতুৰ জনসাধাৰণে চিৰদিন শুই নাথাকিব। ইয়াৰ বিৰুদ্ধে তেওঁলোকে গৰ্জি উঠিব গাওঁতেই হওক বা চহৰতেই হওক। সেই কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক কব বিচাৰিছো যে যিবিলাক সস্তীয়া দোকান আছে সেই সস্তীয়া দোকান বিলাকৰ জৰিয়তে সস্তীয়া দামত প্রয়োজনীয় চাউল, আটা, তেল, নিমখ আদি অত্যাৱশ্যকীয় সামগ্রী সমূহৰ যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে। আৰু প্ৰত্যেকজন গৰীব মানুহে এই বস্তু বিলাক পোৱাৰ ব্যৱস্থা কৰিব লাগে। এইটো কৰিবলৈ যাওঁতে কিছুমান কথা চিন্তা কৰিব লাগে। আমাৰ যোগান বিভাগত মই শুনিছো অত্যাৱশ্যকীয় সামগ্রী বিলাক বিতৰণৰ ক্ষেত্ৰত কিছু গণ্ডগোল হয়। আমাৰ গাওঁ সমূহত আঘোণ, পুহ মাহত সাধাৰণতে গাওঁৰ মানুহে চাউল নিকিনে। গতিকে এই বিভাগটোত যি সকল মানুহে কাম কৰে তেওঁলোকৰ যাতে এই বাস্তৱ জ্ঞানটো থাকে। চহৰৰ মানুহে সদায় কিনি খায় কিন্তু গাওঁৰ গৰীব মানুহ বিলাকে আঘোণ, পুহ, মাঘ মাহৰ এইটা দিন বজাৰৰ চাউল নিকিনে কিন্তু সেই সময়ত চাউলৰ যোগান দিয়াটো হ'ল অতি হাস্যপদ কথা। এইটোৰ পৰিবৰ্ত্তন কৰিব লাগে। এখন গাওঁত এশটা পৰিয়ালৰ প্ৰত্যেকেই চাউল নিকিনে। কিছুমানে ধান বা চাউল বিক্রিও কৰে। কিন্তু সস্তীয়া দোকানৰ জৰিয়তে প্রতি ঘৰ মানুহকেই চাউলৰ যোগান ধৰা হয়। গতিকে যাৰ চাউলৰ প্রয়োজন নাই তেওঁলোকৰ কাৰণেও চাউলৰ যোগান ধৰা হয়। সেই কাৰণেই যেতিয়া বজাৰত চাউলৰ নাটনি হব তেতিয়া প্রয়োজন নোহোৱা

মানুহেও সেই সস্তীয়া দোকানৰ পৰা চাউল আনি বজাৰত বিক্ৰি কৰে। গতিকে এইবিলাক সমীক্ষা কৰিব লাগে। সচাকৈয়ে কোন কোন মানুহক চৰকাৰে এইবিলাক সামগ্ৰী যোগান ধৰিব লাগে। এতিয়া চাৰ, আজি অসমত যাৰ ১ হাজাৰ মোন ধান পায় বা আছে তেওঁকো সস্তীয়া দোকানৰ জৰিয়তে চাউল যোগান ধৰিব লাগে। যি জন মানুহে ১ হাজাৰ মোন ধান পাইছে তেওঁকো চৰকাৰে ৩০০ গ্ৰামকৈ চাউল দিছে আৰু যিজন মানুহে একমুঠাও ধান পোৱা নাই তেওঁকো চৰকাৰে ৩০০ গ্ৰামেই চাউল দি আছে। এই পদ্ধতিতো দূৰ কৰিব লাগে। এইবিষয়ে গাওঁত সমীক্ষা কৰিব লাগে। যিখিনি মানুহৰ চাউলৰ দৰকাৰ সেই-খিনি মানুহকে যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে। মই দিন মজুৰী বিলাকৰ লগত আলোচনা কৰি কৈছো যে চাউলৰ পৰিবৰ্ত্তে আটা যোগান ধৰিলে তেওঁলোক বেচি লাভবান হয়। এসময়ত আটাৰ ৰুটি খোৱাৰ প্ৰয়োজন নাছিল। কিন্তু যি সকল গৰীব মানুহ, বেচি পইচা যাৰ নাই তেওঁলোকে চাউলৰ পৰিবৰ্ত্তে আটাহে বিচাৰে কাৰণ তেওঁলোকে আটাৰে কম পইচাত চলিব পাৰে। যিবিলাকৰ একেবাৰে চলিবলৈ উপায় নাই তেওঁলোকে পানীলাউ, কল আদিত আটা মিহলি কৰি সেই-খিনি সিজাই খায়। যদি আটাও যোগান ধৰে তেনেহলে সেই সুযোগটো আজি গাওঁৰ মানুহৰ ঘৰত গৈ খবৰ কৰিলো বিশেষকৈ দিনমজুৰি কৰা মানুহ বিলাকৰ পৰা খবৰ লৈ গম পালো যে চাউলতকৈ আটা হলেই ভাল হয়। কাৰণ চাউলতকৈ আটাৰ দাম কম। কিন্তু আমাৰ কথা হ'ল চৰকাৰে গাওঁৰ মানুহ বিলাকক চাউল যোগান ধৰাৰ পদ্ধতিতো প্ৰয়োজন হলে সমীক্ষা চলাওক গাওঁৰ যি সকল মানুহ দিনমজুৰী কৰা মানুহ আৰু চহৰৰ সকলো শ্ৰমিক কৰ্ম্মচাৰীলৈ নিয়ম মতে যাতে প্ৰয়োজনীয় বস্তুৰ যোগান ধৰাৰ ব্যৱস্থা কৰে। এই খিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাবটো উত্থাপন কৰিলো।

শ্ৰীপূৰ্ণ বড়ো — অধ্যক্ষ মহোদয়, যোগানৰ শিতানত এই কৰ্ত্তন প্ৰস্তাবটো উত্থাপন প্ৰসংগত মই দুষাৰ কব বিচাৰিছো। আমি দেখিছো যে মুঠ সংগ্ৰহ আৰু যোগানত ২ কোটি ৫০ লাখ ২৪ হাজাৰ টকা আৰু ষষ্ঠ অনুচ্ছেদত

প্ৰথম অংশ অঞ্চলৰ বাবে ৮ লাখ ৩৮ হাজাৰ টকা সংগ্ৰহৰ ক্ষেত্ৰত মোৰ কবলগায়া আছে। সংগ্ৰহ যদি ঠিকমতে নহয় বিতৰণ কেতিয়াও সঠিক হব নোৱাৰে। সংগ্ৰহৰ কাৰণে, প্ৰকিওৰমেণ্টৰ কাৰণে ধন ধৰা হৈছে প্ৰায় ২ কোটি ৫০ লাখ ২৪ হাজাৰ টকা কিন্তু কথা হ'ল এই সংগ্ৰহ কেনেভাবে কৰা হৈছে কিছুমান প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে আমাক জানিবলৈ দিছিল যে ধান সংগ্ৰহ কৰিব নোৱাৰিলে এইবাৰ ৰাইজে "দিষ্ট্ৰেচ" চেল কৰিব লগীয়া নহল কাৰণে ইত্যাদি ইত্যাদি। ৰাইজে কিন্তু ধান ওলোৱাৰ লগে লগে কম দামত মহাজনৰ হাতত ধান বিক্ৰী কৰিব লগীয়া হৈছে। আমাৰ দেশত বহুতো গৰীব কৃষক আছে যি সকলে ধান ওলোৱাৰ লগে লগে বিক্ৰী কৰিবলগীয়া হয়। কাজেই চৰকাৰৰ সংগ্ৰহ নীতিটো সঠিক হব লাগে যাতে ঠিক সময়ত ধান সংগ্ৰহ কৰাৰ ব্যৱস্থা ক'ৰব পাৰে। আমাৰ বিশ্বাস ঠিকমতে যদি ধান সংগ্ৰহ কৰা হয় তেতিয়াহলে সুলভ মূল্যৰ দোকানৰ জৰিয়তে চাউল বিতৰণ সম্ভৱ হব। সুলভ মূল্যৰ দোকানে প্ৰয়োজনীয় চাউল যোগাব পৰা নাই। সপ্তাহত মাত্ৰ ২৫০ বা ৩০০ গ্ৰামহে দিব পৰা হৈছে। কিন্তু সংগ্ৰহ নীতি ভাল হোৱা হলে এই অৱস্থা নহ'লহেতেন। এতিয়া ভাড়া, কৰ কাটল, শুল্কৰ কাৰণে ২ লাখ ৭৫ হাজাৰ টকা ধৰা হৈছে আৰু এঠাইত ধৰা হৈছে ১ লাখ ৮০ হাজাৰ টকা।

আৰু এঠাইত ধৰা ১ লাখ ৮০ হাজাৰ টকা। যেতিয়া অন্যান্য ৰাজ্যৰ পৰা খাদ্য নিগমে আমাৰ ৰাজ্যলৈ খাদ্য সামগ্ৰী আনি বিভিন্ন অঞ্চলত বিতৰণ কৰে, তেতিয়া সংশ্লিষ্ট বিষয়া বৰ্গৰ ক্ৰুতিৰ কাৰণে অনাহকত বহুত টকা অপচয় হয়। খাদ্য নিগমৰ দোষত ৮০ হাজাৰ টকা ক্ষতি। এই বাতৰিটো বাতৰি কাকতত ওলাইছে আৰু মই এইটো সঁচা বুলি ভাবো। তাৰে উদাহৰণ স্বৰূপে, যোৱা বছৰৰ তিনি ডিচেম্বৰলৈ বৰপেটা ৰোডৰ ভড়ালত ১০,২৬৫ বস্তা ঘেহু জমা আছিল তাৰে মাত্ৰ দুহেজাৰ কুইণ্টল ঘেহু নেহু (২৩৬০) বিতৰণ কৰিবলগীয় আছিল। একেদৰে ১১৮০ বস্তা অৰ্থাৎ এহেজাৰ কুইণ্টল চাউল জমা আছিল আৰু বিতৰণ কৰিব লগীয়া আছিল ১৩২০ বস্তা চাউল। এই চাহিদাৰ বিপৰীতে

সংশ্লিষ্ট বিষয়াৰ পৰামৰ্শ মতে সেই বছৰৰে ছয় ডিচেম্বৰ তাৰিখে আকৌ বঙাইগাওঁৰ পৰা ৭৮৬৭ বস্তা ঘেহুকে তনাৰ যুক্তি বিচাৰি পোৱা নাযায়। গুৱাহাটীৰ পৰা ৬৫০০ কুইন্টল ঘেহুৰ কাৰণে বৰপেটা ৰোডৰ নামত ৭ ডিচেম্বৰ তাৰিখে ৰিলিজ অৰ্ডাৰ দিয়াৰ যুক্তিও বোধগম্য নহয়। উল্লেখিত ৭৮৬৭ বস্তা ঘেহু নিউ গুৱাহাটীৰ বাটত বৰপেটাৰোডত নমোৱা হল। ৬৫০০ কুইন্টল ঘেহুৰ যানবাহনৰ বাবদ খৰছ প্ৰায় চৌত্ৰিছ হাজাৰ টকা মিল মালিকক দিব লগা হয়। আৰু ৰেল বিভাগেও গুৱাহাটীৰ পৰা বৰপেটা ৰোডলৈ ভাৰা হিচাবে ব্যয় ত্ৰিশ হেজাৰ টকা পাব। আনহাতে হুবমূৰকে ডবাবোৰ দিয়াত সময়মতে খালাচ কৰিব নোৱাৰা বাবদ প্ৰায় ২০ হাজাৰ টকা গহৰি কৰ ভৰিব লগীয়া হয় মুঠতে, সংশ্লিষ্ট বিভাগৰ হেমাহি বা অদক্ষতাৰ বাবে প্ৰায় চৌবাশী হাজাৰ টকা ক্ষতি হয় বুলি জনা গৈছে। এই খবৰ বাতৰি কাগজত ওলাইছে, তেনে অৱস্থাত আজি আমাৰ যোগান বিভাগৰ কামকাজ কেনে হব আমি সহজে অনুমান কৰিব পাৰো। এতিয়া এটা কথা কব পাৰি, যাতায়ত ব্যৱস্থাৰ কাৰণে কোনো কোনো অঞ্চলত যোগানৰ বিজুতি ঘটিব পাৰে। যাতায়তৰ যোগাযোগ কোনো সময়ত বিজুতি ঘটিব পাৰে আৰু সেই হেতুকে যোগান পৰিস্থিতি বেয়া হব পাৰে। এতিয়া কাছাৰ জিলাৰ কথাকে কওঁ, বাৰিষাৰ সময়ত বানপানী যেতিয়া হয়, ৰেলৰ সহায়েৰে খাদ্য সামগ্ৰী আদি দিয়াৰ ব্যৱস্থা কৰা হয় যদিও সেইবোৰ সময় মতে গৈ নাপাব পাৰে। সময় মতে গৈ নোপোৱাৰ ফলত কাছাৰ আৰু কৰিমগঞ্জ ৰাইজে দূৰ্ভোগ ভুগিব লগীয়া হয়। তেনে অৱস্থাত যাতায়তৰ কাৰণে ৰাইজে খাদ্য সামগ্ৰীৰ পৰা বঞ্চিত হব লগা যাতে নহয় তাৰ কাৰণে বাফাৰ ষ্টক কৰা প্ৰয়োজন। অৱশ্যে কাছাৰ জিলাত আছে। শিলচৰ, বদৰপুৰতো আছে কিন্তু হাইলাকান্দীত নাই। গতিকে সময়লৈ বাট চাই নাথাকি, যাতায়তৰ কাৰণে খাদ্যসামগ্ৰীৰ অসুবিধাৰ পৰা ৰাইজে যাতে হাত সাৰিব পাৰে তাৰ কাৰণে বাফাৰ ষ্টকৰ ব্যৱস্থা কৰিব লাগে। গাওঁৰ ৰাইজক সপ্তাহত খাদ্য সামগ্ৰী যোগান হিচাপে ২৫০ গ্ৰাম কৈ চাউল দিয়াৰ নিৰ্দ্দেশ হৈছিল। এতিয়া কথা হ'ল এই খিনিয়েই যথেষ্ট নহয়। যি সময়ত খাদ্যৰ নাটনি হয় সেই সময়ত যোগান বিভাগে চাউল

যোগান ধৰিব নোৱাৰে। কিন্তু তেওঁলোকে বজাৰৰ ক্ষেত্ৰত দেখা যায় কেৰাচিন তেলৰ বজাৰ দুখন। বজাৰত ৰাইজে আচল দামত কেৰচিন নেপায় বেছি দাম দি কিনিব লগা হয়। সময়ে সময়ে নাটনি হয়, কিন্তু নাটনি টো ইচ্ছাকৃত ভাবেহে কৰা হয়। এইটো আচল নাটনি নহয়। কাৰণ বেচি দাম দিলে কেৰাচিন পোৱা হয় কিন্তু কম দাম দিলে নাপায়। আজি চিমেণ্টৰ কথালৈ আহো। চিমেণ্টৰ ক্ষেত্ৰত মন্ত্ৰীৰ ওচৰলৈ গলেও কয় চিমেণ্ট মন্ত্ৰীয়ে নিদিয়ে, ডি, চিয়েহে দিয়ে। কিন্তু ডি, চিয়েও নো কিমানক দিছে? অথচ ব্লেকমাৰ্কেটত অপৰ্যাপ্ত চিমেণ্ট পোৱা যায়। অৱশ্যে চিমেণ্টটো নিত্য প্ৰয়োজনীয় বস্তুৰ ভিতৰত নপৰে যদিও এটা লেট্ৰিন বা সাধাৰণ ভাবে থাকিবলৈ এটা কোঠালি বনাবলৈ হলেও অলপ চিমেণ্টৰ প্ৰয়োজন হয়। নিত্যপ্ৰয়োজনীয় বস্তু সমূহ যেনে কেৰাচিনকে ধৰা বা আন আন বস্তু সকলোকে সুলভ মূল্যত দিয়াতো প্ৰয়োজন। এনেবোৰ বস্তু সুলভ মূল্যত দিয়াৰ ব্যৱস্থা কৰিলে আমাৰ গৰীব ৰাইজৰ সহায় হব। কিন্তু যদি আজি যোগান বিভাগটো ঠিক নহয় বা যোগান ধৰোতে ঠিক নহয় তেনেহলে নিত্যপ্ৰয়োজনীয় বস্তু সুলভ মূল্যত দুখীয়া ৰাইজে কেতিয়াও নাপাব। বৰ্ত্তমান সুলভ মূল্যৰ দোকানৰ বাবে কাৰ্ডৰ ব্যৱস্থা কৰা হৈছে। এই কাৰ্ডৰ ভিতৰতো দুবিধ কাৰ্ড আছে—ভুৱা কাৰ্ড আৰু আচল কাৰ্ড। এই কাৰ্ড বিলাকৰ ক্ষেত্ৰতো যোগান বিভাগে ভালদৰে চাইচিতি ব্যৱস্থা লব। যোগান বিভাগে বিভিন্ন সামগ্ৰী, সময়-মতে সকলো সময়তে যোগান ধৰিব পৰা নাই। এই খিনিতে এটা কথা উল্লেখ কৰো, মহৰিপাৰা অঞ্চলত ক্ষতিগ্ৰস্ত ৰাইজক খাদ্য যোগান ধৰা ক্ষেত্ৰত হুলস্থুল হৈ গৈছে। গোৰেশ্বৰৰ এচ ডি চিয়ে ক্ষতিগ্ৰস্ত লোকক মাৰপিত কৰিছে। চাউল দিয়াৰ পৰিবৰ্ত্তে তাৰ ঠাইত দুমাহৰ কাৰণে আটা দিয়াৰ ব্যৱস্থা কৰিছিল। আমি মন্ত্ৰীৰ লগত দুই তিনিবাৰ যোগাযোগ কৰাৰ পাচত আটাৰ সলনি চাউল দিয়াৰ ব্যৱস্থা কৰা হৈছিল। আমাৰ প্ৰশ্ন হ'ল চাউলৰ সলনি যে আটা দিয়া হ'ল যোগান বিভাগে চাউল খিনি কি কৰিলে? এই বিষয় বিলাক চৰকাৰে বিবেচনা কৰি চাব লাগে আৰু তাৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আন বহুতো মাননীয়

সদস্যই হয়তো তেওঁলোকৰ মন্তব্য প্ৰকাশ কৰিব, এইখিনি কৈ প্ৰস্তাবটো উত্থাপন কৰিলে। ।

শ্ৰীমথুৰা ডেকা—মাননীয় উপাধ্যক্ষ মহোদয়, কিছুমান দিনৰ আগতে জনতা চৰকাৰে অসমত ৰাজত্ব কৰিছিল। জনতা চৰকাৰৰ ৰাজত্ব কালত জনতা ভৱন আৰু এম-এল-এ হোষ্টেলৰ ফালে মহাজন মাৰোৱাৰী বিলাকৰ ইমান বেছি ভীৰ আছিল যে ভীৰ ঠেলি হেচি আমি অহা যোৱা কৰা টান কাৰণেই অহাই বাদ দিছিলো। এতিয়াও দেখিছো আমাৰ যোগান মন্ত্ৰী মহোদয় থকা ঠাইত মাৰোৱাৰী সদায় আছেই। ৰাতি বাৰ বজালৈকে আহি থাকে, অৰ্থৎ এতিয়া আকৌ মাৰোৱাৰীয়ে যাতায়াত আৰম্ভ কৰিছে। আমি বহু কষ্ট কৰি চেষ্টা কৰি নিৰ্ব্বাচনত জিকি আহিছো যদি ভাঙি যায় বৰ দুখলগা কথা হব। আমাৰ অধ্যায় পৰিব। দৰমহা কেইটাও নোপোৱা হম। যোগান মন্ত্ৰীৰ চেহেৰা একেবাৰে লাল পৰিছে আগতেও ভাল আছিল। আমাৰো অৱশ্যে কিছু ভাল হৈছে। আমিও লাল কম বেচি পৰিমাণে পৰিছো। সেইবিলাক ব্যক্তিগত কথা।

উপাধ্যক্ষ মহোদয়, আমাৰ যোগান বিভাগটো হ'ল বিভিন্ন বিভাগে সংগ্ৰহ কৰা আৰু উৎপাদন কৰা বিভিন্ন সামগ্ৰীৰ মালিক স্বৰূপ। সেই বস্তু বিলাকৰ অধিকাৰী। এই সকলো বিলাক বস্তু যোগান বিভাগে বিতৰণ কৰে। অৱশ্যে যোগান বিভাগৰ কেইবছৰ মানৰ আগতে যি অৱস্থা আছিল আজি সেই অৱস্থা নাই। ষ্টেটফেডতত এফ-চি-আই, যোগান বিভাগৰ কৰ্মচাৰী বহুতো গ'ল কৰ্ম্মচাৰীৰ সংখ্যা বাকী ৰোৰত হে বাঢ়িছে গৈ। বৰ্ত্তমান বজাৰত দুটা দামত বস্তু চলি আছে। এটা হ'ল মুকলি বা খোলা বজাৰ আৰু আনটো হ'ল গোপন বজাৰ। গোপন বজাৰটো হ'ল য়োগান বিভাগৰ। যোগান বিভাগে নিয়ন্ত্ৰণ কৰে। খোলা বজাৰৰ বস্তু পকেটত টকা থাকিলেই পাব পাৰি। খোলা বজাৰত চিমেণ্ট পায়, চেনী পায়, দাইল পায়, আলু পায় ইত্যাদি পায় চাউলৰ পুৰা আৰম্ভ কৰি। ৰেপচীডো পায় সকলো পায়। কিন্তু এই পাব পৰা বস্তুবিলাকৰ কাৰণে যোগান বিভাগৰ গোপন বজাৰলৈ অফিচে অফিচে ঘূৰি ফুৰিবলগীয়া হয় পাৰ্মিট

বিচাৰি, কিয়নো পাৰ্মিট নহলে বস্তুৰ দৰ খোলা বজাৰতকৈ কম মূল্যত পোৱা যায়। উপাধ্যক্ষ মহোদয়, বোমাফাটি মোৰ ঘৰ এটা ভাঙি পৰিছিল আৰু পঞ্চাশ বস্তা চিমেণ্টৰ কাৰণে দৰ্খাস্ত কৰিছিলো। একো নহল। শেষত মন্ত্ৰী মহোদয়ৰ ওচৰত আৰু আবেদন কৰিলো, মন্ত্ৰীমহোদয়ে দিব লাগে বুলি লিখি দিলে কিন্তু চিমেণ্ট নাপালো। মানুহে কিন্তু পাই আছে। মই কিয় নাপালো নাজানো। মন্ত্ৰীয়ে লিখা কাগজৰ ওপৰত অফিচাৰে চিমেণ্ট নিদিলে। সিদিনা চেমিনাৰ পাতি বিধায়ক সকলৰ সন্মান আৰু অধিকাৰ থকা বুলি আলোচনা কৰা হৈছিল আগতেও বিধায়ক সকলৰ সন্মান আছিল। সিদিনাও থকা বুলি কোৱা হৈছিল কিন্তু মন্ত্ৰী মহোদয়ে দিয়া পাৰ্মিট ক'ত পৰি থাকিল কব নোৱাৰো। বহুতো বিধায়কৰে এই অৱস্থা হৈছে। মন্ত্ৰী মহোদয়ে দিয়া কাগজ বিষয়া বৰ্গই পালন কৰিব লাগে, কিন্তু পালন কৰা নাই। চিমেণ্টৰ আকৌ মুকলি বজাৰতো অভাৱ নাই। পোৱা যায়। হোলচেলৰ ব্যৱস্থাও আছে। হোলচেল ব্যৱসায় কৰাৰ কাৰণে পোন্ধৰ শ কৈ টকা বহুতৰ পৰা যোগান বিভাগে লৈছিল। মইও বেচি একো কৰিব নোৱাৰো যেতিয়া চেনীৰ ব্যৱসায়কে কৰো বুলি লাইচেন্সৰ কাৰণে পোন্ধৰশ টকা ১৯৬৫ চনত জমা দিছিলো। সেইটো চিকিউৰিটি মানি হিচাবে দিয়া হৈছিল। মই সভাপতি হিচাবে আছিলো সমবায়ৰ আৰু সেই নামতে দিছিলো, কিন্তু লাইচেন্স পালো চেনীৰ কোটা নেপালো। আমানতৰ ধন খিনি উলিয়াবৰ বাবে যত্ন কৰিলো কিন্তু পইচাখিনিও উলিয়াই নিব নোৱাৰিলো। কেইবাবাৰো অহাযোৱা কৰি তিনিশ টকা মান ভৰিলো। শেষত মূল যাব বুলি বাদ দিছো। এনেদৰে কিমান কোটি টকা মানুহৰ পৰা আমানতৰ ধন ঘটিছে তাৰ হিচাব নাই। গোচৰ দিয়া নাই যদিও অহা-যোৱা কৰিয়েই বিৰক্তি লাগিল, ধনো ভৰিলো তিনি শ মান। এনেভাৱেই চলিছে কথাবিলাক। আলুৰ পাৰ্মিট দিয়ে, গুৱাহাটীৰ কোনো ব্যৱসায়ীয়ে কৰে নে নকৰে কব নোৱাৰো। গুৰৰ পাৰ্মিট দিয়াৰ ব্যৱস্থা আছে বুলি শুনিছো। কণ্ট্ৰোলৰ গুৰ কোনে পায় আমি নাজানো। বহুত মানুহে গুৰৰ পাৰ্মিটৰ গুৰ কলিকতা বা বাহিৰৰ ঠাইত বিক্ৰী কৰে

বুলি কয়। কি ৰহস্য আছে কব নোৱাৰো। আমাৰ লাগতিয়াল বস্তু দুই পইচা বেছি ভৰিলেও বজাৰত পোৱা গলে কথা নাই, হাৰাশাস্তি হব নোৱাৰি। কি কি বস্তুৰ পাৰ্মিট দিয়া হয়, ক'ত কি বস্তু কি কি পোৱা যায় সেইটো সকলোৱে জানিব লাগে। বিধায়ক সকলেও জানিব লাগে। বিধায়ক সকলেও জানিব পৰা হব লাগে।

সেই বস্তুটো জানিলে তেতিয়া আমি ধৰিব পাৰিম। কিন্তু বৰ্তমান এই বিষয়ত যিখিনি সাধাৰন জ্ঞানৰ দৰ্কাৰ সেইখিনি নোহোৱা কাৰণে কথাবিলাক দাঙি ধৰিব পৰা নাই। আজিকালি বোলে আলুবো পাৰ্মিট দিয়ে। টিনপাত আজি খোলা বজাৰতো পায়, চিমেণ্ট আজি খোলা বজাৰতো পায়, লো খোলা বজাৰতো পায় কিন্তু আমি জনাত এইবিলাকৰ কণ্ট্ৰোলও আছে। কিন্তু আমাৰ সৰ্ব্বসাধাৰণ ৰাইজে এই বস্তুবিলাক খোলা বজাৰতে কিনে কাৰণে কোনেনো এই বিলাক পাৰ্মিট পায় তাৰ খবৰ নাপায়। খোলা বজাৰ প্ৰকাশ্য হোৱাৰ কাৰণে যোগান বিভাগৰ বিষয়ে ৰাইজে অভিযোগ নকৰে। যোগান বিভাগে কাক পাৰ্মিট দিয়ে নিদিয়ে সেইবিলাক খবৰ বাতৰি কাকত বিলাকেও সন্দেহ নাপায় বা ৰাইজেও বাতৰি কাকতৰ যোগেদি জানিবলৈ ইচ্ছা কৰা নাই। গতিকে যোগান বিভাগৰ যিবিলাক নিয়ন্ত্ৰিত বস্তু যিবিলাকৰ কাৰণে পাৰ্মিট দিয়া সেই বস্তু বিলাকৰ তালিকা আমাক লাগে। কোন বছৰত কিমান বস্তু আছে সেইটো আমি জনা থাকিলে তেতিয়া যোগান বিভাগ সজাগ হৈ থাকিব। এইবেলি আমাৰ খেতি নাই বা খেতি বেয়া হৈছে কাৰণে ধান নহ'ল বা সংগ্ৰহ কৰাৰ ব্যৱস্থাও কৰা নহ'ল। আমাৰ চৰকাৰে ধান সংগ্ৰহৰ দুমুখীয়া নীতি কৰিছে। এই হোলাৰ আৰু মিল মালিকে ধান সংগ্ৰহ কৰা কাৰণে সমবায় ধান সংগ্ৰহ কৰিব নোৱাৰিলে। এই হোলাৰ বিলাক কেনেকৈ দিয়া হয়? বৰপেটা ৰোডৰ পৰা যদি ৰাইজে কয় যে ইয়াত হোলাৰ নোহোৱা কাৰনে ৰাইজৰ অভাব হৈছে তেতিয়া চৰকাৰে তাত এটা হোলাৰৰ পৰ্মিট দিয়ে। কিন্তু যি ঠাইত হোলাৰ মঞ্জুৰ কৰা হয় সেই ঠাইত হোলাৰ নবহুৱাই হোলাৰ বহাইছে আন ঠাইত য'ত তেওঁ-লোকৰ সুবিধা হয়। উপাধ্যক্ষ মহোদয়, এই কথা বিলাকৰ অনুসন্ধান কৰিব লাগে। যি ঠাইত হোলাৰ বহুৱাবলৈ পাৰ্মিট পাইছে সেই

ঠাইত হোলাৰ বহুত্ৰাৰ লাগে সেই ঠাইত যদি হোলাৰ নাথাকে তেনেহলে তেওঁলোকৰ পাৰ্মিট নাকচ কৰিব লাগে। হোলাৰ বিলাকে যিকোনো বজাৰতে ধান কিনে আৰু যিকোনো দৰতে বিক্ৰী কৰিব পাৰে। আমাৰ যোগান মন্ত্ৰী মহোদয়ে হয়তো কব যে ধান উচ্চ দামত বিক্ৰী হৈছে আৰু সেই দাম খেতিয়কে পাইছে। কিন্তু মিছা কথা। উপাধ্যক্ষ মহোদয়, খেতিয়ক সকলে খেতি উঠাৰ লগে লগে সস্তীয়া দামতে ধান বিলাক তেওঁলোকৰ অভাৱৰ কাৰণে বিক্ৰী কৰে আৰু সেই ধান কম দামতে হোলাৰ বা মহাজন সকলে কিনি ধাখে আৰু লাহে লাহে বেছি দামত বজাৰত উলিয়াই দিয়ে। গতিকে খেতিয়ক সকলে বেছি দাম পোৱা কথাতো কেতিয়াও সঁচা কথা নহয়। এই ক্ষেত্ৰত আমাৰ চৰকাৰে এটা সুস্থিৰ যোগান নীতি গ্ৰহণ কৰিব লাগে। আমাৰ যিবিলাক কৃষিজাত সামগ্ৰী যাৰ ওপৰত খেতিয়ক ৰাইজে জীবিকা নিৰ্ব্বাহ কৰে বা নিৰ্ভৰ কৰিবলগীয়া হয় সেই বিলাক কিনা বেচাৰ দায়িত্ব সমবায় বিলাকৰ হাতত থাকিব লাগে আৰু তাৰ কাৰণে সমবায়বিলাক বলবান কৰি তুলিব লাগে। সমিতি সমূহৰ ওপৰত এই দায়িত্ব ন্যস্ত কৰিলে এই ধানৰ প্ৰকৃত হিচাৱ আমাৰ চৰকাৰৰ হাতলৈ আহিব আৰু তেতিয়া এই যে কৃটিম নাটনি সেইটোও বন্ধ হব। আমাৰ এতিয়া গাওঁ বিলাকত ৩০০ গ্ৰামকৈ চাউল দিছে। গাওঁ আৰু চহৰৰ প্ৰভেদটো দূৰ কৰাৰ কাৰণে মই সদায়ে কৈ আহিছো গাওঁৰ মানুহে আজি মাহেকৰ মূৰত ২০০ গ্ৰাম চেনী পায়। গাওঁৰ মানুহে কি চেনী নাখায় নেকি, গাওঁৰ মানুহৰ পেট সৰু নেকি? ৩০০ গ্ৰাম চাউলেৰে এজন মানুহে কেই সন্ধিয়া খাব পাৰে আপোনালোকে চিন্তা কৰক। আমাৰ যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে ৩০০ গ্ৰাম চাউলেৰে খাই চাওঁক-চোন, কেই সাজ খাব পাৰে। এই ৩০০ গ্ৰাম চাউলেৰে কেইদিন চলিব পাৰে তাৰ চিন্তাধাৰা কোনেও কৰা নাই। গতিকে যিখিনি অভাবগ্ৰস্ত লোক আমাৰ কমৰেদ হেমেন দাসেও কৈছে যে যিখিনিয়ে চাউল বিচাৰে তেওঁলোকৰ এটা চেনচাচ কৰক আৰু তেওঁলোকক দিয়াৰ ব্যৱস্থা কৰক। চেনচাচ কৰিবলৈ বেছি খৰছ নালাগে সমবায় সমিতি, বিলাক আছে প্ৰত্যেক চাৰ্কুলতে একোজন যোগান বিষয়া আছে সেই সকলৰ দ্বাৰা কৰক।

উপাধ্যক্ষ মহোদয়, চাউল যাতে পায় তাৰ চেষ্টা কৰিব লাগে। চৰকাৰে বাতৰি কাকতযোগে কৈ আছে 'শ্ৰমৰ বিনিময়ত খাদ্য যোগান আচনি'। কাগজে পত্ৰে অনাভাৱ কেন্দ্ৰ যোগেও এইবিলাক প্ৰচাৰ কৰা হৈছে। এন আৰ ই পি, এম এন পি আদি আঁচনিত কাম কৰিলে কামৰ বিনিময়ত খাদ্য যোগান ধৰা হব। কিন্তু সেই আঁচনি কি হ'ল ? ভাৰত চৰকাৰে বাদ দি থৈছে নেকি ? যদি বাদ দিয়া নাই সেই চাউল কলৈ গ'ল ? মই জনাত কৰ্ম্মৰ বিনিময়ত খাদ্য যোগান আচনিত চাউল আটা দিয়া নাই। মই যোগান মন্ত্ৰী মহোদয়ৰ পৰা এই ক্ষেত্ৰত এটা স্পষ্ট জবাব বিচাৰিছো। সেই কাৰনে আজি আমাৰ ছাত্ৰ সন্থাই কৈছে যে ৰেডিঅ' শুশুনিবা, সকলো মিছা কথা। তেওঁলোকে আজিকালি বি বি চিৰ বাতৰি শুনে। এই কৰ্ম্মৰ বিনিময়তো খাদ্য দিয়া কথাটো মিছা কথা, এতিয়ালৈকে খাদ্য দিয়া দেখা নাই কিন্তু তাৰ কাৰণে ৰাইজে আপত্তিও কৰা নাই, চাউলৰ কাৰণে দাবী কৰা নাই। মাত্ৰ কৈছে যে যি ৮ টকা মজুৰী দিয়া হৈছে সেইটো কম হৈছে। কিন্তু চৰকাৰেহে কৈছে যে কৰ্ম্মৰ বিনিময়ত খাদ্য যোগান ধৰা হব। যদি সেইটোৱে হয় তেনেহলে ৰেডিঅ' যোগে বাতৰি কাকত যোগে চৰকাৰে জনাই দিয়ক যে আমি অপাৰগ, খাদ্য দিয়াটো বন্ধ কৰা হৈছে।

এতিয়া ৰেপচিডৰ বিষয়লৈ আহো। ৰেপ চিড এটা তেল। এই তেলৰ এটা ডাঙৰ চোৰাং ব্যৱসায় চলি আছে। এই তেল কিমান মানুহে খাই কব নোৱাৰো। কিন্তু ইয়াৰ এটা বৃহত ব্যৱসায় চলি আছে। এই ৰেপ চিডৰ পাৰমিট লবৰ কাৰণে হাহাকাৰ। ইয়াৰ কাৰণে লাখ লাখ টকা। আমাৰ বনবিভাগত যেনে দৰে টকা আছে ইয়াতো তেনেধৰণেই টকা আছে। আমাৰ মতে কোনো মানুহকে ব্যক্তিগত ভাবে ৰেপচিডৰ ব্যৱসায় কৰিবলৈ দিব নালাগে চৰকাৰেও ব্যক্তিগত ভাৱে নিদিয়াৰ বাবে সিদ্ধান্ত কৰিছে। কিন্তু অসম চৰকাৰে সেইটো কৰা নাই। কিছুমান মানুহক ব্যক্তিগত ভাবে ৰেপচিডৰ ব্যৱসায় কৰিবলৈ দিয়া দেখা গৈছে। এই ৰেপচিডৰ ব্যৱসায়ত আমাৰ মন্ত্ৰীনে এম এল এ কোনোবা এজন জৰিত আছে। এই লোকজনৰ নামতেই শৰাইঘাট উদ্যোগ নামৰ এটা

প্ৰতিষ্ঠানে ৰেপচিডৰ ব্যৱসায় কৰি আছে। আমাৰ মানুহ যদি হয় তেতিয়াহলে আমাৰ আপত্তি নাই। কিন্তু যদি এই মানুহজন মাৰোৱাৰী হয় তেতিয়াহলে আমাৰ আপত্তি আছে। এইটো অনুসন্ধান কৰিব লাগে। এই ৰেপচিডৰ নামতেই অসমত বহুত বিলাক দুৰ্নীতি চলি আছে। এইটো আচলতে মানুহে খাই নে নেখাই কব নোৱাৰো। ৰঙিয়াৰ এচ ডি অ মহোদয়ে সমবায় বিলাকত ৰেপচিড দিবলৈ কৈছিল। এখন সমবায়ৰ বাহিৰে আমাৰ তিনিটা সমষ্টি এলেকাত যিমান বিলাক সমবায় আছে সেই সকলো বিলাকেই ৰেপচিড নালাগে বুলি কলে। গতিকে এই বিলাকৰ কি প্ৰয়োজন আছে। আৰু কিছুমান বস্তু আছে টৰ্চৰ বেটেৰিকে আৰম্ভ কৰি এই বিলাক যোগান বিভাগৰ জৰিয়তে বিতৰণ কৰা হব। গতিকে কি কি বস্তু যোগান বিভাগে বিতৰণ কৰিব পাৰে তাৰ এখন লিষ্ট কৰি সেই মতে যি বিলাক অনুষ্ঠানে সেই বিলাক বস্তু উৎপাদন কৰে তাৰ পৰা পোনে পোনে আনি ৰাইজৰ মাজত বিতৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। এতিয়া সমানে দুখন বজাৰ চলি আছে। এখন মুকলি বজাৰ আৰু আনখন চুৰাং বজাৰ। গোপন বজাৰ মই বিচাৰি গৈছিলো। কিন্তু নাপালো। কিন্তু দেখা গৈছে যে গোপন বজাৰৰ সামগ্ৰী বিলাকো মুকলি ভাবেই বিক্ৰী হৈ আছে। গোপন বজাৰ প্ৰতিষ্ঠা কৰিছে চৰকাৰে নিজেই যোগান বিভাগে এই বিলাক কিয় হবলৈ দিছে আমি বুজি নাপাও। আমাৰ ইয়াৰ পৰা পাৰমিট দিয়ে কলিকতাৰ পৰা বস্তু আনি আমাৰ ইয়াত বিক্ৰী কৰে।

আৰু এটা ডাঙৰ কথা হৈছে যে চহৰ অঞ্চলৰ ৰেচন কাৰ্ড। জনসংখ্যা য'ত যিমান আছে ৰেচন কাৰ্ডত চালে তাতোকৈ বহুত বেচি গুণে জনসংখ্যা পোৱা যায়। গুৱাহাটীতে এনেধৰণৰ ৰেচন কাৰ্ড বহুত পৰিমাণে আছে। একোটা পৰিয়ালত ৩।৪ খনকৈ ৰেচন কাৰ্ড আছে। এই বিলাক ঠিকমতে নাইকীয়া কৰিব নোৱাৰাৰ কাৰণেই আমাৰ যিখিনি বাহি বস্তু সেই খিনি থিক ভাবে বিতৰণ নহয়। এইটো এটা গুৰুত্বপূৰ্ণ কথা। মই আগতেই কৈছো যে আমাৰ যোগান বাঢ়ি আছে কিন্তু বিতৰণ বাঢ়ি যোৱা নাই। পেট্ৰল সদায়েই পোৱা যায় কিন্তু সেই দৰে কেৰাচিন কিয় পোৱা

নাযায় সেই কথা আমি বুজিব নোৱাৰো। পেট্ৰল ধনী মানুহক লাগে কাৰণে সদায়েই ইয়াৰ যোগান অব্যাহত থাকে কিন্তু কেৰাচিন দুখীয়া মানুহে ব্যৱহাৰ কৰাৰ কাৰণেই ইয়াৰ যোগান সদায় থিকমতে নাথাকে। আচলতে কবলৈ গলে যোগান কমা নাই। কমিছে বিতৰণহে। এই বিলাক কৰিছে এক শ্ৰেণীৰ ব্যৱসায়ীয়ে। যি বিলাক মানুহক শোষণ কৰি কৰি ঠগি খাই খাই মাত মাতিব নোৱাৰা কৰি থৈছে। কেতিয়াবা গাওঁ বিলাকত কেৰাচিনৰ লিটাৰ ৪.৫ টকালৈকে হয়। কেতিয়াবা দাম বেচি দিলেও পাবলৈ নাই। বিশেষকৈ যি খিনি সময়ত মানুহৰ ঘৰত বিজুলিবাটি নাথাকে সেই সময়ত ইয়াৰ দামো বাঢ়ে আৰু পাবলৈয়ো নোহোৱা হয়। ইলেকট্ৰিচিটিৰ কথাটো এনেকুৱা হৈছে যে ল'ৰা ছোৱালীয়ে যেনেকৈ স্কুলত গৰমৰ বন্ধ পাই সেই দৰে ইলেকট্ৰিচিটিও কেতিয়াবা ৭ দিন পৰ্যন্ত বন্ধ লৈ নোহোৱা হয়।

আমাৰ সমবায় ক্ষেত্ৰত যিটো বনস্পতিৰ কাৰখানা কৰিলে সেইটোও বিদ্যুতৰ অভাবত কেতিয়াবা বন্ধ হৈ যাব যেন পাওঁ। ইয়াতনো সঘনাই কিয় কাৰেণ্ট বন্ধ হৈ থাকে আমি কব নোৱাৰো। মুঠতে এইটোও এটা বেপাৰীৰ চক্ৰান্ত বুলিহে ভাবিছো। যি বিলাক ইলেট্ৰিকৰ তাঁৰ আদি চুৰি হয়, যি বিলাক পাম্পচেট আদি চুৰি হয় সেই বিলাকো ব্যৱসায়ীৰ চক্ৰান্ত বুলিহে আমি ভাবো। এই বিলাক বেপাৰী বিলাকে কৰি আহিছে। সাধাৰণ মানুহে এই বিলাক কৰিবলৈ নাযায়। মই চৰকাৰক এইটো অনুৰোধ কৰিছো যে আমি যি খিনি বস্তু পাওঁ সেই খিনি যাতে থিক-মতে বিতৰণ হয় তালৈ চাব লাগে। আৰু বাহিৰৰ পৰা অসমলৈ যি খিনি বস্তু আহে এইটো যাতে সকলোৱে পাই সেইটো চিন্তা কৰিব লাগে। মই এই খিনিকে মন্ত্ৰী মহোদয়ৰ লগত যি খিনি ৰং তামচা কৰিলো সেই খিনি এৰি দিবলৈ কৈ ভাটি বেলা সমবায়ৰ ওপৰত পবলৈ পাম বুলি আশা ৰখি মোৰ বক্তব্য ইমানতে সামৰণি মাৰিলো।

শ্ৰীমহম্মদ আলি—মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ সদনত মাননীয় মন্ত্ৰী শ্ৰীগগৈ ডাঙৰীয়াই চিভিল চাপ্লাইৰ ওপৰত যি দাবী মঞ্জুৰী আনিছে মই তাক সমৰ্থন কৰি দুষাৰ মান কবলৈ আগবাঢ়িছো আৰু বিৰোধী

পক্ষৰ সদস্য বন্ধু সকলে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে মই তাক বিৰোধিতা কৰিছো। উপাধ্যক্ষ মহোদয়, আমাৰ এজন সদস্য বন্ধুয়ে ইতিমধ্যে কৈছে যে যোগান বিভাগ আৰু সমবায় বিভাগ দুয়োটাৰে ওতঃপ্ৰোত ভাবে সম্বন্ধ আছে আৰু সেইকাৰণে সংগ্ৰহ নহলে যোগান বিভাগ সম্পূৰ্ণ হব নোৱাৰে। সেইকাৰণে মই কব খোজো যে যোগান বিভাগে সংগ্ৰহৰ প্ৰতি নজৰ ৰাখিব লাগে। উপাধ্যক্ষ মহোদয়, ১৯৭৪ চনৰ পাচত যেতিয়া পঞ্চায়ত আৰু কো-অপাৰেটিইবোৰ নতুনকৈ গঠন কৰা হৈছিল, তেতিয়া গাওঁ অঞ্চলৰ সংগ্ৰহৰ দায়িত্ব পঞ্চায়তৰ জৰিয়তে কো-অপাৰেটিভক দিয়া হৈছিল আৰু সেইদৰে গাওঁ পঞ্চায়তবোৰে কো-অপাৰেটিভৰ জৰিয়তে বিতৰণৰ দায়িত্ব লৈছিল। এইদৰে বিতৰণৰ দায়িত্বত থকা একোখন পঞ্চায়তত কমেও ৫ হাজাৰ জনসাধাৰণ উপকৃত হৈছিল। কিন্তু জনতা আমোলত এই পদ্ধতি লাহে লাহে নাইকিয়া হ'ল আৰু এটা সময়ত সংগ্ৰহ আৰু বিতৰণৰ ক্ষেত্ৰত পঞ্চায়ত আৰু কো-অপাৰেটিভবোৰৰ ক্ষমতা নাইকিয়া কৰি গাই গুটিয়া কিছুমান অনুষ্ঠানৰ জৰিয়তে কণ্ট্ৰল কৰাৰ পদ্ধতি প্ৰবৰ্ত্তন কৰাৰ লগে লগে এই বিভাগত দুৰ্নীতিয়ে প্ৰশ্ৰয় পালে। আৰু তাৰ কাৰণেই আজি আমাৰ সদস্য বন্ধু সকলে এই বিভাগৰ ওপৰত আক্ষেপ প্ৰকাশ কৰিব লগা হৈছে। সেইকাৰণে মই এটা কথা কব খুজিছো যে অহা সময়চোৱাত বিশেষকৈ গাওঁ অঞ্চলৰ সংগ্ৰহ আৰু বিতৰণৰ দায়িত্ব গাওঁ পঞ্চায়ত কাৰ্য্যালয়ৰ সমাবায় সমূহক পুনৰ দিব লাগে আৰু এই কামত পঞ্চায়ত পৰ্য্যায়ত সমবায় সমূহক উৎসাহিত কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথা কব খুজিছো—আমাৰ গাৱলীয়া, দুখীয়া ৰাইজৰ মাজত সামগ্ৰী যোগানৰ ক্ষেত্ৰত কিছুমান সমস্যা আছে। আমাৰ যিবিলাক পঞ্চায়ত আছে, এই পঞ্চায়ত এলেকাৰ পৰা সময়ে সময়ে কিছুমান মানুহে ঠাই পৰিবৰ্ত্তন কৰিব লগা হয়। ইয়াৰ একমাত্ৰ কাৰণ হল তেওঁলোকৰ জীৱিকা নিৰ্বাহ। এনে ধৰণৰ লোকসকলে জীৱিকা নিৰ্বাহৰ কাৰণে কেতিয়াবা চহৰ অঞ্চল বা আন এখন গাওঁত গৈ বসতি কৰিব লগা হয়। কিন্তু এইদৰে এঠাইৰ পৰা আন এঠাইত গৈ বসতি কৰা লোকসকলে চৰকাৰৰ পৰা কোনো বস্তুৰ যোগান

নাপায়। এই লোক সকলে বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত বহুতো আবেদন নিবেদন কৰিও কোনো ফল নাপায়। উদাহৰণ স্বৰূপে মোৰ সমষ্টিৰ বালিজান পঞ্চায়ত এলেকাত আৰু গোৱালপাৰা চহৰৰ কিছুমান ঠাইত প্ৰায় ৩-৪ শ মান পৰিয়াল আছে। এওঁলোক দিন মজুৰী কৰি খোৱা লোক। এই মানুহখিনিয়ে গোৱালপাৰাৰ ডি, চি, এ, ডি, চি আদি কৰি কেইবাজনো বিষয়াৰ কাষ চাপি আবেদন-নিবেদন কৰি আজি পৰ্য্যন্ত যোগান বিভাগৰ পৰা কোনো বস্তুৰ যোগান পোৱা নাই। গতিকে মই এই বিষয়ত বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো যাতে ইয়াৰ এটা চাৰ্ভে হয় আৰু যদি প্ৰকৃততে এই মানুহখিনি ভাৰতীয় হয় তেনে হলে তেওঁলোকক গাওঁপঞ্চায়তৰ সমবায়ৰ যোগেদিয়েই হওঁক বা কো-অপাৰেটিভৰ যোগেদিয়েই হওক, তেওঁলোকৰ অন্ন বস্ত্ৰৰ যোগান ধৰক।

আনহাতে আৰু এটা কথা মই সদনৰ জ্ঞাতাৰ্থে জনাও যে আমাৰ যোগান বিভাগৰ এটা নিয়ম আছে যে তেওঁলোকে গোটা গম মিলবিলাকক ভাঙিবৰ কাৰণে যোগান ধৰে। সেইমতে মিলবিলাকে এই গম ভাঙি কো-অপাৰেটিভ চোচাইটিৰ যোগেদি ৰাইজৰ মাজত বিতৰণ কৰে। সুলভ মূল্যৰ বস্তু যোগান ধৰাৰ নামত এই পদ্ধতি চলি থাকিবলৈ দিয়া হৈছে আৰু এই পদ্ধতি চলি থকাৰ কাৰণে আমি বহুতো সময়ত দেখিবলৈ পাইছো যে গোটা গম ভাঙি মিলৰ মালিক সকলে যি আটা কো-অপাৰেটিভ চচাইটিক দিব লাগে সেই আটা সময়মতে সকলো চচাইটিকে যোগান ধৰা নহয়। তাৰ ফলত যিখিনি আটা যোগান নধৰাকৈ ৰৈ যায় সেই আটা মুকলি বজাৰত কলা দামত বিক্ৰী কৰা হয়। এই দুৰ্নীতি কেৱল মিলৰ মালিক সকলৰ মাজতে আবদ্ধ হৈ থকা নাই, এই দুৰ্নীতিত আমাৰ যোগান বিভাগৰ কিছুমান কৰ্মচাৰী আৰু কো-অপাৰেটিভৰ কিছুমান চেক্ৰেটাৰী আদিও জৰিত থকা দেখা যায়। আমাৰ বহুতো কো-অপাৰেটিভৰ চেক্ৰেটাৰী আছে তেওঁলোকে, তেওঁলোকৰ নিজৰ সমবায়ৰ আটা মিলৰ পৰা লৈ নাহে, আৰু সেইটো যোগান বিভাগৰ পৰিদৰ্শকে গৈ মিলৰ মালিকৰ খাটাত ওপৰোক্ত সমবায়খনে আটা পাইছে বুলি ৰিপোৰ্ট দাখিল কৰে। এয়ে হৈছে আমাৰ কৰ্মচাৰী সকলৰ নমুনা।

এনেকৈ লিফ্‌ট নকৰা সুলভ মূল্যৰ আটা মিলৰ মালিক সকলে আমাৰ কৰ্মচাৰী সকলক হাতত ৰাখি চোৰাং বজাৰৰ কাৰবাৰ কৰে, ফলত দুখীয়া জনসাধাৰণে এই ফল ভোগ কৰে।

উপাধ্যক্ষ মহোদয়, এইখিনিতে মই আৰু এটা কথা আপোনাৰ জৰিয়তে সদনৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো আৰু ইয়াৰ প্ৰতিকাৰৰ উপায় বিচাৰিছো। সেইটো হ,ল—আমাৰ কিছুমান এফ, চি, আইৰ গুদাম আছে, য'ৰ পৰা সুলভ মুল্যৰ বস্তু সাধাৰণতে যোগান ধৰা হয়। মই গোৱালপাৰা জিলাৰ এই গুদাম আৰু কৰ্তৃপক্ষৰ হেমাহীৰ এটা উদাহৰণ দাঙি ধৰিব বিচাৰিছো। বঙাইগাওঁত থকা এফ, চি, আইৰ গুদামৰ পৰা আমাৰ সেই অঞ্চলৰ সমবায় বোৰে চেনি যোগান ধৰে। কিন্তু এই যোগান ধৰোতে সমবায়ৰ চেক্ৰেটাৰী সকলে গুদামৰ পৰা চেনি উলিয়াই প্ৰত্যেক মাহৰ ২৮-২৯ তাৰিখে। তেওঁলোকে (F. C. I.) ২৮-২৯ তাৰিখে চেনি উলিয়াই বাকীবোৰ সুলভ মূল্যৰ দোকানী আৰু সমবায় সমিতিলৈ জনাই দিয়ে যে সেই চেনি ৩১ তাৰিখৰ ভিতৰত তেওঁ-লোকৰ পৰা লৈ যাব লাগে নহলে সেই চেনি লেপ্‌চ হৈ যাব। এনে কাৰ্য্যৰ ফলত বহুতো দোকানী আৰু সমবায়ে টকাৰ অভাৱত চেনি মুকলি কৰিব নোৱাৰে।

যেতিয়া চেনি লিফ্‌ট কৰিব নোৱাৰিলে তেতিয়া সেই চেনি ৩১ তাৰিখে লেপ্‌চ হৈ গ'ল আৰু তেতিয়া এফ, চি, আইয়ে যোগান বিভাগৰ লগত যোগাযোগ কৰি তেওঁলোকে ষ্টেটফেড বা চহৰত থকা কনজিউমাৰৰ লগত যোগাযোগ কৰি গোটেই খিনি দি দিয়ে। আকৌ কনচিউমাৰে সেই খিনি বিতৰণ কৰিব নোৱাৰি তেওঁলোকৰ মনোনিত ৫।৬ খন চোচাইটিক এলোটমেণ্ট দি দিয়ে আৰু সেই চেনি খিনি কোপাৰেটিভ চোচাইটিলৈ নাহে, টাউনত এপাক ঘূৰি টাউনতে শেষ হৈ যায়। গতিকে এফ, চি, আইয়ে বঙাইগাৱৰ পৰা লিফ্‌ট নকৰি এখন লিষ্ট কৰি এসপ্তাহৰ ভিতৰত চেনি খিনি লিফ্‌ট কৰাৰ ব্যৱস্থা কৰিব লাগে। এইখিনিকে পৰামৰ্শ দি কৰ্ত্তন প্ৰস্তাৱটো বিৰোধিতা কৰি মাননীয় মন্ত্ৰী মহোদয়ে অনা মঞ্জুৰীটো সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*Shri Jiba Kanta Gogoi—Hon'ble Deputy Speaker Sir, I rise to support the demand and oppose the Cut Motion as tabled by my hon'ble friend in the opposition. Mr. Deputy Speaker, Sir, as you know, supply is our life line. It is, very important. It can give us enjoyment, it can give us all comforts. Sir, while discussing about the problem of the State a few days back, we told that our one of the major problems is the price rise. This major problem can be controlled only by the Supply Department. If the supply is steady, if we take proper steps to supply our essential commodities and food-staff regularly and steadily, then there will be no price rise. The Supply Department alone can control the price rise. For that purpose, Sir, all the essential commodities including the foodstaff should be brought by Supply Department through STATFED or through any other agencies or through Govt machinery. Then only we can supply at a reasonable rate and at a regular flow so that the toiling masses do not suffer for want of foodstaff. For that purpose, Govt should take steps to bring all essential commodities through Govt. machinery. In regard to price-rise, it is to be noted how the middlemen and the private traders derive high profit during flood and at the time of scarcity. I would like to cite an example, say, mustard oil. As a substitute to mustard oil, we introduced the rapeseed when the

* Speech not corrected

price of mustard oil was going high. To control the price of it, we suggested rapeseed should be an alternative. But today, the rapeseed is there, even then the prices have not gone down because the middlemen and the private traders made oil from the rapeseed and mixed one third of mustard oil with two third of rapeseed oil. They sell thereafter the whole quantity as mustard oil with the higher price prevailing for it. It would have been better if this commodity had been distributed by Govt. control. Again Sir, these private traders bring the essential commodities and hoard them and create artificial scarcity. If this work of distribution had been done by the supply Department, the consumers could not have been suffered. Another thing Sir, during flood, the transport disruption cut off the State from the rest of the country. The private traders then hoard the essential commodities for getting higher profit. I suggest, therfore, that the Supply Deptt. should have a Transport Wing to make the assured supply when there is no train or when private transporters strike work. So I suggest that these measures should be taken immediately, and we should make a buffer stock of all essential commodities, such as, rice, wheat, dal, mustard oil, ghee etc. I am thankful to the hon'ble Chief Minister for this farsightedness. He has permitted to import 3 lakh tonnes of rice to make buffer stock so that supply of rice is made at a reasonable price to

the consumers. That is a laudable proposition. We should have also the buffer stock of other commodities. During summer and rainy season, road communication system remains disrupted. If we have the Transport wing of our own, we can expect supply of essential commodities. Another thing, in the oil industry, the men working in the oil Depot are the most important man in respect of supply of this commodity. Similarly, the success and achievement of our Supply Deptt. depend largely on how efficiently they could supply the goods to the lowest men in the village at reasonable price.

As I have said, the Supply department is the life line and they are also the progress link. We have seen in Punjab so many buildings are there. It is because there cement is readily avilable at reasonable prices. Several years ago we had seen that there were 7 cement manufacturing factories are there resulting in more production of cement. But in Assam there is acute scarcity of cement for which people cannot undertake construction of their houses. Now that is the progress of our society. We find that there in Assam poor houses and thatched houses and it is because of the poor economic condition of the people. So it is the duty of the supply department to look into all these requirements of the society and they should see that sufficient stock of cement and other building materials are made available to the people

at reasonable price. The hon. member from the Opposition, Sri Deka said that some time back he applied for 50 bags of cement but he could not get it. Had there been ready stock of cement and other building materials then this position would not have been there. So. I would request that for the sake of progress of our society, our Supply department should lay great stress on the availability of cement and building materials, I would also suggest that in the line of S. T. C., our supply department should have a corporation like Assam State Supply Corporation, this type Corpn. is necessary because the Supply deptt. may not have enough fund to have stock of things for ready supply to the consumers at reasonable prices. So, corporation should be set up in Assam with sufficient fund to supply things at controlled prices. About the issue of permit for huller sheller the Government took about an year for a decision and they now decided that huller shellar will be given only to the cooperatives and not to the individuals. I have heard from the Minister, supply there are about 30,000 applications from individuals for permit for huller shellars pending in the department. Rs 8·25 were to be spent by the people for court fee stamps each for attaching the same to each application and so a guge amount had to be spent by these people. Had this decision been taken earlier, there would not have such a colossal wastage. With these words, I conclude.

* Shri Silvius Condpan—Sir, I support the demand for Grant under the head—'Civil Supplies' placed by the hon'ble Minister, Supply and oppose the cut motion. I would like to put forward my suggestion and before that I would like to make some observations. Mr. Dy. Speaker, Sir, you will definitely agree with me that this department of Civil Supplies bears a great responsibility for smooth supply of essential commodities for the people of the State, and more particularly, for the people living in the rural areas whose ceconomic conditions is not up to the mark as those of people living in the urban areas. From my experience, I have seen that equal distribution of items of essential commodities in the rural areas has not been done in the rural areas and also in the muffisol towns. So, the people of the rural area and muffisol towns do not have the privilege of getting supply of essential commodities at the Fair Price shops. For, this I think the department has not made proper arrangement of distribution for the people in these areas, who hardly raise their protest when there is want of essential commodities because their voices are no heard, and they are not agitative. But this Department is mostly attending towards the people of the urban areas who are more vigilant on their activities rather than the people of the remote areas. These things have to be seen. Sir, I request the Honourable Minister, Food

* Speech not corrected

and Civil Supplies that the Department has miserably failed in paying equal attention to the people of the urban as well as people in the rural areas. I have seen, an many occasions, that for months together there is no supply of kerosene. In our District also, I have seen that no supply of cement. Sir, people come and pester us for making available of these items. We, as peoples' representative, we cannot give them happy information, encouraging information regarding all these things. But when they say these items are available in plenty in the town areas, why we are not getting in the rural areas? Their query remains unanswered. Therefore, Sir, I request the Hon'ble Minister to see and use his good offices that his Department should be vigilant on this point to meet the legitimate share of the rural people and the essential commodities are supplied in time. My next point is Sir, about the tea garden people. I think, you might have read the Newspaper that the tea garden labouers are not happy at all with the system or policy adopted by the Food & Civil Supplies regarding supply of ration. There is no political reason, there is no other reasons, the reason is very simple. The system that has been introduced for supply of ration to the tea garden population, it is connected with their wages. The wages I mean daily wages. Now, Sir, the present arrangement has been made by the Department of Food & Civil Supplies which makes the tea garden manag-

ement to procuire the food stuff from the supplying sources of the Government and the additional expenditure required in this connection is to be met. Sir, this expenditure is to go at the cost of the poor workers. This policy of the Government is interferring with the wage privilege of the tea garden workers. Sir, as you know that every year the tea garden workers get their bonus before the Puja vacation. Sir, this amount of additional expenditure is shown by the Management while fixing the quantum of bonus. The bonus is given out the profit the tea garden makes. Therefore, Sir, you will kindly agree with me how this present policy of the Government affects the interest of the tea garden workers. Therefore, Sir, on behalf of 10 to 20 lakhs of tea garden workers, I would like put few suggestions to the Hon'ble Minister, Food & Civil Supplies to re-examine the policy. Their demand include nothing more but to restore the original policy of 50 : 50 quota. I also request Government to find out better policy so that the poor tea garden workers are benefitted. Here also I would like to say that the food stuff supplied to the tea garden workers are all sub standard and inadequate. As a matter of fact, Sir, one of our Members also, during his participation in the Governor Address, expressed his discontentment that in many tea gardens because of the present policy the workers have been put in great hardship. So, I request the Hon'ble Minister, though you, Sir, to think

serioualy on the present policy and also request that the Department should go back to the original policy or any other better policy that will, in no way, affect the people of the tea garden in the matter of supply of ration. Sir, my next point is that the Food & Civil Supplies Department in Districts and Sub divisional headquarters does not arrange for maintaining stock of different essential items required in the Districts and Sub-divisions it is because they do not have a proper statistic or survey as to the requirement of the Districts and Sub-divisions. I, therefore, request the Hon'ble Minister, through you, Sir, that they would kindly direct the Department so that the officers will be much particular in the matter of the requirement of different items of essential commodites required in different Districts and Sub-divisions. With these few words and suggestions, Sir, I again extend my support to the Grant and oppose the Cut Motion.

মাননীয় উপাধ্যক্ষ—সদন ২-৩০ লৈকে স্থগিত ৰখা হ'ল।

(The House re-assembed after lunch with hon'ble Mr. Deputy Speaker in the Chair)

শ্ৰীতিলক গগৈ (মন্ত্ৰী) মাননীয় উপাধ্যক্ষ মহোদয়, আজি এই সদনত উত্থাপন কৰা 'ফুড্ এণ্ড চিভিল চাপ্লাইজ' শিতানৰ কাৰণে ২ কোটি ৯০ লাখ ৩১ হেজাৰ টকা বিচৰা হৈছে। সেই সম্পৰ্কত বিভিন্ন জন মাননীয় সদস্যই বহুতো বিলাক মূল্যবান পৰামৰ্শ আগবঢ়াইছে। সেই সকলো বিলাক পৰামৰ্শ শিৰোগত কৰি মই মোৰ বক্তব্য ৰাখিম।

অসমত বাসকৰা লোক প্ৰায় ১ কোটি ৭০ লাখ বা ৮০ লাখ মানুহৰ জীৱন নিৰ্দ্ধাৰণৰ লগত জড়িত থকা এইটো এটা অতি ডাঙৰ বিভাগ।

ইমান এটা ডাঙৰ বিভাগৰ কাৰণে বাজেট প্ৰভিজ্যন ৰখা হৈছে, দুই কোটি ৯০ লাখ ৩১ হেজাৰ টকা। এই টকা খিনি কেনেকৈ ব্যৱহাৰ কৰিব খুজিছো আৰু এই বিভাগটো কেনেকৈ কাৰ্য্যক্ষম কৰিব বিচাৰিছো সেই সম্পৰ্কে মোৰ লগত থকা তথ্য পাতিৰে সৈতে মই দাঙি ধৰিব খুজিছো।

এই যোগান বিভাগে প্ৰৱৰ্তন কৰা 'পাব্‌লিক্ ডিষ্ট্ৰিবিউশ্বন চিষ্টেমটো' অসমৰ গাৱে ভূৱে বিয়পি আছে। অসমত বসবাস কৰা কোনো মানুহেই ইয়াৰ পৰা বাদ পৰা নাই। এই যোগান ব্যৱস্থাৰ জৰিয়তে যাতে নিয়ম মতে আমাৰ গ্ৰাহক সকলে তেখেতসকলৰ 'অংশটো' পাব পাৰে তাৰ কাৰণে আমি নিয়ম মতে এই কাম বিলাক কৰাৰ দিহা কৰিছো। অসমত যোগানৰ যিটো ব্যৱস্থা চলি আছে সেইটোৰ বিষয়ে আমি এই খিনিকে কব পাৰো যে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ 'ফুড্ এণ্ড চিভিল চাপ্লাইজ' মন্ত্ৰী সকলৰ সন্মিলনত এই কথাই প্ৰতিপন্ন হৈছে যে, ভাৰত বৰ্ষৰ অন্যান্য বিলাক ৰাজ্যৰ তুলনাত অসমতেই এই 'পাব্‌লিক ডিষ্ট্ৰি-বিউশ্বন চিষ্টেমটো' ভাল ভাৱে চলি আছে। ইয়াৰ লগত কি হিচাবে কি বস্তু আমি যোগান দিওঁ, কি বস্তু দিব নোৱাৰো, কি ভাৱে দিব পাৰো আৰু কি ভাৱে দিব নোৱাৰো, কেনে ভাৱে দিব পাৰে—এই সকলো বিলাক আনুসঙ্গিক কথাই জড়িত হৈ আছে। এই যোগান ব্যৱস্থাৰ জৰিয়তে 'চাবচিডাইজত ৰেট'ত যি বিলাক বস্তুৰ যোগান ধাৰিব পাৰি সেই বস্তু বিলাক কিমান ধৰিলে এই চিষ্টেমটো বাচি থাকিব পাৰে সেই মতেই কেন্দ্ৰীয় চৰকাৰে বস্তু বিলাক আমাক যোগান দিয়াৰ কাৰণে আমি ব্যৱস্থা কৰো। 'চাবচিডাইজত' ৰেটতেই সকলো বিলাক বস্তুৰ যোগান দিবও নোৱাৰি। এই যোগান ব্যৱস্থাৰ জৰিয়তে মাত্ৰ ৪।৫ টা মান বস্তুহে সুলভ মূলভ মূল্যৰ দোকানৰ জৰিয়তে 'চাবচিডাইজড্ ৰেট'ত যোগান দিয়া হয়। গ্ৰাম্য অঞ্চলত ১৮ হেজাৰ ১৯২ খন আৰু ১ হেজাৰ ৯৫৯ খন নগৰাঞ্চলত সুলভ মূল্যৰ দোকান আছে। তাৰো-পৰি, আৰু অন্যান্য ঠাইতো আছে। জনসংখ্যাৰ ভিত্তিতেই এই গোটেই চিষ্টেমটো এনেকৈ 'অৰ্গেনাইজ' কৰা হৈছে যে, তাৰ দ্বাৰা যাতে ইয়াৰ

সুবিধা পাব লগীয়া মানুহ খিনিয়ে ভোগ কৰিব লগীয়া নহয়। এই প্ৰতিষ্ঠান বিলাকত গোটেই চিষ্টেমটো বাচি থাকিবৰ কাৰণে যাৱতীয় বস্তু খিনি আমি ভাৰত চৰকাৰৰ পৰা বিচাৰিছো। ১৯৫৭ চনৰ আগতে অৰ্থাৎ স্বাধীনতা লাভ কৰাৰ পিছত যেতিয়া জনসংখ্যাও খুউব কম আছিল তেতিয়া 'ষ্টেটিউট ৰোল'ৰ ব্যৱস্থা আছিল। আমাক এতিয়া যিবিলাক বস্তু দিয়া হৈছে এই চিষ্টেমৰ জৰিয়তে দিবলৈ, তাৰ দ্বাৰা আমাৰ মানুহৰ চাহিদা নমৰে।

চাউল, আটা, তেল, ৰেপচিদ, চিমেণ্ট আদি চাবচিদাইজড ৰেটত যোগান ধৰো। কেৰাচিন তেল আৰু নিমখৰ নিৰ্দ্ধাৰিত মূল্য আছে। এই বস্তুবিলাক এফ, চি আইয়ে সময়মতে যোগান দিব লাগে। এই বিলাক সময়মতে নোপোৱাৰ কাৰণে খেলিমেলি হয়। ৰেচন আদি দিয়াৰ কথা উঠিছে। তিনিশ গ্ৰাম চাউল পাব। নিয়ম মতে ৪০ মেট্ৰিক টন পালে তিনি চাৰি কেজিকৈ দিব পৰা হলহেতেন। এতিয়া গাওঁ অঞ্চলত এক কেজিকৈ আৰু নগৰ অঞ্চলত ২-৩ কেজিকৈ বঢ়াই দিয়া হৈছে। যিবিলাক সৰু সেইবিলাকৰ ক্ষেত্ৰত আধা ভাগ ধৰা আছে। চাউল আটা নিৰ্দ্ধাৰিত মূল্যত দিয়া হৈছে। এইবিলাকত পৰিবহন খৰছ আৰু তাৰ বাবে দুই চাৰি অনা বেছি হব পাৰে। আমাৰ অকল যোগান বিভাগে দেশখন চলাব নোৱাৰে। সেই কাৰণে মুকলি বজাৰ ৰাখিছো। মুকলি বজাৰত বস্তুৰ দাম যাতে বেছি ধৰণে বাঢ়ি যাব নোৱাৰে তাক নিয়ন্ত্ৰণ কৰাৰ কাৰণে কণ্টলৰেটত দিয়াৰ ব্যৱস্থা ৰাখিছো। গুৱাহাটীৰ বজাৰত কিমান চাউল, মচুৰ দাইল, ৰহৰ দাইল, মিঠাতেল আছে তাৰ হিচাপ আছে। বজাৰত বস্তুৰ দাম কিমান হৈছে আমাৰ বিভাগে সংগ্ৰহ কৰে। চৰকাৰে সংগঠিত বিতৰণ ব্যৱস্থাৰ যোগেদি চেনী, আটা পোৱাৰ দিহা কৰিছে। আমাৰ বহুবিলাক চচাইটি আছে, সেইবিলাকৰ অৱস্থা ভাল নহয়। সেই কাৰণে এইবিলাকত অসুবিধা আছে। চৰকাৰে ৪-৫ শ গ্ৰাম আটা আৰু চেনী দিছে, এইবিলাক চাবচিদাইজদ্ ৰেটত দিছে। পৰিবহন খৰচৰ বাবে দুই চাৰি অনা বেছি হব পাৰে। কেৰাচিন তেলৰ ক্ষেত্ৰত ফিক্স দাম আছে আৰু

সেইটো ভাৰত চৰকাৰে ঠিক কৰি দিয়ে। সেই হিচাপে অসমৰ সকলো ঠাইতে পোৱাৰ ব্যৱস্থা কৰিছো। তাৰোপৰি যোগান বিভাগৰ এটা মনিটৰিং চেল আছে। মাহত তুবাৰকৈ ইয়াৰ বৈঠক বহে। অসম অইল, ইণ্ডিয়ান অইল, ৰেল, এফ, চি, আই, যোগান বিভাগ এই চেলত আছে। বস্তু কিয় যোৱা নাই আদি বিষয় আলোচনা হয় আৰু ডবাৰ অসুবিধা হলে সেইবিলাক কথা আলোচনা কৰা হয়। এইবিলাক কথা চৰকাৰে বিবেচনা কৰে। কোনো কোনো ক্ষেত্ৰত হয়তে পৰিবহনৰ অসুবিধা হয়। কিন্তু ই স্থায়ী নহয়, তুই চাৰি দিনৰ কাৰণে হয়। কেৰাচিন তেল দিয়া হয়। এই বিলাক ব্যৱস্থা যোগান বিভাগত আছে। যোগান বিভাগৰ দায়িত্ব অসমৰ জনসাধাৰণৰ প্ৰতি আছে আৰু সেই কাৰণে সেই দায়িত্বত যিখিনি পৰে চাবচিদাইজ্‌দ্‌ ৰেটত দিয়ে। অৱশ্যে তিনিশ গ্ৰাম চাউল একোৱেই নহব পাৰে মোৰ নিচিনা মানুহৰ কাৰণে। শ্ৰীদাস ডাঙৰীয়াই এটা কথা কৈছে গাওঁত চাৰি মাহলৈ ৰেচন নিদিলেও হয়। কাৰণ চাৰি মাহ তেওঁলোকে ৰেচন নিনিয়ে। আনকি এনে কিছু চহকী মানুহ গাওঁ আৰু নগৰত আছে যি চাউল কিনিয়েই পোৱা নাই। তুটা শ্ৰেণী আছে। কোন শ্ৰেণীক ৰেচন দিয়া বা নিদিয়া আদি কথা ডাঙৰ প্ৰশ্ন।

তেখেতৰ পৰামৰ্শ হল নিদি মানুহবিলাকক দিব লাগে আৰু যিবিলাক নিদি নহয় তেওঁলোকক নিদিলেও হয়। কথা হল ফেয়াৰ প্ৰাইচ স্বপ, চচাইটি আদিক বস্তু চাপ্লিমেণ্টত নিদিলে নহয়। ইটো সম্ভৱপৰ নহয়। যি কোনো উপায়ে গাঁৱৰ মানুহে যাতে অংশটো পাব পাৰে তাৰ ব্যৱস্থা কৰা হৈছে। তুই নম্বৰ কথা হল সংগ্ৰহৰ কথা। এই ক্ষেত্ৰত এটা কথা উঠিছে সংগ্ৰহ নীতি খুব পলমকৈ ললে। সেই কাৰণে সময়ত ধান চাউল নাপালে। মিনিমাম প্ৰাইচত অৰ্থাৎ ১৩৫ টকাৰ কমত পালে কিনি লব। ষ্টেট ফেড, সমবায়ৰ মানুহ সেইবিলাকত বৈ আছে। দেখা গ'ল দিচট্ৰেচ চেল নহল। সংগ্ৰহৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ নীতিয়ে উত্তৰ পূৰ্ব্বাঞ্চলত এফেক্ট কৰিছে। এফ, চি, আইয়ে অকল চাউল লয়, ধান নলয়। মইচাৰ ৪-৫ শতাংশত বিচাৰে কিন্তু আমাৰ ইয়াত ১৫-১৬

শতাংশতকৈ কম মইচাৰ নহয়। মিলাৰ বিলাকে আপত্তি কৰি থাকে চাউল লোৱা নাই। ১৭-১৮ শতাংশত লয় কেনেকৈ ? এই কথাটোৰ পৰা অসুবিধা হৈছে। এফ, চি, আইৰ লগত বুজাপৰা কৰি কিনাৰ ব্যৱস্থা কৰিছো। মইচাৰত ওজন বাঢ়ি যায়। অসমত চাউলৰ মইচাৰ ১৮ শতাংশ।

মাননীয় উপাধ্যক্ষ মহোদয়, মইচৰাৰ ক্ষেত্ৰত অসমে ১৯ পাৰচেণ্ট ধৰাতো ভাৰত চৰকাৰে একচেপ্ট নকৰে। তেওঁলোকে কথাটোত গুৰুত্ব দিয়া নাই। নৰ্থ ইষ্টাৰ্ণৰ ৮ খন ষ্টেটৰ কেবাঠাইতো সকলোকে লগ কৰি এখন মিটিং পাতিছিলো। এফ, চি, আই য়ে ধান নলয়। যি ধান লাগে সেই ধান কিনিবলৈ সুবিধা নাই। ধান সময় মতে পোৱা নেযায়। কিন্তু তেওঁলোকে সেই কথাটোত একমত নহয়। তেওঁলোকক ৯ তাৰিখে দিল্লীলৈ এখন চিঠি দিছো। সকলো কথা জনাম। কোনটো একচেপ্ট কৰিব লাগে। এটা কথ কবলৈ আছে যে দেৰী হোৱা কথাটো আমাৰ হে দেৰী হোৱা নাই। মিলাৰ বিলাকক লেভী দিব লাগিব। তাৰ এটা চিষ্টেম আছিল। তেওঁলোকে যিমান ধান খুন্দে তাৰ আধা দিব লাগে। আমাৰ কেপাচিটি হিচাবে পাচ পাৰচেণ্ট দিব লাগে। সেই কাৰণে তেওঁলোকে ধান চাউল নলয়। আন কোনো কাৰণ নাই। আমি বৰ্তমানলৈকে ধান চাউল সংগ্ৰহ কৰিছো আৰু যদি কিবা অসুবিধা আছে তেতিয়া হলে ৩১ মাৰ্চ তাৰিখৰ ভিতৰত বিভাগত জনাব লাগিব। এইবছৰত এতিয়ালৈকে ৫০ হেজাৰ ৫৫·৬৮ কুইণ্টল চাউল সংগ্ৰহ কৰিছে। যোৱা বছৰত চাউল ৮ হেজাৰ ৯ শ ৬৯ মেট্ৰিক টন হৈছিল। বৰ্ত্তমান ৩ লাখ ২৭ হেজাৰ ১১৪·৮৩ কুইণ্টল আৰু ৪৩·১৩৯ কুইণ্টল চাউল হৈছে। তাৰ বাহিৰে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কৈছে আমাৰ ইয়াত বস্তুৰ দাম বাঢ়িব পাৰে। সেই কাৰণে এক লাখ মেট্ৰিক টন চাউল ধৰা হৈছে। তাৰোপৰি বানপানী আদিৰ সময়ত আমাৰ যিবিলাক ধান আছে সেইবিলাক ষ্টক থকা দৰ্কাৰ। সেই হিচাবে এইটো ব্যৱস্থা ৰখা হৈছে। চাহ বাগানৰ সম্পৰ্কত এটা উল্লেখ কৰিছো, চাহ বাগানৰ ৰেছন দিয়াৰ ব্যৱস্থা আছে। কিন্তু সেইটো অলপ বদলি কৰিছো। অধ্যাপক ডাঙৰীয়াই উল্লেখ কৰিছে এই চাহ বাগানত যি চাউল আটা আদি পাইছে সেইবিলাক পচা বুলি মানুহ বিলাকৰ

পৰা আপত্তি পাইছো। এই ক্ষেত্ৰত চাহ মজদুৰ সংঘৰ পৰা এই বিষয়ত কিছুমান হেণ্ডলিং এজেণ্ট নিয়োগ কৰিছে। এই হেণ্ডলিং এজেণ্ট কোন সেইটো ধৰিব পৰা নাই। যি ফ্লোৰ মিল আছে সেইবিলাক লিমিটেড। তেওঁলোকৰ লাইচেন্স কাটি দিব পাৰো। যদি হেণ্ডলিং এজেণ্টক ধৰিব পৰা নেযায় সেই সম্পৰ্কে ৬ হেজাৰ ৰেচন পাইছে। এইটো আমি কৰাৰ কাৰণে চাহ মজদুৰ সংঘলৈ টেলিগ্ৰাম কৰিছো আৰু তেওঁলোকৰ মানুহ আহি আলোচনা কৰিছে। আমি হিচাব কৰি চাইছো আমাৰ চৰকাৰৰ নিয়ম মতে এক কুইণ্টল ৯৭ কেজি আটা ফ্লৱাৰ মিলে আমাক দিব লাগে। তাৰ ঠাইত তেওঁলোকে আমাক ১ কুইণ্টল ৯১ কেজিহে দিয়ে। দেখা যায় ৬ কেজিৰ পাৰ্থক্য। বহুতো মানুহে আপত্তি কৰিছে যি আটা দিয়ে তাৰ লগত ভুচি মিহলাই দিয়ে। তেওঁলোকে ৯৭ কেজি দিব লগা হলে ভুচি নিমিহলাই কি কৰিব। সেই কাৰণে মিলৰ আটা ৰঙছোৱা হয়। সেইবিলাক চালি জাৰি উলিয়ালে আটা ওলায়।

ফ্লোলাৰ মিলৰ কথাটো অলপ স্বকীয়া ধৰণৰ, তাত হাইলি চফিষ্টিকেটেড মেচিন কিছুমান আছে গোটেই হুইটতোকে চাফাই কৰি দিয়ে। এতিয়া বহুতেই কয় আটাতোহে ভাল ফ্লোৰটো বেয়া তেনেক্ষেত্ৰত আমি কোনটো গ্ৰহণ কৰিম। আকৌ আপত্তি আহিছে যে দাম বাঢ়ি গৈছে বুলি কোৱা কথাটো শুদ্ধ নহয়। প্ৰতি কুইণ্টলত চাকি মিলৰ ১৯৪.৬৭ পইচা। গতিকে লোকচান হোৱাৰ কোনো কাৰণ নাই। গুৱাহাটীৰ পৰা বাহিৰলৈ বস্তুবিলাক তাৰাতাৰিকৈ ডেলিভাৰী কৰিবলগা হয়। গতিকে তাতেই খৰচ। দামটো সেই হিচাবে বেচি হোৱা নাই। ২ নং টি এচোচিয়েচনে গুৱাহাটীৰ পৰা বস্তুবিলাক নিব লাগে। কাৰণ ইয়াৰ পৰা চাৰি ভাগৰ তিনি ভাগ লিফট কৰিব লাগে। আমাৰ এতিয়া ৰেলওৱেতো গুদামত ৰখা সম্ভব নহয়। এফ, চি, আই য়ে এলটমেণ্ট দিয়ে। গতিকে কাচাৰত, বঙ্গাইগাওঁত, কোকৰাঝাৰত এলটমেণ্ট দিবলগীয়া হোৱাৰ কাৰণে খৰচৰ পৰিমাণো বাঢ়ি যায়। কাৰণ হুইট ডেলিভাৰী কৰোতে খৰচ আছে। টি এচোচিয়েচনত ৬ হাজাৰ মেট্ৰিক টন হুইট আৰু ১৮ হাজাৰ মেট্ৰিক টন চাউল দিয়া হৈছে। তেওঁলোকে শতকৰা ৫০ ভাগ

দিয়াৰ কথা কৈছিল। এতিয়ালৈকে ৯ হাজাৰ মেট্ৰিকটন টি এচোচিয়েচনক দিয়া দৈছে। গতিকে মই কথাটো বুজা নাই অসুবিধাতো ক'ত হৈছে। মুঠতে দেখা যায় টি এচোচিয়েচনৰ মালিক সকলে বিসম্বাদী মনোভাব লৈছে আৰু চৰকাৰ আৰু বাগানৰ মজদুৰ সকলৰ মাজত কেনেকৈ গোলমালৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰি আছে। সিদিনাখন মুখ্যমন্ত্ৰী মহোদয়ে সদনতে কৈছিল যে ইয়াত এটা ৰেকেট সোমাই আছে। এই ৰেকেটটোৱে গোলমাল কৰিবলৈ চেষ্টা কৰি আছে। তাৰ পাচত কমাৰ্চিয়েল ৰেটত আমি চাউল ৩·২০ পইচাৰ পৰা ৩·৬০ পইচাকৈ দিব পাৰিছো। তেওঁলোকে ষ্টেটফেদৰ পৰা চাউল আনি এলটমেণ্ট দিছে। এতিয়া মাৰ্কেট নকৰাকৈ কেনেকৈ বাগান চলাব পাৰি সেইটো ব্যৱস্থা কৰিছে। বাগানৰ বনুৱা বিলাকে দৰমহাই পোৱা নাই। যেনেকৈ আমি ৩০০ গ্ৰাম চাউলেৰে নুজুৰিলে বাকীখিনি নিজে ব্যৱস্থা কৰি লওঁ কিন্তু বাগানত ৩০০ গ্ৰাম দিয়াৰ পাচত বাকী খিনি বাগান কৰ্তৃপক্ষই ব্যৱস্থা কৰি দিয়া নাই। তেওঁলোকে ওৱেজো সময়মতে নাপায়। গতিকে চৰকাৰৰ পৰা চাবচিডিয়াৰী ৰেটত চাউল নি কোনোমতে চলোৱাৰ ব্যৱস্থা কৰি আছে। অথচ ৬ হাজাৰ মেট্ৰিক টনৰ ঠাইত আমি ৯ হাজাৰ মেট্ৰিক টন দিছো। কিন্তু আমি যিবিলাক চাউল বা আটা দিছো সেইবিলাক যদি সময়মতে লিফট নকৰে আমাৰ তাত কি দোষ আছে তেতিয়াতো কোনো উপায় নাই। চিমেণ্টৰ কথাটো যিটো কৈছে তাৰ অৱস্থা সিমান ভাল নহয়। আমি ২।৩ মাহৰ অন্তৰে অন্তৰে এলটমেণ্ট দিওঁ। আমাক ৮০ হাজাৰ মেট্ৰিক টন লাগে। কেন্দ্ৰীয় চৰকাৰে চিমেণ্টৰ ক্ষেত্ৰত এটা পলিচি কৰিছে—এটা হ'ল লেভী আৰু আনটো ননলেভী। লেভীটো ডি, চি য়ে বিতৰণ কৰে আৰু ননলেভীতো মুকলি বজাৰত পায়। যাৰ মাহে ১২ শত কৈ কম টকা ইনকাম হয় আৰু ৮ শ স্কুয়েৰফিট ঘৰ বনায় সেই সকলে লেভীতো পায়। আমাৰ ষ্টেটফেদে চিমেণ্ট লিফট্ কৰে। ইয়াৰে শতকৰা ৭৮ ভাগ পি ডব্লিউ, ডি য়ে ব্যৱহাৰ কৰে। এতিয়া চিমেণ্টৰ অৱস্থা বেয়া হোৱাত কেন্দ্ৰীয় চৰকাৰে লৈছে। চিমেণ্ট কৰ্পোৰেচন অব ইণ্ডিয়াই ৭ টা গুদামঘৰ কৰিছে। হেণ্ডলিং এজেণ্টৰ কাৰণে

নেচনেল টেণ্ডাৰ দিছে। অহা মাহৰ পৰা লেভী চিমেণ্টৰ অসুবিধা কিছু দূৰ হব। মাননীয় সদস্য মথুৰা ডেকা ডাঙৰীয়াই কোৱাৰ দৰে মন্ত্ৰীয়ে চিমেণ্ট নিদিয়ে ডি চি য়ে দিয়ে। শতকৰা ১০ ভাগ চিমেণ্ট ডি, চি, চি ৰ কোটাত আনিলে আৰু এই কোটাৰ আণ্ডাৰত জন সাধাৰণৰ বা ৰাজহুৱা অনুষ্ঠান বিলাকত মঠ মন্দিৰ, নামঘৰ ইত্যাদিত এশ বেগ, ৫০ বেগকৈ দিয়া হয়।

আমাৰ বৰপেটা ৰোডত থকা ঘেহুৰ বিষয়ে মাননীয় সদস্য শ্ৰীপূৰ্ণ বড়ো ডাঙৰীয়াই উল্লেখ কৰিছে। এইটো এফ চি আইৰ কথা অৰ্থাৎ ভাৰত চৰকাৰৰ কথা। ভাল বেয়া তেওঁলোকে কিবা কৰিলেও এই কথাৰ ওপৰত আমাৰ কোনো কণ্ট্ৰোল নাই। ৰিজিয়নেল মেনেজাৰক আমি কোনো নিৰ্দেশ দিব নোৱাৰো। তেওঁ ভাৰত চৰকাৰ অৰ্থাৎ দিল্লীৰ নিৰ্দেশতহে কাম কৰে। ৰিজিয়নেল মেনেজাৰজন আমাৰ ইয়াৰ হলেও তেওঁৰ লগত আমাৰ কোনো কথা নাথাকে। অসুবিধা নোহোৱা নহয় হৈছে। কিন্তু এই বিলাক কাৰণতে হৈছে।

অধ্যক্ষ মহোদয়, মই মোটামুটিভাৱে যোগান বিভাগৰ পলিচিৰ কথাখিনি মাননীয় সদস্য সকলক জনালো। যিখিনি এই বিভাগত কৰিব-লগীয়া আছে সেইখিনি কৰাৰ দায়িত্ব লৈছো। কিন্তু এই বিভাগত যিখিনি অসুবিধা হৈছে তাৰ কাৰণ হৈছে অসমৰ বৰ্ত্তমান পৰিস্থিতি আৰু যোৱা বছৰ কাছাৰ আৰু গোৱালপাৰা জিলাত হোৱা ভয়ানক বানপানী। আমি সাগৰ পাৰ হৈ নৈয়ে নৈয়ে জাহাজ আদিয়েদি কাছাৰ জিলালৈ চাউল পঠিওৱা হৈছিল তথাপি আমি মানুহক নাখায় মৰিব দিয়া নাই। বজাৰত বেছি দামৰ কথা কোৱা হৈছে কিন্তু মোৰ বোধেৰে মুকলি বজাৰত দাম ঠিকেই আছে আৰু যোগান বিভাগে এই ক্ষেত্ৰত বিশেষ ব্যৱস্থা হাতত লৈছে। মাননীয় সদস্য শ্ৰীমথুৰা ডেকাই ৰেপচিদ সম্পৰ্কে উত্থাপন কৰিছে, এই বিষয়ে যোৱাবাৰো এই সদনত আলোচনা কৰা হৈছিল আমাৰ যোগান বিভাগে ৬০০ মেট্ৰিক টন ৰেপচিদ যোগান ধৰিবলৈ দিছো। আমাৰ হাতত ৰখা নাই তাৰে শতকৰা ৫০ ভাগ এন চি চি এফে দিব লাগে। যোৱা বছৰো কেইবাটাও পাৰ্টিয়ে লিফ্‌ট কৰিব পৰা নাই।

তাৰ কাৰণে আমি ১ কোটি ২০ লাখ টকা বেংকক গেৰাণ্টি দিছো। ৰেপচিদটো অৱশ্যে খোলা বজাৰৰ বস্তু নহয়। তেওঁলোকে চিধাচিধি ভাবে উপায়ুক্ত, মহকুমাধিপতিক যোগান দিয়ে। ৰেপ চিদটো আহি পোৱাৰ লগে লগে উপায়ুক্তই আমাৰ বিভাগৰ এডিএচক সকলো ঠাইতে জনাই দিব লাগে আৰু ইয়াক কোনেও মুকলি বজাৰত বেছিব নোৱাৰে। গতিকে এইটো সঁচা কথা নহয়। উপায়ুক্ত মহকুমাধিপতিয়ে লোকেল অফিচত বিতৰণ কৰে। ইয়াত কোনো বেয়া কাম কৰিব নোৱাৰে। এই ক্ষেত্ৰত কিছু ত্ৰুটি পোৱাত গুৱাহাটীৰ ব্যৱসায়ী কেইজনমানক আইনৰ অধিনত গ্ৰেপ্তাৰ পৰ্য্যন্ত কৰা হৈছে। আমাৰ ডেকা ডাঙৰীয়াই যোগান মন্ত্ৰীৰ ওচৰলৈ মাৰোৱাৰী আহে বুলিও কৈছে। অৱশ্যে মই যোগান বিভাগ, সমবায় আৰু মুক্তিযোদ্ধা বিভাগৰ দায়িত্বত আছো যেতিয়া মোৰ ওচৰলৈ ব্যৱসায়ৰ বা পেঞ্চন পাবলগীয়া লোকৰ ভিৰ বেছি হবই। দুই এজনে তেওঁলোকৰ ব্যৱসায়ৰ খাটিৰত চালাম দিব আহিবই যিহেতু তেওঁলোকৰ লগত এই বিভাগৰ সম্পৰ্ক। ঠিক তেনেকৈ পেঞ্চন পাবলগীয়া সকলে আহিও ভিৰ কৰে। তেখেতে হয়তো ধেমালীৰ সুৰত কৈছে কিন্তু এই ক্ষেত্ৰত মোৰ কোনো কু অভিপ্ৰায় নাই। এইখিনি কথাকে দাঙি ধৰিলো আৰু মাননীয় সদস্য সকলে কোৱা কথাবিলাক মই নোট কৰি লৈছো আৰু সেইমতে ব্যৱস্থা লম। এইখিনিকে কৈ মই মাননীয় সদস্য সকলক কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰিলো।

শ্ৰীহেমেন দাস—মই কৰ্ত্তন প্ৰস্তাৱটো উঠাই লোৱাৰ আগতে মন্ত্ৰী মহোদয়ৰ পৰা এটা কথাৰ স্পষ্টিকৰণ বিচাৰিছো। মন্ত্ৰী মহোদয়ে বিবৃতিত গাওঁ অঞ্চলত মাহত ১ কেজি আৰু চহৰ অঞ্চলত ২ কেজি চাউল দিয়া হৈছে বুলি কৈছে। এই কথাটো মই বিশ্বাস কৰিবলৈ টান পাইছো। মই নিজে এই মাহত দিশপুৰত ১ কেজি চাউল পাইছো আৰু যোৱা ২৫ তাৰিখে গাওঁৰ ফেয়াৰ প্ৰাইচ চপ অনাৰ গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহৰ সম্পাদক সমূহৰ পৰা যি তথ্য সংগ্ৰহ কৰিলো তাত অৰ্থাৎ গাওঁ অঞ্চলত এতিয়াও ৩০০ গ্ৰাম কৈ চাউল পায় আছে। গতিকে গাওঁত মাহত ১ কেজি, চহৰত ২ কেজি দিয়া হৈছে বুলি কলে বিশ্বাস নহয়, এই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীতিলক চন্দ্ৰ গগৈ ( মন্ত্ৰী )—আমাৰ বিভাগে ফেয়াৰ প্ৰাইচ চপৰ যোগেদি ৰেচন কাৰ্ডত চাউল দিয়ে। গাওঁ অঞ্চলত ৫০০ গ্ৰাম আৰু মজলীয়াক ৪৫০ গ্ৰাম আৰু চহৰ অঞ্চলত ২ কেজি দিয়ে বুলিয়ে জানো। এই-ক্ষেত্ৰত দেখা যায় বহুত ভুৱা ৰেচন কাৰ্ড আছে আমি এতিয়া উপায়ুক্ত মহকুমাধিপতিক চেক কৰিবলৈ নিৰ্দ্দেশ দিছো।

শ্ৰীহেমেন দাস—তেখেতে টাউনত ২ কেজি দিয়া হয় বুলি কৈছে। মই নিজে ৰেচন কাৰ্ডত এই মাহত ১ কেজি চাউল পাইছো। মই বুজি পোৱা নাই।

শ্ৰীতিলক গগৈ ( মন্ত্ৰী )—মই অনুসন্ধান কৰি চাম। বহু মসয়ত ফেয়াৰ প্ৰাইজ চপ বিলাকে লিফট্ নকৰা কাৰণেও এইটো হয়। ফেয়াৰ প্ৰাইজ চপ বিলাকে কোনে কিমান আনিছে আৰু কিমান দিছে সেই হিচাবটো আমি দিব নোৱাৰো। আমি টোটেল হিচাবটোহে কৰো।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো। আমাৰ যোগান বিভাগৰ পৰা কি কি বস্তুৰ পাৰ্মিট দিয়ে আৰু কি কি বস্তুৰ পাৰ্মিটৰ ব্যৱস্থা আছে তালিকাখন আমাক জনাব লাগে।

শ্ৰীতিলক গগৈ ( যোগান মন্ত্ৰী )– নিত্য প্ৰয়োজনীয় বস্তুৰ পাৰ্মিট দিয়াৰ ব্যৱস্থা আছে। এইটো বেছি নাই। পাৰ্মিট চৰকাৰী ভাৱে দিয়া হয় চিমেণ্ট ইত্যাদিৰ কাৰণে ফৰওৱাৰ্ডহে কৰা হয়। চৰকাৰী চাবচিডিৰ লগত এইটো কৰা হয়।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয় মই কৰ্ত্তন প্ৰস্তাৱ উঠাই লৈছো।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, মইও উঠাই লৈছো।

Mr. Speaker—Is it the pleasure of House to grant the leave to withdraw the cut-motions.

( Voices : yes, yes )

Cut Motions are withdrawn.

Mr. Speaker—Now, I put the main grant. The motion is that a sum of Rs. 2,90,31,000·00, be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending

the 31st March, 1985, for the administration of "Civil Supplies".

Grant No. 41 is passed.

Now, Grant No. 17.

Shri Hiteswar Saikia (Chief Minister)—On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 1,78,50,000, be grant to the Minister-in-charge to defray the charges which will come in course of payment during the year ending 31st March, 1985, for the administration of "Treasury and Accounts Administration".

Mr. Speaker—There is no cut-motion. I put the main grant. The motion is that a sum of Rs. 1,78,50,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985, for the administration of "Treasury and Accounts Administration".

Grant No. 17 is passed.

Now Grant No. 28.

Shri Hiteswar Saikia (Chief Minister)—On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 4,52,:4,000·00/- be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985, for the administration of "Pensions and other Retirement Benefits".

শ্ৰীমথুৰা ডেকা—মাননীয় অধ্যক্ষ মহোদয়, এই যিটো মঞ্জুৰী দাবী আনিছে এই ক্ষেত্ৰত মই এটা কথা কব বিচাৰিছো যে যিসকল লোকক অৱসৰ

পোৱাৰ পিচত পেন্সন দিয়াৰ ব্যৱস্থা আছে তেওঁলোকে মৃত্যুবৰণৰ সময়লৈকে পেন্সনটো নাপায়। ফলত তেওঁলোক হতাশগ্রস্ত হয়। গতিকে এওঁলোক চাকৰিৰ পৰা অৱসৰ পোৱাৰ পিছতে পেন্সন দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব নোৱাৰেনে? এই কথা আমি দঢ়াই দঢ়াই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি আহিছো। মন্ত্ৰী মহোদয়ে সিদিনাখন এড-হক দিয়াৰ কথা কৈছে। এইটো কি এই বছৰৰ ভিতৰত হব নে নহয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )—অধ্যক্ষ ডাঙৰীয়া, পেন্সনৰ ক্ষেত্ৰত কেতবোৰ খেলিমেলি নোহোৱা নহয়। অৱসৰ পোৱাৰ পিচতো বহুত প্ৰাইমাৰী শিক্ষকে পেন্সন পোৱা নাই। ইয়াৰ কাৰণ হৈছে আমি এ-জিলৈ পঠিয়াওঁ এ-জিয়ে বহুত নাকচ কৰে আৰু কিছুমান স্পষ্টীকৰণ বিচাৰে, এই বিলাক কাৰণতে যে পলম হৈছে সেই কথা সঁচা কিন্তু মই সদনক আশ্বাস দিব পাৰো যে অতি সোনকালে ইয়াৰ এটা বিহিত ব্যৱস্থা লোৱা হব। এই ক্ষেত্ৰত মই প্ৰাইমাৰী স্কুলৰ শিক্ষক সন্থাৰ লগতো আলোচনা কৰিছো আৰু ইতিমধ্যে প্ৰাইমাৰী শিক্ষক সন্থাই লাভজনক আশা দেখি মান্তি হৈ গৈছে। এইটো অৰ্থ বছৰৰ পৰা প্ৰাইমাৰী শিক্ষক সন্থাৰ ক্ষেত্ৰত খেলিমেলি নহব বুলি আশা কৰিব পাৰি। আলোচনাৰ সময়ত আৰু এটা সিদ্ধান্ত কৰা হৈছে যে ষাঠি বছৰত ৰিটায়াৰ হৈছে, যদিও পেন্সন দিব পৰা নাই কিবা খেলিমেলিৰ কাৰণে তেতিয়াহলে বৃদ্ধ বয়সৰ পেন্সন দিয়াৰ কাৰণেও চিন্তা কৰাৰ কথা তেখেতসকলক জনোৱা হৈছে।

Mr. Speaker—There is no cut-motion. Now, I put the main grant. The motion is that a sum of Rs 4,52,34,000,00 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985, for the administration of "Pensions and other Retirement Benefits".

Grant No. 28 is passed.

Now, Grant No. 30.

Shri Hiteswar Saikia (Chief Minister)—On the recomme-

ndation of the Governor of Assam, I beg, Sir to move that a sum of Rs. 10,63.53,000·00 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of "State Lotteries and others".

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, মই এই বিষয়টোৰ বিৰোধীতা কৰো। মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই ষ্টেট লটাৰি আৰম্ভ হোৱাৰ পৰা আজিলৈকে অসমত কিমান টকা লাভ কৰিব পাৰিছে ? আমি এই দহ কোটি টকা দিব ওলাইছো কিন্তু ষ্টেট লটাৰি এটা ব্যৱসায়ত পৰিণত হৈছে গতিকে আমাৰ ৰাজ্যত কিমান উপাৰ্জন কৰিছে এইটো জনাব বুলি আশা কৰিছো।

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )—অধ্যক্ষ ডাঙৰীয়া, আগৰ কেইবছৰ মানত মাজতে অলপ বেয়া হৈছিল কিন্তু যোৱা দেড় বছৰমানৰ পৰা প্ৰতি সপ্তাহতে এই খেল কৰাৰ পৰা প্ৰায় দেড় লাখ মান টকা লাভ হৈছে। যোৱা দেড় বছৰমানতহে লাভ কৰিছে। বহুখিনি টকা লাভ কৰিছে।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, ইয়াৰ আগতে হোৱা লোকচানৰ কাৰণ কি ? এতিয়া যদি লাভ কৰিব পাৰে তেনেহলে আগতে লোকচান কিয় হৈছিল তাৰ কাৰণ অনুসন্ধান কৰিছে নে নাই। যদি কৰা নাই ভৱিষ্যতে কৰিবনে এইটো জানিব বিচাৰিছো।

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )—অনুসন্ধান কৰা হব। এইটো ১৯৬৯ চনৰ পৰা ১৯৭৮ চনলৈকে পয়ত্ৰিশ লাখ টকা লাভ কৰা হৈছিল। মাজৰ ডোখৰত বেয়া হৈছিল অৱস্থা। বৰ্তমান সময়ত ছাবিশ লাখ টকা লাভ কৰিছে।

Mr. Speaker—There is no cut-motion. Now, I put the main grant. The motion is that a sum of Rs. 10,63,53,000·00, granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985, for the administration of

"State Lotteries and others".

Grant No. 30 is passed.

Now Grant No. 49, Shri Tilok Gogoi to move.

Shri Tilok Chandra Gogoi ( Minister )—Mr. Speaker, Sir, on the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 26,94,63,000/- be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administion of "Cooperation."

Mr. Speaker—There are two cut motions. One tabled by Honourable Shri Binoy Kumar Basumatari and others and the other by Honourable Member Shri Mathura Deka. Now Honourable Member Shri Binoy Kumar Basumatari to move.

Shri Binoy Kumar Basumatari—Mr. Speaker, Sir, I beg to move that the total provision of Rs. 26,94,63,000/- under Grant No. 49, in respect of Cooperation at pages 1-63 of Volume II, Part XI of the Budget, be reduced to Rs. 1/-. i. e. the amount of the whole grant of Rs. 26,94,63,000/-, do stand reduced Rs. 1/-.

Mr. Speaker—Now Honourable Member Shri Mathura Deka to move.

শ্ৰীমথুৰা ডেকা—মাননীয় অধ্যক্ষ মহোদয়, সমবায় মন্ত্ৰী মহোদয়ে যি দাবী মঞ্জুৰী সদনত দাঙি ধৰিছে গ্ৰাণ্ট নং ৪৯ ত সমবায় হেডত পৃষ্ঠা ১-৬৩ ভলিউম ২ পাৰ্ট এঘাৰৰ সৰ্বমুঠ ২৬,৯৪,৬৩,০০০,০০ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰিবলৈ মই সদনত কৰ্ত্তন প্ৰস্তাৱ দাঙি ধৰিলো ।

Mr Speaker—Shri Basumatari.

Shri Binoy Kumar Basumatari—Mr. Speaker, our Honourable Minister for Cooperation has been repeatedly saying that this in a movement. The Cooperative is a movement. But in real picture this movement is very bad. If we see the budget we will find that the per capita allocation is approximately Rs. 25/- per head. If we have 2 crores of people and if the total outlay is Rs. 26 crores and if you calculate then the per cap.ta allocation per head will be Rs. 13/-. but here it is shown as Rs. 25/-. Out of this Rs. 26 crores and odd, in the revenue section towards the economic service of this Cooperation an amount of Rs. 8 crores 93 lakhs has been allotted and for capital outlay it is shown as Rs. 10 crores 39 lakhs and both these amount come to a total of Rs. 19 crores and odd. The remaining 7·14 crores are earmarked for loan and advance. So, Sir, in the Cooperative sector a very big amount has been earmarked which is about 30% of the total allocation. When the Government come forward to give so much loan to the Cooperative Societies we do remember that the Government has never come with a balance sheet for these loans, about their proper utility. Government cannot come forward with such a balance sheet because it may flash some dirty pictures of insides. We know almost all Cooperative Societies are running at loss. In my constituency, Udalguri, there is a Marketing

and processing Cooperative Society. This Society has been incurring loss for last several years and it is a big amount. It incurred loss about several lakhs of rupees. This Society is now running by a few officers of the Department and they never hold annual meeting and the share holders are never invited the people do not have any cooperation with this cooperative Society. Therefore, Sir, the Honourable Minister's contention that the Cooperation is a movement is wrong. Similarly, there are many Cooperative Societies in my constituency as well as in other parts of the State but all these Societies have been incurring loss. I find the main reason of this loss is that the Assistant Registras of the Cooperative Socities posted in the Sub-Divisional Headquarters, are the real bosses of the Cooperative Societies. I have some bitter experience. Recently, I was very much involved with the establishment of a Cooperative Sugar Mill and for the last several years our Governing Body had been passing several resolutions about how to start this Cooperative Society and the Sugar Mill but whatever resolution we take and forward them to the Assistant Registrar of Cooperative Societies, the Assistant Registrar himself becomes the main obstacle of the activities of the Cooperative Society. Therefore, Sir, I feel some sort of alternative arrangement must be made for the successful operation of the Cooperative Societies in the State. Another point is, basically our Cooperative So-

cieties do not have any management. And they do not have any objective. These objectives of the Cooperative Societies may be of various nature, it may be of profit oriented, it may be service oriented but if we only understand that the Cooperative is service oriented movement and if we invest the major portion of the total amount of Grant by orienting services then the general people will be deprived and money will be mere wastage. I therefore, Sir, feel that there should be renovation in the motives of the Co-operative Societies. For instance, in Mangaldoi in the office of the Asstt. Registrar of Cooperative Societies, there is one officer namely Shri Khandakar. All our G. P. level Cooperative Societies have to approach this gentleman. But, Sir, unless some gratuity is given to this gentleman no G. P. level Society will get money from the Apex Bank. Unless something is given to this man these Societies neither can get the allotment of Sugar nor any other Commodities. I have a written a complaint against this officer. There is another Cooperative Society of G. P. level at Ambagaon. This Society has been paying a monthly gratuity of Rs. 300/- to this gentleman. This is only one Cooperative Society but there are many more but they do not want to disclose their names. But it is a general remark that these Cooperative Societies have been facing acute difficulty in getting cooperation from the administrative wing of the Cooperation Department.

Lastly, Sir, because I want to curtail my observation, at page 2 under direction and administration at (a) an amount of Rs. 1.10 crores and in (b) i. e., Audit of Cooperative Societies an amount of Rs. 2.45 crs. have been allotted. This is almost 10% of the total budget. Now, this Audit of Cooperation is a major portion of the Department. Because this audit should enable the Government and the Department to visualise the way they are following or understand the future of the Department.

The workings of the audit are very bad. Why, because I know about one Co-operative Society in my home place—Harisinga Marketing and Processing Co-operative Society. In one audit, it was discovered that the Secretary had defaulcated more then 45,000 rupees and this Secretary after being detected got absconded and as a result, the Co-operative Society was ordered closed or suspended. Then after a few years, audit was conducted and by then a new Secretary had come in and this new Secretary bribed the auditors and managed to hide the losses in such a way that nobody would be able to point out. So Sir, the purpose of audit is to investigate the workings of the Co-operative Society and also of the department. But in this audit, the procedure that is adopted now, there is much to be improved. Then at page 90, we have an allocation at (f) for subsidy for some areas of Co-operative Societes LAMPs for purchase of trucks.

I think this LAMPS stands for large area multi purpose processing societies. So, some years back, I had an opportunity to visit LAMPS in Orissa and Madhya Pradesh. These LAMPS are supposed to have special programme for tribal and backward areas for the benefit of tribal people. In Orissa, under this LAMPS, there are lot of tamarind trees and tribals were asked to collect tamarinds and after extraction of the seed, this was exported to Arabian countries to earn crores of rupees in foreign exchange, Similarly, in Bihar, I found that Sal and Mahua seeds were collected by tribals under this LAMPS. In Assam this is the first time that there is an allocation to it. But I am sure, there are no activities under LAMPS in the State. There are certain areas in Assam like Goalpara, Kokrajhar and Upper Assam. I think in such areas Sal seeds can be collected and business started. We know that there is a big industrialist in D.brugarh, who is earning quite a lot of money from sal seeds and oil extracted from sal seeds, I hope Govt will give liberal allocation in starting LAMPS in tribal areas. Another thing, Agricultural Consumption Loan is supposed to be given to the tribals when they are busy in cultivation and in the matter of marriage for their children and study of their child--en. So LAMPS have a very wide scope of activities and I hope under the leadership of the new Co-operative Minister, he will try to identify these LAMPS

in Assam as in other States in the country. Now at page 28 at (c), we have an allocation of Rs. 9 lakhs for Training, Research, Publicity and Education. I have observed for the first time that some sort of traing and research is conducted in the Co-operative Wing. But I have been informed that under the Co-operative Sector, many people go abroad for some sort of training or for orientation course. I want to know from the hon'ble Minister how many tribal people have been selected to do research or training abroad under this Co-operative Wing because it is specifically earmarked under Tribal Sub-plan. Therefore, it is pertinent that the department should send Tribal Officers and tribal people of Co-operative Societies for such training and research.

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবসুমতাৰী আৰু ডেকা ডাঙৰীয়াই যিটো কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে ( সমবায় বিভাগৰ মঞ্জুৰী দাবীৰ ওপৰত ) মই সেইটো সমৰ্থন কৰি দুআষাৰমান কথা কব বিচাৰিছো।

মহোদয়, সমবায় আন্দোলনটো বহু পুৰনি। আমি যেতিয়া সৰু আছিলো তেতিয়াৰ পৰাই গাওঁ অঞ্চলত সমবায় এটা আন্দোলন হিচাবে ৰাইজৰ মাজত থকাটো জানিছিলো। আমি যেতিয়া কলেজত আছিলো তেতিয়াও গাৱঁৰ ৰাইজে কিছু কিছু অংশ লৈ সমবায় গঠনৰ কাৰণে কষ্ট কৰা আমি দেখিছিলো। এই দৰেই কিছুমান সমবায় গঠন কৰা হৈছিল। সেই সমবায় গঠন কৰা হৈছিল। সেই সময়ত সমবায় বিলাক লাভজনক আছিল। ১৯৫৭-৫৮ চনত ঋণদান সমবায় গঠন হৈছিল। এই ঋণদান সমবায়ৰ প্ৰথমতে খুব ভাল আছিল। খেতিয়কে ঋণ আদি পাইছিল যেতিয়া এই সমবায়ৰ অৱস্থা ভালৰ ফালে

আছিল তেতিয়া বিভাগীয় কৰ্মচাৰী সকলে এই সমবায়টোক বৰ সহজ ভাবে ললে। তেতিয়াৰ পৰাই এই সমবায়টো ক্ৰমান্বয়ে নাইকীয়া হৈ গ'ল। এতিয়া কি অৱস্থাত আছে কোনেও খবৰ নাপায়। থিক তেনেকৈয়ে মাৰ্কেটিং সমবায় এখন গঠিত হৈছিল। এতিয়া দেখিছো এই মাৰ্কেটিং সমবায়ৰ সদায়েই তলা বন্ধ হৈ থাকে। এনেবিলাক হোৱাৰ পিচতেই ৰাইজে আগতে সমবায়ত যি ভাবে অংশ লৈছিল সেই ভাবে অংশ লবলৈ ইচ্ছা নকৰা হ'ল। এই সমবায় বিলাকত দুটা ভাগ আছে এটা হৈছে ঋন দান। আৰু এটা ভাগ হৈছে ব্যৱসায় বানিজ্য কৰা আনকি উদ্যোগো ইয়াৰ ভিতৰত প'ৰে। এই সমবায়ৰ ভিতৰত পৰা শিলঘাটৰ জোট মিল শেষ হৈ গ'ল। কামপুৰৰ চেনিকলৰ জন্ম নৌহওতেই শ্ৰজন প্ৰীতি আৰম্ভ হ'ল। এইটো জন্ম হ'লে কি হয় কব নোৱাৰো। নগাওঁ চেনিকলৰ ৪০ লাখ টকা কোনে কিমানকৈ ভাগ কৰি ললে কব নোৱাৰো। এনেকৈ যি বিলাক সমবায় অনুষ্ঠান গঠিত হৈছে সেই বিলাকৰ কি হয় কব নোৱাৰো।

আমাৰ ইয়াত বহুত 'ফেড' আছে। ষ্টেটফেড, আৰ্টফেড ফিচফেড আদি। আজি দেখা গৈছে এই 'ফেড' বিলাকৰ অৱস্থা বৰ উৎসাহজনক নহয়।

ইয়াৰ আৰু এটা কাৰণ দেখা গৈছে—আমাৰ অসম চৰকাৰৰ বিভাগবোৰৰ টকা পইচাৰ হিচাব কৰাৰ কিছুমান বিভাগ আছে। বিশেষকৈ একাউন্টেন্ট জেনেৰেলৰ দ্বাৰাই কৰা হয়। কিন্তু ষ্টেটফেডৰ নিচিনা এটা বৃহৎ অনুষ্ঠানৰ হিচাব পৰীক্ষা কৰে চাৰটাৰড একাউন্টেন্টৰ দ্বাৰা। আজি এনে অনুষ্ঠান বোৰৰ হিচাব পত্ৰৰ ওপৰত আমাৰ চৰকাৰে গুৰুত্ব নিদিয়াৰ কাৰণেই যি গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে এই অনুষ্ঠানৰ গাঠনি হব লাগিছিল, সেই গণতান্ত্ৰিক গাঠনি শেষ হৈ যায়। মই এই সদনক এটা কথা জনাব বিচাৰিছো যে আমাৰ ষ্টেটফেডৰ যি সাধাৰণ সভা হব লাগে সেই সভা ৰছৰৰ পিচত বছৰ নোহোৱাকৈ আছে। সেইদৰে আন সমবায় সাধাৰণ সভা যি সময়ত হব লাগে সেই সময়ত নহয় আৰু কেতিয়াবা হলেও সেইখন সাধাৰণ সভা বুলি কব নোৱাৰি। মই নিজে তেনে এখন

সাধাৰণ সভাৰ কথা জানো—সেই সভাত যিসকল সদস্য উপস্থিত থাকিব লাগে তেওঁলোক তাত নাথাকে। যি দুই চাৰিজনৰ দ্বাৰা সভা অনুষ্ঠিত হয় তেওঁলোকে যি সিদ্ধান্ত লয় সেই সিদ্ধান্তকে ভিত্তি কৰি চেক্ৰেটাৰী জনে বাকীবোৰ সদস্যৰ ঘৰে ঘৰে গৈ চহী লৈ আছে আৰু তেনেধৰণে কাম চলায়। ইয়াৰ দ্বাৰাই আমি প্ৰমান কৰিব পাৰা যে আমাৰ সমবায় কৰ্মী সকলে কেৱল এই অন্দোলন শব্দটো আগত ৰাখি মাত্ৰ কেইটামান পইচা কৰাৰ আশাতে এই আন্দোলনত নামি পৰে। কিন্তু এই আন্দোলনৰ প্ৰকৃত উদ্দেশ্য কি সেইটো উপলব্ধি নকৰে। গতিকে আমি যদি সচাকৈয়ে এই আন্দোলন সফল কৰিব লগা হয়, তেনেহলে এই বিভাগৰ ওপৰত এতিয়ালৈকে যি গুৰুত্ব দিছে (অৱশ্যে কিমান দিছে সেইটো চাবলগীয়া) তাতোকৈ অধিক উৎসাহেৰে গুৰুত্ব দিব লাগে-আৰু এই আন্দোলন সফল কৰি তুলিব লাগে।

উপাধ্যক্ষ ডাঙৰীয়া, সমবায় বিভাগে ক্ষুদ্ৰ উদ্যোগৰ পৰা আৰম্ভ কৰি বৃহৎ উদ্যোগ যেনে বনস্পতিৰ মিচিনাও উদ্যোগ স্থাপন কৰিবলৈ সক্ষম হৈছে। কিন্তু মই বিভাগীয় মন্ত্ৰী মহোদয়ক এটা কথা কব বিচাৰিছো যে এনে ধৰণৰ উদ্যোগ জীয়াই ৰখাৰ কাৰণে যি ধৰণৰ সংগঠনৰ আৱশ্যক তেনে সংগঠন আমি দেখা নাই। এই উদ্যোগটো আমাৰ ইয়াত পাতিবলৈ বেচি দিন হোৱা নাই। কিন্তু এই কম দিনৰ ভিতৰতে আমি যিবোৰ কথা শুনিবলৈ পাইছো, যদি প্ৰকৃততে সেইটোৱেই হয় তেনেহলে এই অনুষ্ঠানটো কিমান দিন জীয়াই থাকিব সেইটোও হিচাব কৰি চাব লাগিব।

এই খিনিতে মই আৰু এটা কথা কম যে—এই বিভাগটোৱে বিভিন্ন জনক টকা পইচা ধাৰে দিয়ে। মোৰ প্ৰশ্ন হৈছে—ধাৰে দিয়া টকাবোৰ ঘূৰি আহে নে নাহে? যদি এই টকাবোৰ ঘূৰি নাহে তেনেহলে এই অনুষ্ঠানটো বৰ্ত্তি থাকিব কেনেকৈ? আমি বহুতো ক্ষেত্ৰত দেখিবলৈ পাইছো যে এই বিভাগৰ পৰা যি সকল সাধাৰণ মানুহে টকা ধাৰলৈ নিয়ে তেওঁলোকে যদি টকা পৰিশোধ কৰিব নোৱাৰে তেনেহলে তেওঁলোকৰ ওপৰত গোচৰ তৰা হয় নাইবা গ্ৰেপ্তাৰ কৰা হয়। কিন্তু এনে কিছু-

মানো মানুহ আছে যি সকলে এই বিভাগৰ পৰা টকা ধাৰে নি পৰিশোধ নকৰাকৈ আৰামত আছে। এনে ঘটনা প্ৰায়ে দেখা—যায় ৰাজনৈতিক স্বাৰ্থৰ খাতিৰত হয়। তেনে এজন ৰাজনৈতিক ওপৰ মহলাত হাত থকা মানুহে ধাৰে নিয়া টকা যদি পৰিশোধ নকৰে আৰু তাৰ ফলত তেওঁৰ ওপৰত যদি বিভাগীয় বিচাৰ বা গ্ৰেপ্তাৰৰ হুকুম হয় তেতিয়া ওপৰৰ পৰা হুকুম যাব যে সেইজন আমাৰ মানুহ তেওঁক গ্ৰেপ্তাৰ কৰিব নালাগে। গতিকে এই আমাৰ মানুহ আৰু তেওঁলোকৰ মানুহ এনে ভাগ যেতিয়া-লৈকে থাকিব তেতিয়ালৈকে সমবায় আন্দোলনে গা কৰিব নোৱাৰিব। ইয়াৰ লগে লগে আমাৰ যিটো শ্ৰেণী মানুহৰ সুবিধাবাদী মনোভাব আছে, তেওঁলোকৰ মনৰ পৰা যদি এইটো আতৰ কৰিব নোৱাৰে, তেনে-হলে এই আন্দোলন কেতিয়াও সফল নহয়—সমবায় আন্দালনৰ নামত কেৱল টকাহে খৰচ কৰা হব। গতিকে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাও যে এই বিভাগৰ পৰা যিসকলে টকা ধাৰে নি পৰিশোধ নকৰাকৈ আছে তেওঁলোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লব লাগে। তাৰ লগে লগে এই বিভাগটো ৰাজনৈতিক স্বাৰ্থৰ পৰা মুক্ত কৰিব লাগে। নহলে এই বিভাগটোৱে দুচাম মানুহৰ সৃষ্টি কৰিব—এচামে জীয়াতু ভুগিব আৰু এচামে ৰাজহুৱা ধনৰ অপচয় কৰিব। মই আৰু দীঘলীয়া নকৰো। এইখিনিকে কৈ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীমথুৰা ডেকা—উপাধ্যক্ষ মহোদয়, সমবায় হৈছে এটা আন্দোলন। কিন্তু আমি যদি প্ৰকৃততে এই আন্দোলনৰ মূল্যাংকন কৰিবলৈ যাও তেনেহলে দেখি-বলৈ পাওঁ যে এই আন্দোলনৰ প্ৰথমে বিৰোধীতা কৰিছে এই বিভাগৰ কৰ্মচাৰী সকলে। এয়েই হ'ল আমাৰ সমবায় আন্দোলনৰ শিক্ষা আৰু এই শিক্ষাৰেই আমাৰ সমবায় বিভাগ আন্দোলনৰ পথত আগবাঢ়িব আহিছে। আমাৰ ভাৰতবৰ্ষত পোন প্ৰথমে সমবায় সমিতি জন্ম দিয়ে বৃটিচ সকলে। সেই সময়তো কিছুমান গাৱলীয়া বেংক আছিল আৰু চচাইটি আছিল। এই চচাইটি বোৰৰ যোগেদিয়ে সাধাৰণ ভাবে ৰাইজক সকাহ দিয়াৰ কাৰণে সমবায় অনুষ্ঠান পাতিছিল যিবোৰ গাৱলীয়া বেঙ্ক লিফট্, সমিতি, মাটি বন্ধকী সমিতি গঠন কৰিছিল সেই বোৰৰ আলম

লৈ এক শ্ৰেণীৰ লোকে টকাৰ ধাৰ দেখুৱাই ঠগিবলৈ আৰম্ভ কৰি বহু লোকৰ মাটি সম্পত্তি নোহোৱা কৰাৰ বিষয় জানো। যা হওক, তাৰ পিচত আমাৰ দেশ স্বাধীন হ'ল। স্বাধীনতাৰ পিচত এই পৰ্য্যায় শেষ হ'ল। ইয়াৰ পিচত আৰম্ভ হ'ল আমাৰ সমাজ বাদী সমাজৰ আদৰ্শ লৈ সমবায় আন্দোলন আৰম্ভ হয়। সমবায় আন্দোলনৰ আদৰ্শতে আমাৰ ইয়াত পোন প্ৰথমে কিছুমান মাৰ্কেটিং চচাইটিৰ সৃষ্টি হ'ল। তাৰ পিচত আহিল সমবায় সমিতি। যি সকলে যেতিয়াই যিটো অৰ্থ নৈতিক দিশত আৰু সামাজিক দিশত উন্নয়ণৰ বাবে কৰিব সেই সকলৰ মাজত এখন সমবায় সমিতি কৰাৰ ব্যৱস্থা আছে। সেইহিচাবে যি সকলে মীন ব্যৱসায় কৰে বা মাছৰ ব্যৱসায় কৰে তেওঁলোকে মাছমৰীয়া সমবায় সমিতি, বোৱনী সকলে উইভিং সমবায় সমিতি কৰিলে, তেনেকুৱাকৈ ইণ্ডা-ষ্ট্ৰিয়েলিষ্ট সকলে ইণ্ডাষ্ট্ৰিয়েল সমবায় সমিতি কৰিলে। বিভিন্ন ঠাইত এই সমবায় সমিতি সমূহ গঠন কৰাৰ কাৰণে প্ৰচেষ্টা আৰম্ভ হ'ল চৰকাৰেও সেই সমবায় সমিতি সমূহত চয়াৰ কেপিটেল হিচাবে অংশৰ অনুপাতে মূলধন দি থকাৰ ব্যৱস্থা আইনত আছে আৰু তাৰ অংশ চৰকাৰেও লয়। কিন্তু মাজতে চৰকাৰ সলনি হৈ থকাত নতুন ব্যৱস্থা লৈ থকাত এই সমবায় বিলাক মাধমাৰ খাবলগীয়া হৈছে। এতিয়া সাধু কথাৰ নিচিনা কথা এটা কব খুজিছো—এবাৰ এজন মন্ত্ৰীয়ে সমবায় বিলাকক ধান কিনাৰ কাৰণে একচেতীয়া ক্ষমতা দিলে। তেতিয়া গোটেই অসমত ইমূৰৰ পৰা সিমূৰলৈ মাৰ্কেটিং চোচাইটিয়ে সকলো বোৰ ধান কিনিলে। তাৰ পাচত মন্ত্ৰী সলনি হ'ল আৰু ক'লে যে এইটো ঠিক নহল। বহুত আপত্তিৰ পাচত কিছু ধান সমবায়ে কিনিলে আৰু কিছু ধান মিলে কিনিলে। গতিকে মিলৰ ব্যৱসায় সুন্দৰ ভাবে চলিল মিলৰ আগত সমবায় তিষ্ঠে কেনেকৈ। মিলৰ মালিক সকলেও ধান কিনিবলৈ ধৰিলে। মিল মালিকৰ লগত সমবায় সমূহ সংঘৰ্ষত উপনীত হব লগা হ'লত সমবায় সমূহ উফৰি গ'ল। এতিয়া সমবায় বিলাকত যিবিলাক টকা মাৰ্কেটিং চোচাইটি হোৱাৰ পাচত, কৃষি সমবায় সমিতি হোৱাৰ পাছত যিবিলাক টকা আমি দিছিলো সেইবিলাক টকা মাৰা যায়। ইয়াত চৰকাৰৰ যি নীতিৰ পৰিবৰ্ত্তন সেই নীতিৰ পৰিবৰ্ত্তনে সমবায় বিলাকক বহুত সময়ত বিপদগ্ৰস্ত কৰি তোলে। তাৰ পাচত

চৰকাৰে এই গাওঁ অঞ্চলত গাওঁ পঞ্চায়ত সমবায় সমিতি প্ৰতিষ্ঠা কৰিলে আগৰ কৃষি সমবায় সমিতি প্ৰতিষ্ঠা কৰাৰ দৰে। কথা হ'ল এই সমবায় সমিতি বিলাক লিকুইদেচনত দিয়াৰ ব্যৱস্থা আছে। লিকুইদেচনত দিওতে কিমান বছৰ লাগে ঠিক নাই। যি সকল লোকে অংশ লৈছিল সেই অংশ ক'ত থাকি যায় সেই সকল লোকে গমেই নাপায়। সেই অংশৰ টকা মানুহে বুঢ়ালৈকে বিচাৰি থাকে—মই অমুক সমবায়ত চেয়াৰ লৈছিলো সেই টকাখিনি নাপালো। তেতিয়া যিয়ে চেক্ৰেটাৰী বা চেয়াৰমেন আছিল, যিয়ে সেই টকা লৈছিল তেওঁলোকৰ এটা বদনাম হয়। চৰকাৰে যেতিয়া এই নীতিৰ পৰিবৰ্ত্তন কৰিব লগা হয় তেতিয়া কিন্তু এই চৰকাৰী নিয়ম কানুন বিলাকৰ বদলি নহয়। নীতি পৰিবৰ্ত্তন হোৱাৰ লগে লগে সেই অংশ বিলাকো ততাতয়াকৈ দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইটো ততাতয়াকৈ ব্যৱস্থা নকৰি তেনেধৰণে কৰাৰ কাৰণে দেৰী হৈছে। অফিচত ফাইলৰ দম হৈ থকাৰ বাহিৰে আৰু অন্য একো নাই। এই গাওঁ পঞ্চায়ত সমবায় সমিতিবিলাক প্ৰথমতে ভালেই চলিল। সেই সময়ত আমাৰ মাননীয় প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীশৰৎ সিংহ দেবেও কৈছিল তুই এখন সমবায়ত কেনচাৰ আৰম্ভ হ'ল। এই গাওঁ পঞ্চায়ত সমবায় সমিতি বিলাকত প্ৰতিটো পৰিয়ালেই একোটাকৈ অংশ লৈছে। চৰকাৰে এনেকুৱা ব্যৱস্থা কৰিলে যে সমবায়ত যদি কোনোবাই চেয়াৰ নলয় তেনেহলে তেওঁলোকক চেনী, চাউল আদি অত্যাৱশ্যকীয় সমাগ্ৰী সমূহ নিদিয়ে। মানুহে একেলগে দিব নোৱাৰে কাৰণে প্ৰতি মাহত একেলগে ১ টকাকৈ দিয়া আৰম্ভ কৰিলে। এই ১ টকাকৈ দিওতে ১০ টকা পূৰা হ'ল। প্ৰতিটো পৰিয়ালেই এই গাওঁ পঞ্চায়ত সমবায় সমিতি বিলাকৰ অংশীদাৰ। অসমত গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহত যিমান সদস্য সংখ্যা আন কোনো ৰাজ্যতেই সিমান নাই। এই গাওঁপঞ্চায়ত সমূহ যদি মৃত্যুমুখত পৰে তেতিয়া সমবায় সমিতি সমূহৰ কি অৱস্থা হব আৰু ভৱিষ্যতে কি কৰা হব সেইটো চিন্তা কৰিয়ে সুপথে চৰকাৰ আন্দোলনত লাগি গ'ল। এটা আন্দোলন শেষ—আন এটা আন্দোলনত লাগি গ'ল। গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহত বহুতো নষ্ট হ'ল, ৰেজিষ্টাৰাৰ হিচাপে খনিন্দ্ৰ বৰুৱা

থাকোতে দূর্নীতি বৰা বহু সমবায় বিষয়া নিলম্বিত কৰিবলৈ লোৱাত সমবায় সমূহৰ পৰা বিষয়াৰ দূর্নীতি কিছু আতৰিছিল। বৰ্ত্তমান অডিতৰ বিলাকে একোখন খালিবেগ বা চুপাৰভাইজাৰ বিলাকে খালিবেগ লৈ অফিচলৈ যায় আৰু আহোতে বেগটো ভৰাই চেনী আদি বস্তু লৈ আহে। তেওঁলোকে যেন বজাৰ কৰিহে আহিছে। যদি এনেধৰণে চলি থাকে সমবায় কেনেকৈ টিকিব।

মাননীয় উপাধ্যক্ষ মহোদয়, এইদৰে গাওঁ পঞ্চায়ত সমবায় সমিতিৰ এই কৰ্মী সকলক ৩০০ টকা কৰি দৰমহা দিয়াৰ ব্যৱস্থা কৰিছে। যি কি নহওক, এই ৩০০ টকাৰে তেওঁলোকে ধৈৰ্য্য ধৰি কোনোবাই স্কুটাৰ কিনিছে, কোনোবাই ঘৰ সাজিছে, কিন্তু দৰমহা ৩০০ শ টকা হৈয়ে থাকিল। এনেভাবে এই সমিতি সমূহৰ মূলধন নাইকিয়া হৈ পৰিল। চৰকাৰে বছৰত এটা বুজন পৰিমানৰ অংশ চাবচিদি হিচাবে দিব লাগে, চেক্রেটৰি বিষয়া বৰ্গই তাক চলাই থাকে। অন্য এটা অসুবিধা হৈছে সমবায় সমিতিৰ বিলাক এজেণ্ট আছে সেইবিলাকে সমবায়ৰ পৰা বস্তু নিয়ে আৰু এজেণ্ট সকলৰ পৰা আগধন হিচাপে টকালৈ তাৰে যি বয় বস্তু কিনিব লাগে কিনে। কিন্তু এজেণ্টৰ পৰা এনেভাবে আগ ধৰি টকা সংগ্ৰহ কৰাৰ ব্যৱস্থা আৰম্ভ কৰিছে। গতিকে কেচ বুক ঠিক থাকে। এইদৰে আমাৰ সমবায় সমিতি সমূহৰ লালবাতি জ্বলিছে। প্ৰায় ঠাইতে এনেবিলাক দূৰীকৰণ কৰিব লাগে। আমাৰ মাননীয় মন্ত্ৰী মহোদয়কো মই মাজে মাজে এই কথা কৈ আছো। আমাৰ সমবায়ৰ মন্ত্ৰী মহোদয় যোগান বিভাগৰো মন্ত্ৰী। আগতে যোগান বিভাগে সমবায় বিভাগক সতিনীৰ দৰে বেয়া চকুৰে চাইছিল। সমবায় বুলিলে ফাইল দলিয়াই দিয়ে। এনেকুৱা ধৰণৰ বিভিন্ন অনুষ্ঠান আছে। এই অনুষ্ঠান বিলাকে সমবায়ক বেয়া চকুৰে চায়। আগতেও চাই আছিল, এতিয়াও চাই আছে। সমবায় সমিতি বিলাকে ভাল কাম কৰিব বিচাৰে কিন্তু কৰিব নোৱাৰে।

উপাধ্যক্ষ মহোদয়, এইখিনিতে মই বিভাগীয় দূৰ্নীতিৰ বিষয়ে দুআষাৰ কওঁ। যিবিলাক মোৰ ব্যক্তিগত ক্ষেত্ৰত হ'ল। এখন মাকেটিং চচাইটিয়ে ১ লাখ ৭৩ হাজাৰ টকা পাবৰ কাৰণে তেতিয়াৰ এপেক্স মাকেটিং চছাই-

টিৰ পৰা পাবলৈ এটা দাবী জনাই তালাচি মকৰ্দমা আৰম্ভ কৰে ১৯৬২ চনতে। বহুতো মন্ত্ৰীক লগ কৰা হ'ল, চেক্ৰেটৰিক লগ কৰা হল কিন্তু মীমাংসা নহল। ইয়াত কিবা এটা ৰহস্য নেথাকিলে মীমাংসা নোহোৱাকৈ নাথাকে। গাৱত থকা সৰু মাৰ্কেটিং চচাইটি এখনে যদি ইমান বোৰ টকাৰ পৰা বঞ্চিত হৈ থাকিব লগা হয় তেতিয়া হলে, সমিতি এখন জীয়াই থাকিব পাৰিবনে? ইয়াৰ ফলত ১৯৭০ চনৰ পৰা কাম কৰিব পৰা নাই। সমবায় সমিতি বিলাকৰ কিয় এনে অৱস্থা হৈছে ইয়াৰ বিচাৰ চৰকাৰে কিয় নকৰে। ৰেজিষ্টাৰ, দেপুটি ৰেজিষ্টাৰ, জেনেৰেল ৰেজিষ্টাৰ আদি কোনেও একো ব্যৱস্থা নললে। এনে ধৰণৰ এই এপেক্স মাৰ্কেটিং চচাইটি সমূহৰ অসমৰ বিভিন্ন ঠাইত বহু টকাৰ দেনা আছে। দেনা থকাৰ কাৰণে বোধকৰো নাম সলাইছে। এপেক্স মাৰ্কেটিং চচাইটিয়ে নাম সলাই ষ্টেট ফেদ কৰিছে আৰু ব্যক্তিগত অংশ বিলাক অংশীদাৰ সকলক ঘূৰাই লোৱাৰ বাবে কৈছে। এই এপেক্স মাৰ্কেটিং চচাইটি সমূহৰ বহু লক্ষ টকা নাশ কৰিলে। এই বিষয়ে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে চিন্তা কৰি চাবনে? এই সম্পৰ্কত মন্ত্ৰী মহোদয়ক এখন দৰ্খাস্তও দিছো আৰু মন্ত্ৰী মহোদয়ে ৰেজিষ্টাৰলৈ লিখিছে তাৰো উত্তৰ আজিলৈকে মই নেপালো। বাধ্য হৈ সদনত কবলগীয়া হৈছে। যেতিয়ালৈকে এই ৰেমাৰটো মুগুচায়, মকৰ্দমা শেষ নকৰে তেতিয়ালৈকে বুজিম যে, সমবায় বিভাগে কাম নকৰে। কাৰো মীমাংসা নকৰে। আজি সমবায়ৰ কথা কোনেও চিন্তা নকৰে।

উপাধ্যক্ষ মহোদয়, স্বৰ্গীয় বিমলা প্ৰসাদ চলিহাৰ দিনতে এটা প্ৰস্তাৱ আছিল যে প্ৰতি সমবায়ে খেতিয়কৰ মংগলৰ কাৰণে মোনে প্ৰতি আঠ অনাকৈ জমা ৰখাৰ ব্যৱস্থা কৰিব। তাৰোপৰি পাচবুক দিয়াৰ ব্যৱস্থা হ'ল। সেই আঠ অনাটো মাৰ্কেটিং চচাইট সমূহে কৃষি সহায়ক সমিতি সমূহত জমা কৰিছে। জমা দিয়া টকা আজিকোপটি পোৱা নাই, ষ্টেটফেদত সোমাই থাকিল। চেণ্ট্ৰেল বেংকত কিছু টকা সোমালে এই টকা খেতিয়ক সকলে ফিৰাই নাপালে। এই ব্যৱস্থা এতিয়াও চলি আছে। এনেভাবেই চৰকাৰে নিৰ্দেশ দিয়ে আৰু নিজে নিজে নাকচ কৰি পেলায়। মীমাংসা নকৰে। ৰেজিষ্টাৰ সকলে কয় যে, সেইসকল প্ৰকৃত খেতিয়ক নহয়। এনেধৰণৰ যুক্তিৰ

অৱতাৰণা হয়। এনেদৰে সমবায় কিছুমানে বাইজক ভুৱা দিয়ে। এতিয়া ভুৱা মানেই সমবায় হৈছে। এনেকুৱা চচাইটি টাউনবিলাকতো আছে। গিৰিয়েক সভাপতি, ঘৈনীয়েকও চেক্ৰেটৰি আৰু ল'ৰা ছোৱালী বিলাক মেম্বাৰ হৈ চচাইটি কৰে। ৰিবেট পায় আৰু কিছুমান ৰচিদ বহী ছপা কৰি লয়। পাচ অনাৰ পৰা তিনি অনালৈকে ৰিবেট পায়। এইদৰেই একোটা পৰিয়ালে বছেৰেকত ২০।২৫ হাজাৰ টকা জাল কৰি খালাচ কৰে সমবায় সমিতি বিলাকৰ পৰা আৰু চলি আছে। এতিয়া সেই ৰিবেট চলি আছেনে নাই আৰু পৰিয়াল বিলাক চলি আছেনে নাই নাজানো। এনেকুৱা ধৰণে সমবায় সমিতি বিলাক দূৰ্নীতিত জৰ্জ্জৰিত হৈছে। গতিকে এই যে, আমাৰ চেনিকল, সূতা কল বা জুট মিল আদি হৈছে সেইবোৰো দেখা গৈছে যে সমবায় বিলাক আৰম্ভনী নৌ হওতেই কাৰ্য্যকৰী নকৰোতেই টকা খোৱা আৰম্ভ কৰিছে।

গতিকে এইটো এটা পৰিকল্পনা যে টকা খাবলৈকে সমবায় কৰাৰ ব্যৱস্থা কৰা হয়। সমবায় বিলাকৰ অদিটৰ কথা আছে। বছৰ শেষ হৈ গলেও সেইবিলাকৰ অদিট নকৰে। আমি জনাত এখন চোচাইটিৰ যোৱা বাৰ বছৰ ধৰি অদিট হোৱা নাই। ৰেজিষ্টাৰ, এচিচটেণ্ট ৰেজিষ্টাৰে নটিচ কৰিও অদিট কৰাব পৰা নাই। অদিট কৰাবলৈকো টকা লাগে, নহলে ভূল ধৰে।

অধ্যক্ষ মহোদয়, ষ্টেটফেদৰ ক্ষেত্ৰত আমি দেখিছোঁ বিৰাট বিৰাট ঘৰ-আদিৰে অনুষ্ঠানটো জাকত জিলিকা হৈ আছে। এইখন গুৰিৰে পৰা অৰ্থাৎ ১৯৫৬ চনৰে পৰা চলিছে কিন্তু যেতিয়া ধানৰ ব্যৱসায়ত লাগি গ'ল বস্তাৰ হিচাবৰ যি গোলমাল আজি পৰ্য্যন্ত আৰু কেৰোণ গুচা নাই। আমি এটা খবৰ পাইছোঁ যে ৰেপচিদৰ কাৰণে ১ কোটি টকা ষ্টেটফেদে অগ্ৰিম দিছিল, তাৰে ৮০ লাখ টকাৰ হেনো ৰেপচিদ পাইছে, বাকী খিনি টকা কি হ'ল? সিদিনা আমাৰ সদনত ওলাইছে মচুৰ দাইলৰ কাৰণে হেনো স্কটলেণ্ড আৰু জেনেভালৈ গৈছিল। এনেকুৱাকৈ যদি উপাধ্যক্ষ মহোদয় চলি থাকে, তেন্তে মন্ত্ৰী মহোদয় আজি

সজাগ হব লগা হল। ষ্টেটফেদক চৰকাৰে ১০ কোটি টকা দিবলৈ বাকী আছে। এখন সমবায় অনুষ্ঠানে চৰকাৰৰ ঘৰৰ পৰা যদি ১০ কোটি টকা পাব লগীয়া থাকে সমিটি এখন জীয়াই থকা সম্ভব জানো। সেই খিনি কেতিয়া পাব আৰু কেনে ভাবে পাব আৰু কেনেকৈ অনুষ্ঠানটি চলিব। যিটো সময়ত ষ্টেটফেদে চৰকাৰক ভগনীয়া সকলক ঘৰ আদিৰ টিন পাতকে আদি কৰি বিভিন্ন খৰছ পাতি দি সকলো ক্ষেত্ৰতে সহায় কৰিলে তাৰ পিচতো যদি এই টকা নেপায় তেন্তে অধ্যক্ষ মহোদয়, সমবায় কেনেকৈ চলিব? সিদিনা মন্ত্ৰী মহোদয়ে হিচাবটো ঠিক কৈ দিব পৰা নাছিল। ১০ কোটি হয় নে কম হয় মই বাতৰি কাকতৰ বাতৰিৰ ওপৰত নিৰ্ভৰ কৰি এই হিচাবটো কৈছো।

মীন বিভাগৰ যি সকল সদস্য, যি সকল মাছ মৰীয়া লোকে সমবায় পাতি লৈছে, তাৰ সভাপতি আৰু চেক্ৰেটৰী কোনো বা ঠিকাদাৰ বা ধনী ব্যৱসায়ী। এইবোৰ তন্ন-তন্নকৈ চাব লাগিব।

গড়কাপ্তানি বিভাগতে শ্ৰমিক বাহিনীৰ ক্ষেত্ৰত বৰ বেয়া ব্যৱসায় চলি আছে। ঠিকাদাৰে অ'ৰ-তৰ সস্তীয়া মানুহ বোৰ লগাই কাম উঠাই, কিন্তু শ্ৰমিক বাহিনীৰ নাম দি যি সকল শ্ৰমিকৰ নামত শ্ৰমিক বাহিনী গঠন কৰে তেওঁলোকক হলে নলগাই। আগৰ মানুহখিনিকেই কামত লগায় এই নাম দিয়া হৈছে। এইবোৰ ব্যৱস্থা প্ৰবৰ্ত্তন কৰি চৰকাৰ জীয়াই থকাৰ কাৰণে অঙহী বঙহীক ৰাখি থোৱা হৈছে। সমবায়ক প্ৰত্যেক লোকেই সমৰ্থন কৰে। গাওঁ সমূহত ৰাইজ একগোট হৈ যাবতীয় কামবোৰ কৰাৰ উপৰিও নানা উৎসৱ পালন কৰে, কিন্তু কথা হ'ল এইবোৰ পঞ্জিভুক্ত নহয়। পঞ্জিভুক্ত হলেই বিপদ। সমবায় সমিতিবিলাক নিৰ্দ্ধাৰণ কৰি কেনেভাৱে সেইবিলাক জীয়াই ৰাখিব লাগে সেই কথা চিন্তা কৰিব লাগে। বিশেষকৈ গাওঁ পঞ্চায়ত চোচাইটি বিলাকৰ কৰ্মচাৰী সকলৰ কোনো ভৱিষ্যত নাই, বিভাগৰ পৰা জুনিয়ৰ ইন্সপেক্টৰ চিলেক্ট কৰে। যিবোৰ সমবায় সমিতিয়ে ভাল কাম কৰে তাৰ প্ৰমাণ লৈ তাৰ পৰা তেওঁলোকক আনিব লাগে, কিন্তু সেইটো কৰা দেখা নাযায়। এই ক্ষেত্ৰত পৰীক্ষা পাতি চিলেক্ট কৰে, কিন্তু উপাধ্যক্ষ মহোদয়, এইটো

কেনে ভাবে হয় সেইটো আপুনি জানেই। সমবায়ৰ লগতে চেক্ৰেটেৰী বিলাকৰ ভৱিষ্যতৰ নিৰাপট্টা থাকিব লাগে। তেওঁলোকক বিভিন্ন বিভাগলৈ লৈ আহক, চাকৰি দিয়ক। সেই ধৰণেৰে সমবায় সমিতিবিলাক জীয়াই ৰখাৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰক। যিবিলাক সমবায় সচিতি লোকচান ভৰি ভৰি আছে সেইবিলাকত একোজন চুপাৰভাইজাৰ কৰি দিয়ক, তাৰ পিচতো যদি লোকচান ভৰে তেন্তে তেওঁলোকক দায়ী কৰিব লাগে। ৰৰ বংশৰ সমবায় সমিতিখনে ৮০ হেজাৰৰো অধিক টকা লোকচান ভৰি আছে। লোকচানৰ মূল কাৰণ বিচাৰি ব্যৱস্থা লব লাগে। এইবিলাক আঁতৰ কৰিব লাগে।

এখন মাৰ্কেটিং চোচাইটিয়ে ৬০ হেজাৰ টকা চৰকাৰৰ পৰা পাইছে আৰু এক লাখ টকা নিজাকৈ খৰচ কৰি ধানকল বহুৱাইছে। আজি চাৰি বছৰে চৰকাৰৰ পৰা লাইচেঞ্চ নেপালে। মন্ত্ৰী মহোদয়ক লাইচেঞ্চৰ বিষয়ে কলে কয় যে লাইচেঞ্চ দিয়া বন্ধ হৈ আছে। ৰেজিষ্টাৰে লিখি আছে। তথাপি সমবায় মন্ত্ৰীয়েই যেতিয়া যোগান মন্ত্ৰী তেখেতে কামটো নকৰিলে উপায় নাই। আমাৰ কৰবাৰ গাওঁ পঞ্চায়ত সমিতিখনে এডাল্ট এজুকেশ্যনৰ কাৰণে মাহিলি আঢ়ৈ শ টকা বেটন দি শিক্ষক নিযুক্তি দিয়াৰ উপৰিও স্কুলৰ সাজ সৰঞ্জাম আদি কিতাপ চিলেট সহ দি এখন স্কুল পাতিছে, লাভৰ ভিতৰতে চলাই আহিছে। গতিকে মই মন্ত্ৰী মহোদয়ক সমবায় সমিতিবিলাক ভালকৈ নিৰিক্ষণ কৰিবলৈ অনুৰোধ জনাইছো। আৰু এটা কথা, সেইটো হৈছে লিকুইদেচনৰ কথা। এইটো সোনকালে সম্পূৰ্ণ হব লাগে। এইবোৰ সমাপ্ত নকৰি যদি এৰাই থাকিব খোজা হৈছে সেই ব্যৱস্থা বন্ধ কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, এবাৰ যদি আপোনাৰো এখন সমবায়ৰ চেক্ৰেটেৰী হোৱাৰ সৌভাগ্য ঘটে তেতিয়াহলে দেখিব সি আৰু লাগিয়েই গ'ল আপোনাৰ জীৱন্ত কালৰ শেষতো পৰিয়ালক লিকুইদেটৰে মাজে মাজে বিপদত পেলাই থাকিব। সমবায়ৰ এই লক্ষণটো আমি বন্ধ কৰিব লাগিব।

ইয়াৰ পিছত লিকুইডেচনৰ কথাটোৰ ওপৰত কওঁ যে, এইটো ততাতৈয়াকৈ লব লাগে যাতে তাৰ দ্বাৰা আমাৰ মানুহ বিলাক ক্ষতিগ্ৰস্ত

নহয়। তাৰোপৰি, উপাধ্যক্ষ মহোদয়, আমাৰ সমবায় সমূহক ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত কৰিব লাগে। অকল এখন বা দুখন সমবায়ৰ ক্ষেত্ৰতেই নহয়: ৰাজ্যখনৰ সকলো বিলাক সমবায় প্ৰতিষ্ঠানেই ৰাজনৈতিক প্ৰভাৱত আছে।

ৰেচম আৰু বয়নৰ ক্ষেত্ৰত টকা কমকৈ দিছে। নতুন যিবিলাক বোৱা কটা সমবায় কৰিছে এই বোৰত মহিলা সকলক যাতে অৰ্থনৈতিক ক্ষেত্ৰত আগুৱাই নিব পৰা যায় তাৰ কাৰণে অধিক টকাৰ ব্যৱস্থা কৰিব লাগিব। এই বিভাগৰ দ্বাৰা সূতা বেংকৰ কাৰণে ব্যৱস্থা কৰিলে তাৰ দ্বাৰা আমাৰ গাওঁ বিলাকৰ আৰ্থ সামাজিক উন্নতি হোৱাৰ ওপৰিও মহিলা সকলেও অলপ সকাহ পাব। প্ৰতিজনী মহিলাক যদি আমি সূতা উণ যোগান ধৰিব পাৰো, ৰাজ্যৰ চেহেৰা বদলি হব।

মাননীয় উপাধ্যক্ষ মহোদয় যি কোনো জাতৰেই নহওঁক কিয়, আমাৰ মহিলা সকলক আমি নিৰক্ষৰ বুলি কব নোৱাৰো এই অৰ্থতেই যে, তেওঁলোকে বোৱা কটা, ফুলবছা আদিত যি সুনিপুন কৌশলৰ পৰিচয় দিয়ে সি ভাল অংক জনা মানুহৰো বিস্ময়কৰ কথা। গতিকে এই মহিলা সকলৰ আশু উন্নতিৰ কাৰণে মহিলা সকলক লৈ বয়নৰ ক্ষেত্ৰত একো একোখন সমবায় সমিতি খোলাৰ কাৰণে চৰকাৰৰ ওচৰত আবেদন জনাইছো আৰু তাৰ লগে লগে মোৰ বক্তব্য সামৰণী মাৰিছো, এই কৰ্ত্তন প্ৰস্তাৱটো আগবঢ়াই।

* শ্ৰীহেমপ্ৰকাশ নাৰায়ণ—মাননীয় উপাধ্যক্ষ মহোদয়. সমবায় শিতানত মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনা দাবী মঞ্জুৰীৰ ওপৰত আমাৰ বিৰোধী দলৰ মাননীয় সদস্য সকলে অনা কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি আৰু এই দাবী মঞ্জুৰীৰ ওপৰত মোৰ সমৰ্থন জনাই তাৰ ওপৰতেই বক্তব্য ৰখাৰ চেষ্টা কৰিম।

মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৮০-১৯৮১ চনলৈকে চৰকাৰী হিচাব মতে সমবায় সমিতিৰ সংখ্যা হৈছে ৭,৩৫৬ খন। চৰকাৰৰ চেয়াৰ কেপিটেল হৈছে, ২৮ কোটি ৩২ লাখ টকা। সেইদৰেই নতুন কেপিটেলো

* Speech not corrected.

আছে। এইদয়ে প্ৰায় ২০০ কোটি টকা চৰকাৰৰ ফালৰ পৰা বিভিন্ন সমবায় সমিতি বিলাকক দিয়া হৈছে। আমাৰ দুখীয়া জনসাধাৰণৰ স্বাৰ্থৰ খাটিৰত এই দুশ কোটি টকা ইমান কম টকা বুলি কব নোৱাৰি। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছত চৰকাৰৰ ঘোষিত নীতিয়েই হৈছে এই সমবায়। ভাৰত বৰ্ষৰ লক্ষ্য হৈছে সমাজবাদ। এই লক্ষ্য অনুসৰিয়েই ব্যক্তিগত ব্যৱসায়ীৰ হাতৰ পৰা সকলো ব্যৱসায় বাণিজ্য আদি আনি সমবায় বা ৰাজহুৱা খণ্ডত এই বিলাক প্ৰতিষ্ঠা কৰি চৰকাৰৰ ঘোষণাত আগুৱাই নিবৰ কাৰণেই বোধকৰো সমবায়ৰ জন্ম।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত থকা এই সমবায় সমিতি বিলাকৰ লগত ৰাজ্যখনৰ প্ৰায় ৩২ লাখতকৈও অধিক লোক জড়িত হৈ আছে অংশীদাৰ হিচাবে। এই ৩২ লাখ লোক মানে ৩২ লাখ পৰিয়াল। কিন্তু এই সমবায় প্ৰকৃতাৰ্থত আন্দোলন নহৈ এক আস্ফালনতহে পৰিণত হৈছেগৈ। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনৰ বেছি ভাগ লোকেই দাৰিদ্ৰতাৰ সীমা ৰেখাৰ তলত বাস কৰি আছে। সমবায়ৰ লগত জড়িত লোক সকলৰ ভিতৰত কেইজন মানৰ বাহিৰে বাকী সকলো বিলাকেই একো আওভাও নোপোৱা নিৰক্ষৰ লোক। আমি কেৱল সমবায় বিভাগৰ বিষয়া সকলকেই দুৰ্নীতি পৰায়ণ বুলি কব খোজা নাই। সমবায়ৰ অংশীদাৰ হৈ থকা যি কেইজন মানুহ শিক্ষা দীক্ষাত অলপ আগবঢ়া সেই সকলো পূৰামাত্ৰই দূৰ্নীতিত লিপ্ত হৈ থাকে। এওঁলোকৰ দুৰ্নীতি পৰায়ণ দৃষ্টিভঙ্গীৰ কাৰণেই সমবায় আজি ইমান পিছপৰা। সেইকাৰণেই মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে, ৰাজ্যখনৰ আৰ্থ সামাজিক উন্নয়নৰ কাৰণে যাতে এক শ্ৰেণীৰ অসৎ লোকে এই সমবায় আন্দোলনটোক বিভিন্ন আইন কানুনৰ আশ্ৰয় লৈ মূল লক্ষ্যৰ পৰা আতৰাই নিব নোৱাৰে তাৰ কাৰণে বাস্তৱ কাৰ্য্যপন্থা গ্ৰহণ কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, এই প্ৰসঙ্গতে মই গোলাঘাটৰ এখন মীন সমবায়ৰ কথা উল্লেখ কৰিব খুজিছো। এই সমবায় সমিতি খনৰ পৰিচালনাই এচাম অসৎ লোকৰ সহযোগত, এই অসৎ লোকৰ ভিতৰত সংলিষ্ট বিভগৰ এচাম বিষয়াও আছে, তাৰ যি সকল খিলঞ্জীয়া অনুসূচীত জাতিৰ লোক, মাছমৰীয়া লোক সেই সকলক বঞ্চিত কৰি আহিছে তেওঁলোকৰ প্ৰাপ্য খিনিৰ

পৰাও। মোৰ বিধায়ক জীৱনৰ এবছৰৰ অভিজ্ঞতাৰে তাৰ খিলঞ্জীয়া অংশীদাৰ সকলক বাদ দি তেওঁৰ অনুগত লোক সকলৰ সহযোগত আৰু বিভাগীয় কৰ্মচাৰীৰ সহযোগত চেক্ৰেটেৰী জনে প্ৰকৃত মাছমৰীয়া অংশীদাৰ সকলক বঞ্চিত কৰি আহিছে। অকল এখন সমবায় সমিতিৰ ক্ষেত্ৰতেই এইটো হোৱা নাই, প্ৰায় বিলাক সমবায় সমিতিৰ ক্ষেত্ৰতেই এইটো হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, এই সমবায় সমিতি সমূহত কোন সকলে মানুহে বিৰোধিতা কৰি বাধাদান কৰিছে তাক দাঙি ধৰিছো। আমাৰ এচ, চি, এচ, চি, সকলৰ মাজত এখন কমিটি পাতি দিছে। ভাত দেৰশ মান পৰিয়ালৰ মানুহ আছে। যিখিনিয়ে কমিটি পাতিছে সেইখিনি বেলেগ মানুহ। যিখিনি বেলেগ মানুহে কমিটি গঠন কৰিছে সেই কমিটি-খনে যোৱা বছৰ সেই বিলখন দিবৰ কাৰণে চৰকাৰক আবেদন কৰিছিল। সেইখন ভাঙি দিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। কিছুমান ধনী মানুহে ব্যক্তিগত ভাবে সকলো ঠাইতে ঠিকাদাৰী কৰি আছে। ইয়াত বিহাৰৰ পৰা বিহাৰী মাছ মৰীয়া মানুহ আনিছে। সেই মাছ মৰীয়া সকলৰ পৰা লাভ কৰিছে। সেই সমবায় সমিতি সমূহক দোষী কৰিলে নহব। আমিও ইয়াৰ লগত জৰিত আছো। আমি কোন সকল জৰিত আছো উদাহৰণ দি গলো। মন্ত্ৰী মহোদয়ে কৈছে যে সমবায় সমিতি সমূহে উন্নতি কৰিব নোৱাৰা হল। ষ্টেটফেদ কো-অপাৰেটিভ চ'চাইটি আছে, দিষ্ট্ৰিক কো-অপাৰেটিভ চ'চাইটি আছে, বহুতো বিষয়া আছে, এইবিলাকক মাজে মাজে চেমিনাৰ পাতি সমবায়ৰ শিক্ষা দিব লাগে। কিন্তু শিক্ষা দিব পৰা নাই। যিসকল সমবায় সমিতিৰ অংশীদাৰ তেওঁ-লোকক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছেনে? মই কওঁ শিক্ষা দিয়া দূৰৰ কথা এই দুৰ্নীতিত সেইসকল সমবায় সমিতিখনৰ অংশীদাৰ। কাৰোবাৰ হৈ হৈ কোনোবাই সেই কমিতিত কোনোবাৰ নামত লাভ কৰি থাকে। পিচদিনাই তেওঁলোক আতৰি যায় আৰু কেইজনমানে সমস্ত টকা পইচা লাভ কৰে। গোলাঘাটত এখন সমবায় সমিতি আছে। সেই সমবায় সমিতিৰ নামত ইয়াৰ পৰা সব পইচা মানুহ হিচাবে যায়। কিন্তু সেইখন ৰেজিষ্ট্ৰাৰ নহয়। তাত যি কেইজন দালাল আছে তেওঁলোকে সমস্ত টকা পইচা খৰছ কৰি ৰেজিষ্ট্ৰাৰ কৰিছে। সেই কাৰণে তেওঁলোকৰ ভাল ৰিপোৰ্ট

আছে। বিভাগেও ভাল ৰিপোৰ্ট দিয়ে। চেক্রেটাৰী দণ্ড হাজৰিকাই ফিচাৰিত ৫৫ হেজাৰ টকাৰ বিল দিছে। এই বিলত মাছ মাৰিবলৈ তেওঁ বিহাৰৰ পৰা মানুহ মাতি আনে। বিহাৰীজনে মাছ মাৰি তেখেতক লাভাংশ দি আছে। প্ৰতি বছৰে কিমান লাভ হৈছে মন্ত্ৰী মহোদয়ৰ হাতত নিশ্চয় আছে। এইখিনি কথা প্ৰকাশ্য কৰি দিয়াৰ পিচতো কিবা পৰামৰ্শ দিয়াৰ কিবা থাকিব পাৰে নে ? সেই কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো তেখেতে সমবায় বিভাগৰ সমবায় আন্দোলনত জনসাধাৰণৰ স্বাৰ্থ আনিবৰ কাৰণে, জনসাধাৰণৰ অৰ্থনীতিত কিছু সহায় কৰিবৰ কাৰণে চেষ্টা কৰিব লাগে। দেশৰ ঘোষিত নীতিত সাধাৰণ ৰাজনৈতিক, গণতান্ত্ৰিক সমবায় গঢ়ি যোৱাত ৰাজহ খণ্ডত উদ্যোগ স্থাপন হৈছে। সেইবিলাক বন্ধ হৈ গৈছে। কিন্তু ব্যক্তিগত মালিকৰ একে সময়তে চলি আছে। আমাৰ বিলাক বন্ধহে হৈছে চলাবলৈ সাহস নাই। সেইটোত আমি লজ্জাবোধ কৰিছো। আজি ষ্টেডফেদত বনস্পতি কৰিছে। ভাল হৈছে। আজি সমবায় খণ্ডত আন্দোলনৰ কাৰণে কেচা মালৰ অভাবত কোনো উদ্যোগ হব নোৱাৰে। সেই কাৰণে আনে কৰিছে। সমবায় খণ্ডত যি বন্ধ হৈ যাব ধৰিছে ইয়াত বহুত খিনি শিল্প আছে। আমি শিল্পৰ প্ৰস্তাৱ কৰাৰ আগতে বন্ধ হৈ যাব ধৰিছে। এইবিলাক সোনকালে মন্ত্ৰী মহোদয়ে পৰীক্ষা নীৰিক্ষা কৰি অফিচাৰ সকলৰ ওপৰত, বিষয়া সকলৰ ওপৰত নিকায়ৰ ব্যৱস্থা কৰি সমবায় খণ্ড যাতে আগ বাঢ়ি যায় তাৰ কাৰণে অনুৰোধ কৰিছো। অসম চৰকাৰে যেন অৰ্থ-নৈতিক দিশত এইখিনি কথা বুজিবলৈ চেষ্টা কৰি চায় আৰু তেতিয়াহে সমবায় আন্দোলনত সক্ষম হব পাৰিব। উপাধ্যক্ষ মহোদয়, মই আৰু বিশেষ নকওঁ, আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ক সমবায় প্ৰক্ৰিয়া শক্তিশালী কৰিবৰ কাৰণে কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

Shri Silvius Condpan—Mr. Deputy Speaker, Sir. I would like to extend my support to the Demand for Grant moved by the Minister in-charge of Co-operation for

the administrtion of Co-operation and oppose the Cut Motion tabled by my friends in the Opposition. I would simply like to make a few suggestions. Sir, you know that the Co-operative Movement has lost its popularity among the masses from its inception to this day. Why ? Because except a very few Co-operative institutions almost all the institutions in the Co-operative sector have failed to come to the expectation of the people. There must be very many good reasons Sir. And, that is why it will be necessary to go into the present Co-operative structure in the State and to examine whether the present system that is in existence is suitable for the present socio-economic-conditions of the society or not. Sir, the Hon'ble Minister-in-charge of Co-operation is more experienced than myself and, I am sure, he will definitely use his good office and to see that what are the reasons for which the present Co-operative structure in the State is failing to serve the desired objectives for which it was set up. It is my humble submission to the Hon'ble Minister to look into this aspect. Sir. if the Govt. think it necessary, a High-powered-committee may be set up to go into the failure of the Co-operative movements in the State and to find out its solution. Then Sir, my second suggestion is that Co-operative movement has not been popularly motivated and because of that people are not responding to its real application. Moreover, Sir, we have noticed in almost all the Co-

operative structures a vicious circle is working in order to exploit the shareholders. Sir, this is working right from the grass-root-levels to the Higher levels and as a result of that shareholders and other beneficiaries get frustrated. So, Sir my submission is that adequate steps should be taken to safeguard the interests of the shareholders and beneficiaries. Motivative movement aspect for the success of the Co-operative movement in the State. In this respect my humble suggestion is that there should be a frequent seminar or training programmes where among other things Govt. should introduce motivation programmes also for inducing our people about its utilities. I am sure, Sir, if the Govt. sincerely adopts this measure, much difficulties will be removed. Sir, I am now citing an instance about the performance of one Co-operative sector industry in my constituency. This is known as North Assam Agro Industries Co-operative Societies Ltd. where huge sums have been spent but without any achievement. Sir, you will be surprised to know that this industry has come to a closure and its workers have been retrenched. Hon'ble Chief Minister has recently declared open a Co-opertive sector Vanaspati-Plant and this plant requires raw-materials of different types. Mr. Speaker, Sir, this industry wnich was set up could have supplied raw-materials to this Vanaspati Plant to a great extent. Sir, I do not understand why this Agro-based industry is closed. There is another Co-operative Society which is running very well at Rowta. This is one

of the successful Co-operative Societies but the Agro-based Co-operative society which is also situated very near to Rowta Co-operative society is closed because of its bad performance. Sir, Govt. have spent lot of money to the society. Therefore, Sir, my humble submission to the Hon'ble Minister is to look into the affairs of the Agro-based industry and to see that this society is started soon. As regards 'Rowta Co-operative society', I would like to inform the Hon'ble Minister that though the society is running well but it has got a dark side also. I have come to know the shareholders that they do not know anything about this loss and profits of the society. There is and allegation that it is a one man show. It is stated by the shareholders that the entires affair of the society is at the hand of one person and he is appropriating the benefits by himself. Therefore, Sir, I would like to request the Hon'ble Minister to go into the affairs of the society and to see that the interests of the shareholders are not jeopardised. It is said that this is a 'Nam-kosthe' cooperative society and it is a society of 'one man show'. Once again, Sir, I request the Hon'ble Minister to go into the affairs of the society and to see that the interest of the shareholders and beneficiaries are served better. With these words, Sir, I extend my support to the demand tabled by the Hon'ble Minister for Cooperation and oppose the cut-motion.

শ্রীফরমান আলি—স্যার সমবায় ক্ষেত্রে আমি একটি কথা বলতে চাই। আমি

দুই একটি পয়েন্ট দিয়ে সরকারের দৃষ্টি আকর্ষণ করতে চাই।

স্যার সমবায় শুধু চেয়ারমেন এবং বোর্ডের ডিরেকটাৰ হওয়ার জন্যে নয় এবং সেই হেতু আমি মাননীয় বিভাগীয় মন্ত্রী মহোদয়কে শুধু আর একটি কথা বলতে চাই যেমন শিলঘাট জোট মিলকে কমামিন দিয়ে রাখা হয়েছে।

Mr. Speaker—Order, order. It is 5.00 p, m. now. I guilotin all the cut motions. I now put the grants before the august House– Grant No. 49, 50, 51 and 72 be passed

The grants No 49, 50, 51 and 72 are passed.

Now the House will adjourn for 20 minutes for tea. Honourble members of the House, members of the Press, officers gallary and the Reporters are requested to go to the room No. 1 for light refreshment.

The House will re-assemble at 5.20 p. m.

The Assam Appropriation ( No. II ) 1984

(After tea break the House reassembled at 5.20 p. m. with Mr. Speaker in the Chair).

Mr. Speaker—Now the Appropriation Bill will be distributed.

( Bills distributed )

Before I take up item No. 3 (a) I will read out a letter from the Chief Minister, Assam which is as follows:—

"the oath taking ceremony of the hon. Chief Justice as Governor will take place today at 8 p. m. So, I request all the members to attend and the House be adjourned in time",

Shri Hiteswar Saika ( Chief Minister )—Sir, I beg leave of

the House to introduce the Assam Appropriation. (No. II) Bill, 1984.

Mr. Speaker—Is it the pleasure of the House to grant leave to be hon. Chief Minister to introduce the Bill ?

( Voices – yes, yes )—leave is granted.

Now I read out a message from the Governor : "Under provision of Art. 207 (2) of the Constitution of India I, Prakash Mehrotra, Governor of Assam Legislative Assembly of the Assam Appropriation (No. II) Bill, 1984 '

Prakash Mehrotra
Governor of Assam

Shri Hiteswar Saikia ( Chief Minister )—Sir, I beg to introduce the Bill.

(Secretary Assam Legislative Assembly read out the title of the Bill. )

Mr. Speaker—Item No. 3 (b)—Sri Saikia to move.

I read out a message from the Governor:—

"Under provision of Art. 207 (3) of the Constititution of India, I, Prakash Mehrotra, Governor of Assam, recommend that the Assam Appropriation ( No. II ) Bill 1984 be taken into consideration by the Assam Legisltive Assembly".

Prakash Mehrotra
Governor of Assam

Shri Hiteswar Saikia ( Chief Minister )—Sir, I beg to move that the Assam Appropriation ( No. II ) Bill be taken into consideration in the House.

* শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, মই এই বিলখনৰ বিৰোধীতা কৰিছো। আজি আগাবেলা সদনত মাননীয় মন্ত্ৰী মহোদয়ে সদনত জনাইছিল যে ভগনীয়া পুনৰ সংস্থাপনৰ কাৰণে খৰচ কৰা ধন ৪৬ নম্বৰ শিতানত আছিল। কিন্তু এই বিলখনত দেখা গৈছে যে ৪৬ নম্বৰ মঞ্জুৰীত আছে।

গতিকে এই বিলখনৰ মই বিৰোধীতা কৰিছো। এই বিলখনৰ দ্বাৰা সদনক বিপথে পৰিচালিত কৰা হৈছে আৰু ভুল পথে পৰিচালিত কৰা হৈছে। আজি ভগনীয়াৰ কাৰণে যি ষাঠি কোটি টকা খৰচ হৈছে আৰু এই বছৰত দুই কোটি টকা খৰচ হব। ইমান টকা যিহেতু খৰচ হৈছে আৰু এই বছৰত দুই কোটি টকা খৰচ হব। ইমান টকা যিহেতু খৰচ হৈছে সদনক পুনঃ পুনঃ ভুল পথে পৰিচালিত কৰাৰ কাৰণে মই চৰকাৰক গৰিহণা দিছো। মোৰ আগবেলাৰ আলোচনাৰ মৰ্ম্মে দুবাৰ কথা পুনৰ সংস্থাপনৰ বিষয়ে কব খুজিছো। এইটো সঁচা কথা যে চৰকাৰে খৰতকীয়া ভাবে পুনৰ সংস্থাপনৰ কাম সমাধা কৰি কৃতিত্ব অৰ্জন কৰিছে তাক আমি অস্বীকাৰ কৰা নাই। কিন্তু তৎসত্বেও কিছুমান কাম আজিলৈকে বৈ আছে। অতৰাচিহ্নিত প্ৰশ্নৰ উত্তৰ বিভাগীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছিল যে কেন্দুকোণা এলেকাত দোকান জ্বলাই দিয়া লোকজনকো সাহায্য দিয়া হোৱা নাই। ষাঠি কোটি টকা খৰচ কৰা হ'ল। বিভিন্ন স্কুল ঘৰ যোৱা সময়ছোৱাত জ্বলাই দিয়া হ'ল আৰু সেইবিলাকৰ কাৰণে টকা মঞ্জুৰী দিয়াৰ কথা কৈছে কিন্তু মোৰ সমষ্টিৰ সৰভোগৰ ৰেলওৱে ষ্টেচনৰ কাষতে থকা স্কুলঘৰটোৰ কাৰণে ৰেজিষ্টাৰ্ড দৰ্খাস্ত দিয়া হ'ল। স্কুল পৰিদৰ্শকে বিচিপ্পো কৰিছে কিন্তু দৰ্খাস্ত না ক'ত গ'ল উৱাদিহ নাই। মন্ত্ৰী মহোদয়ক লগ ধৰি দিছিলো। গ্ৰাণ্ট পোৱা বুলি ভাবিছিলো কিন্তু দুপৰীয়া খবৰ পালো যে কালি হেনো সঞ্চালক অফিচৰ পৰা সচিবালয় অফিচলৈ বাৰ খন স্কুলক মঞ্জুৰী দিয়াৰ কাৰণে লিখিছে। মই আশা কৰো এই বাৰখন স্কুলেও গ্ৰাণ্ট পাব লাগে। আৰু কিছুমান মানুহক গাইগৰু আৰু হালৰ গৰু দিয়াৰ প্ৰতিশ্ৰুতি দিয়া

* Speech not corrected.

হৈছিল কিন্তু সেই মানুহে পোৱা নাই। মোৰ সমষ্টিত অ'ক চৌহানৰ সমষ্টিত যোৱা তিনিমাহৰ ভিতৰত কি হৈছে কব নোৱাৰো। তাৰ আগত কিন্তু পোৱা নাছিল। বহুবাৰ আবেদন নিবেদন কৰা হৈছে। বহুত টকা খৰচ কৰা হৈছে কিন্তু কোনো কোনো ঠাইত দূৰ্নীতিৰ কথা আহিছিল।

বিতৰণৰ ক্ষেত্ৰত বহুতধৰণৰ খেলিমেলিয়ে আমাৰ কানত পৰিছে মানুহৰ ঘৰ পুৰিছে সাহায্য পাইছে ভাল কথা কিন্তু ঘৰ নুপুৰাকৈ ক্ষতি-গ্ৰস্ত নহোৱাকৈও সাহায্য লৈছে। কোকৰাঝাৰ জিলাৰ বিজনী চাৰ্কোলৰ এটা পৰিয়ালে সকলোধৰণৰ সাহায্য পাইছে। এই বিষয়টো এটা উচ্চ পৰ্য্যায়ৰ তদন্ত কৰিব লাগে। এনেকৈ বহুত পৰিয়ালে পাইছে। আনকি ঘৰ পুৰা ঠাইৰ পৰা ১০ মাইল আতৰত থকা ১০ বছৰৰ আগৰ পৰা তাত নথকা মানুহেও সাহায্য পাইছে। একেটা পৰিয়ালৰ গিৰিয়েক ঘৈনীয়েক আৰু ল'ৰাৰ নামত সাহায্য পাইছে। কিছুদিন আগতে মোৰ ওচৰলৈ কেইজনমান ল'ৰা আহিছিল আৰু কৈছিল যে মই তেওঁলোকক মন্ত্ৰীৰ ওচৰত লৈ যাব লাগে তেওঁলোকক গ্ৰাণ্ট লাগে। মই তেতিয়া সুধিলো তোমালোকৰ দেউতাৰাই পাইছে নে নাই ? তেওঁলোকে কলে যে দেউতাকে পাইছে। মই কলো দেউতাৰাই পাইছে যেতিয়া তুমি পাব নোৱাৰা। মই সহায় নকৰিলে কি হব তেওঁলোকক সহায় কৰোতা ভগৱান আছে। তেওঁলোকক সহায় কৰিলে আৰু তেওঁলোকে পালে। ঠিক এনেকৈ যাৰ খাটিৰ আছে সকলোৱে পাইছে এটা পৰিয়ালৰে। গতিকে ঘৰ পুৰিলেও পাইছে নুপুৰিলেও পাইছে এনেকৈ তেওঁলোকৰ মাজতে ভাগ বতৰা হৈছে। কোনোবাই টিনপাত পাইছে টিনপাত অনা টকা পাইছে। এই হৈছে অৱস্থা। চৰকাৰে ৭ মাহৰ ৰেচন দিছে কিন্তু কোকৰাঝাৰৰ বাসু গাওঁৰ ৪ টা পৰিয়ালে ৭ মাহৰ ভিতৰত মাত্ৰ ৪১ দিনৰ ৰেচন পাইছে। ৭ মাহৰ ভিতৰত ৪১ দিনৰ যে ৰেচন দিলে বাকীখিনি ৰেচন কলৈ গ'ল ? মন্ত্ৰী মহোদয়ে এই বিষয়টো তদন্ত কৰিব নে ? এই টকা পইছা নিশ্চয় ভাগ বতৰা হৈছে। ৬০ কোটি টকাৰ কোনে কিমান ভাগ খাইছে তদন্ত কৰিলে চোৰ ধৰা পৰিব। যি সকলে নিপীড়িত নীপিড়ীত আৰু ক্ষতিগ্ৰস্থ লোকৰ অংশ কাঢ়ি খাইছে তেওঁলোকৰ ওপৰত শাস্তি দিয়াৰ ব্যৱস্থা কৰক। আমি বিভিন্ন স্তৰত দূৰ্নীতিৰ সংবাদ পাইছো সেইবিলাক

তদন্ত ক'ৰিব লাগে আৰু প্ৰতৰনা কৰি যি সকলে টকা আদায় কৰিছিল তেওঁলোকৰ পৰা চৰকাৰে এতিয়া আদায় কৰক। আমি এনেকুৱা খবৰ পাইছো যে অৰুণাচলত চাকৰী কৰি থাকি ইয়ালৈ আহি সাহায্য লৈছে। বঙ্গাইগাওঁ ৰিফাইনাৰীত চাকৰী কৰিছে ঘৰমাটি নাই কিন্তু এতিয়া ২ হাজাৰ টকা আৰু ৩ বাণ্ডিল টিন আৰু ৭ মাহৰ ৰেচন লৈছে। আজি নিৰ্য্যাতিত লোকৰ কাৰনে দিয়া ধন কিছুমান বিষয়া বা দালাল লগ হৈ আত্মসাৎ কৰিছে। এইটো মানবতাৰ কথা জানো যে ক্ষতিগ্ৰস্থ লোকৰ কাৰণে যি সহায় কৰা হৈছে তেওঁলোকে নাপাব আৰু অন্য মানুহে খাব সেইটো ন্যায় সংগত হব নোৱাৰে। আমি শুনিবলৈ পাইছো পশ্চিম বঙ্গৰ পৰা যি সকল লোকক ঘূৰাই অনা হৈছে তেওঁলোকক সাহায্য দিয়া হৈছে। কিন্তু সিদিনা কেইজন মান ল'ৰাই দৰ্খাষ্ট লৈ আহিছে যে তেওঁলোকে কৈছে যে ২ মাহৰ ৰেচন পাইছে আৰু একোপোৱা নাই। তেওঁলোকক কি দিম বুলি কৈ আনিছে মুখ্যমন্ত্ৰী মহোদয়ে নাজানো কিন্তু যিখিনি তেওঁলোকৰ প্ৰাপ্য আৰু তেওঁলোকক যিখিনি দিম বুলি কৈছিল সেইখিনি দিয়াৰ ব্যৱস্থা কৰিব লাগে। সেইখিনি কৰিবলৈ যাওতে এইটো চাব লাগে যে তেওঁলোক ক্ষতিগ্ৰস্থ হয় নে নহয়? মোৰ ওচৰলৈ এজন মানুহ আহিছিল তেওঁ বঙ্গালী সম্প্ৰদায়ৰ লোক, অকলে সেই গাওঁখনৰ পৰা গুচি গৈছিল বাকী বিলাক আছিল। এতিয়া ঘূৰি আহি সুবিধা বিচাৰিছে। মই কৈছো 'তুমি অকলে কিয় গৈছিলা? ইয়াত থকা হলেও বাচি থাকিলা হেতেন।' আচলতে যি সকল প্ৰকৃততে আতংকিত হৈছিল আৰু যি সকলক চৰকাৰে সাহায্য দিম বুলি প্ৰতিশ্ৰুতি দিছিল সেইখিনি চৰকাৰে দিয়াৰ ব্যৱস্থা কৰিব লাগে।

এতিয়া মই প্ৰশাসনীয় দিশ সম্পৰ্কে দুটামান কথা আলোচনা কৰিম। আমাৰ ৰাজ্যত আজি প্ৰশাসন নাই, প্ৰশাসন ভাঙি গৈছে কোনেও কাৰো কথা নুশুনে। প্ৰশাসন যদি চৰকাৰে নিকা কৰিব বিচাৰে তেনেহলে খেলিমেলি বিলাক দূৰ কৰিব লাগিব। সেইটো কৰিব লাগিব জনতা ভৱনৰ পৰা। যিটো দেখা গৈছে কিছুমান বিষয়াৰ ওপৰত কামৰ হেচা খুব বেছিকৈ পৰিছে। শুনিব পাইছো দুই এজন আই এ এচ বিষয়াক ৬-৭ টা বিভাগৰ সচিব পদত ৰখা হৈছে আৰু তাৰোপৰি দুই এটা

কর্পোৰেচনৰ চেয়াৰমেনো কৰা হৈছে। সেইটো বিষয়াজনৰ প্ৰতিও অন্যায় কৰা হৈছে আৰু নিগম বা বিভাগ বিলাকৰও কাম কমকৈ হৈছে। কাৰণ তেওঁ মাত্ৰ চহীহে দিয়ে কাম বিলাকত মনোযোগ দিব নোৱাৰে। আমি জনাত আমাৰ ৰাজ্যত যোগ্যতা সম্পন্ন আই এ এচ বিষয়াৰ অভাব হোৱা নাই। গোটেই টিমতোকে উচিতভাবে ব্যৱহাৰ কৰিব পৰা নাই। অৰ্হতা সম্পন্ন জেষ্ঠ বিষয়া সকলক দুই এটা বিভাগৰ দায়িত্বত ৰাখিব লাগে। তেতিয়া তেওঁলোকে সুস্থিৰমতে কাম কৰিব পাৰে। নহলে কাম কাজৰ গতি মন্থৰ হৈ যাব। এই মন্থৰ গতি হোৱাৰ ফলত প্ৰত্যেকজন লোকেই মন্ত্ৰীৰ ওচৰলৈ আহিব লগীয়া হৈছে। ফলত মন্ত্ৰী সকলে টোপনি মাৰিবৰ সময় নোপোৱা হৈছে, খাব লবৰ সময় নোহোৱা হৈছে। দুই এজন মন্ত্ৰী চলিব নোৱাৰা হৈছে।

আজি এনেকুৱা দেখা গৈছে যে ২।৪ জন মন্ত্ৰীৰ উশাহ লবলৈ সময় নাইকীয়া হৈছে। লগতে আমি শান্তিত থাকিব পৰা নাই। ইয়াৰ মূল কাৰণ হৈছে যে প্ৰশাসনীয় উদাসীনতাৰ কাৰণে জনসাধাৰণৰ কাম কৰাৰ প্ৰেৰণা নাইকীয়া হৈছে। ইয়াৰ কাৰণেই মন্ত্ৰীৰ ওচৰলৈ জনসাধাৰণ আহিবলগীয়া হৈছে। মন্ত্ৰীক কলে কিছু কাম হয় নকলে একোৱেই নহয়। এই বিষয়ত বিভাগ বিলাকে একোটা নীতি থিক কৰি সেই মতেই কাম কৰি যাব লাগে। নীতি মতে কাম কৰিবৰ কাৰণে বিভাগ বিলাকৰ সচিবৰ পৰা সঞ্চালকলৈ আৰু সঞ্চালকৰ পৰা জিলা বিলাকলৈ যাব লাগে। এই বিলাক নিৰ্দেশ ওপৰৰ পৰা তললৈ যাব লাগে। যদি এইটোৱেই নহয় তেতিয়াহলে ৰাইজৰ মন্ত্ৰীৰ ওচৰলৈ অহাৰ বাহিৰে আন একো উপায় নাই।

আৰু এটা কথা হৈছে যে মন্ত্ৰী সকলৰ কেইজনমানে বেচি সময় খৰচ কৰে বদলি কৰণত। কিছুমান বিভাগৰ কাম হৈছে কেৱল বদলিকৰণ। ইয়াৰো একোটা নীতি থিক কৰিব লাগে। বছৰৰ কোন সময়ত বদলি কৰিব আৰু কোন কোন সময়ত বদলি নকৰিব সেইটো থিক কৰিব লাগে। চৰকাৰে চাব লাগে যে এইটো সময় ল'ৰা ছোৱালীৰ পৰীক্ষাৰ সময়। এই সময়ত বদলি কৰিলে অসুবিধা হব পাৰে। সেই কাৰণে সেই বিলাক সময়ত বদলি কৰাটো বন্ধ ৰাখিব লাগে। আমিও মানুহৰ

হেঁচাত পৰি বহুত সময়ত এই বিলাক কথাত হাত দিবলগীয়া হয়। ইয়াৰ কাৰণে কেতিয়াবা মন্ত্ৰীলৈ ফোন কৰিবলগীয়াও হয়। এই বিলাক কিহৰ কাৰণে হৈছে। স্পষ্ট নীতি নথকাৰ কাৰণেই হৈছে। এটা নীতি থিক কৰি ললে আপোনালোকো শান্তিত থাকিব পাৰিব আৰু আমিও শান্তিত থাকিব পাৰিম আৰু প্ৰশাসনৰো কিছু কামকাজ হব।

আন এটা কথা হৈছে যে মন্ত্ৰী সকলৰ যি কাম সেই কাম যাতে অফিচাৰ সকলে কৰিবলগীয়া নহয়। মন্ত্ৰীৰ কাম মন্ত্ৰীয়ে কৰিব লাগে আৰু আফিচাৰৰ কাম অফিচাৰে কৰিব লাগে। মন্ত্ৰীয়ে প্ৰশাসন চলাত বিষয়া সকলক নীতি নিৰ্দেশ কৰিব। তাকে নকৰিলে গণতন্ত্ৰ কি হব? মন্ত্ৰীয়ে নীতি নিৰ্দেশ কৰি কোন বিলাক কাম কাৰ্যকৰী হব সেই বিলাকৰ ক্ষেত্ৰত ওপৰৰ পৰা তললৈকে এটা ব্যৱস্থা গঢ়ি তোলক। নহলে যি হাৰত টকা আহিছে তাৰ কিমান অংশ ৰাইজে পাব?

আন এটা কথা মই কব বিচাৰিছো, অৱশ্যে আমি বিৰোধিতা কৰিলেও আপোনালোকৰ সংখ্যাগৰিষ্ঠতা আছে যেতিয়া বাজেট পাচ কৰি নিবই। যি বিলাক আঁচনি আছে সেই বিলাক কাৰ্যকৰী কৰাৰ কাৰণে যাতে মাৰ্চ মাহলৈ বৈ থাকিব নালাগে। কালি মই এখন আঁচনিৰ কথা কোৱাত মোক কলে যে আপুনি এইখন আঁচনি আনি নিদিলে কাম নহব। ময়ো এই কথা মানি ললো। কাৰণ ৰাজহুৱা স্বাৰ্থ আছে। ১২ মাহেই আঁচনি বিত্ত বিভাগলৈ আহি থকাটো বন্ধ কৰিব লাগে। ইয়াৰ কাৰণে নীতি কটকটীয়া কৰিব লাগে। যাতে সকলো বিলাক আঁচনি চেপ্তেম্বৰ মাহতে আহি বিত্ত বিভাগ পায় তাৰ ব্যৱস্থা কৰিব লাগে। এইটো একো টান কাম নহয়। আঁচনি বিলাক লৈহে টকা মঞ্জুৰ কৰিছে যেতিয়া যাতে সকলো বিলাক আঁচনিৰ কাম মাৰ্চৰ আগতে অগ্ৰগতি হয় সেইটো চাব লাগে। মই এইখিনিকে কৈ সামৰণি মাৰিলোঁ।

শ্ৰীপূৰ্ণ বড়ো—মাননীয় অধ্যক্ষ মহোদয়, মই এই দাবী বিৰোধিতা কৰি কেইটামান কথা কব বিচাৰিছো। কোটি কোটি টকা প্ৰতি বছৰেই দি অহা হৈছে। কিন্তু উন্নয়ন মূলক কামৰ কাৰণে বহু সময়ত টকা নাই বুলি কোৱা শুনা যায়। কেন্দ্ৰৰ পৰা যিমান টকা পাব লাগে সিমান

পৰিমাণ টকা পোৱা নহলেও কিছু পোৱা হয়। উন্নয়ন মূলক কামৰ ক্ষেত্ৰত টকাৰ অসুবিধা থাকিলেও বিষয়া সকলৰ হেমাহিও বহু পৰিমাণে দায়ী। ট্ৰাইবেল চাব প্লেনৰ ক্ষেত্ৰত চাবপ্লেন কৰি বিভাগীয় বিষয়া সকলক যি কামকাজৰ দায়িত্ব দিয়া হৈছে যদিও সেই বিলাক কাম সময়মতে হৈ নুঠে। বছৰৰ শেষত কামকাজত খৰচ নকৰা ধন ডেভেলাপমেণ্ট কৰপৰেচনত জমা হয়। ট্ৰাইবেল ডেভেলাপমেণ্ট কৰ-পৰেচন, চিডুলকাষ্ট ডেভেলপমেণ্ট কৰপৰেচনে বছৰৰ শেষত এই ধন জমা ৰাখে। বিভাগীয় বিষয়া সকলে চাব প্লেনৰ অন্তৰ্গত অঞ্চলৰ কাম কাজত গুৰুত্ব দি কাম কাজ নকৰে কাৰণে বছৰৰ শেষত টকা খিনি জমা ৰাখিব পাৰে। মই তিনিচুকীয়া অঞ্চলত ইণ্ডাষ্ট্ৰিয়েল ইষ্টেটৰ কথা আঙুলিয়াব বিচাৰিছো। ইয়াৰ উদ্দেশ্য হৈছে নিবনুৱা যুবক সকলক ব্যৱসায় কৰাৰ সুবিধা দিয়া। কিন্তু এই ইন্ড্ৰাষ্টিয়েল ইষ্টেট খন এনেকুৱা ঠাইত পতা হৈছে যে তালৈ কোনো মানুহ নাযায়। এই বিলাক এনেকুৱা ঠাইত পাতিব লাগে য'লৈ মানুহ যায় আৰু নিবনুৱা যুবকে তাত ব্যৱসায় কৰা সম্ভব হয়। এই দৰে মানুহ নোযোৱা ঠাইত এই বিলাক ইণ্ডাষ্টি য়েল ইষ্টেট পাতি চৰকাৰী টকাৰ অপচয়হে কৰা হৈছে। ইয়াৰ দ্বাৰা কাৰো একো উপকাৰত অহা নাই। এই দৰে যাতে চৰকাৰী ধনৰ অপচয় নহয় তালৈ চাব লাগে। আৰু আঁচনি বিলাকৰ কাম যিমান কম সময়ত কৰি শেষ কৰিব পৰা যায় তালৈ লক্ষ্য ৰাখিব লাগে। কাৰণ যিমানেই কোনো আঁচনি কাৰ্যকৰী কৰোতে নিৰ্দ্ধাৰিত সময়তকৈ বেচি দিন সময় লাগে সিমানেই বস্তুৰ দাম বাঢ়ি যোৱাৰ বাবে সিমানেই টকা বেচি খৰচ হয়। এটা আঁচনিৰ কাম নিৰ্দ্ধাৰিত সময়ত শেষ কৰিব নোৱা-ৰিলে আগতে ধৰাতকৈ বহুত বেচি টকা খৰচ কৰিবলগীয়া হয়। এই দৰে যাতে টকাৰ অপচয় নহয় সেইটোও চোৱা দৰকাৰ।

যোৱা বছৰত অশান্তিত ক্ষতিগ্ৰস্ত লোকক যি সাহাৰ্য দিয়াৰ কথা আছিল সেই সাহায্য সকলোৱে নাপালে। এক্স গ্ৰেচিয়া গ্ৰাণ্ট গহপুৰ আৰু গোৰেশ্বৰৰ ক্ষতিগ্ৰস্ত পৰিয়ালে পাবলৈ বাকী থাকিল। খেতিয়কক গৰু দিয়াৰ কথ আছিল যদিও দুই চাৰিজনৰ বাহিৰে গৰু নাপালে। ক্ষতিগ্ৰস্ত কৃষকে গৰু কিনি খেতি বাতি কৰিবও নোৱাৰিলে।

আনহাতে এই অঞ্চলবোৰত যি এচ, ডি, চি দায়িত্বত আছিল তেওঁ দুৰ্নীতিত লিপ্ত হৈ পৰিল। কিন্তু চৰকাৰে কোনো ব্যৱস্থা লোৱা আমি দেখিবলৈ পোৱা নাই। ৰিলিফ আৰু পুনৰ সংস্থাপনৰ কামত নানা খেলি-মেলি হৈছে—চৰকাৰে এই খেলি মেলিবোৰ ওৰ পেলাব পৰা নাই।

অধ্যক্ষ মহোদয়, মই বিশেষকৈ গোৰেশ্বৰ অঞ্চলৰ পূব ৰামগাওঁ, চিল্কিপাৰ আদি ঠাইৰ কথা কব বিচাৰিছো। অঞ্চলবোৰত যোৱা বছৰ ধ্বংসলীয়াৰ সময়ত বাৰুকৈ ক্ষতিগ্ৰস্ত হয়। এই ক্ষতিগ্ৰস্ত লোকসলকক চৰকাৰৰ ফালৰ পৰা প্ৰত্যেক ঘৰকে তিনি বান্ধকৈ টিনপাত আৰু দুহা-জাৰকৈ টকা দিয়াৰ কথা আছিল। কিন্তু তেওঁলোকৰ কিছুমানে এক বান্ধকৈ টিনপাত পালে আৰু কোনোবাই হয়তো তাতোকৈ কমকৈ পালে। এইখিনিতে মোৰ এটা প্ৰশ্ন উদয় হৈছে যে এই ক্ষতিগ্ৰস্ত পৰিয়াল সকলৰ সঠিক হিচাব যি মণ্ডল-কাননগোক লব দিয়া হৈছিল, তেওঁলোকে কিমান সঠিক হিচাব দাখিল কৰিছে সেইটোও সন্দেহজনক।

অধ্যক্ষ মহোদয়, পুনৰ সংস্থাপন বিভাগৰ ওপৰত আমি যেনে ধৰণে আলোচনা কৰিব লাগিছিল তেনে ধৰণে আলোচনা কৰিবলৈ সুবিধা নাপালো। এইখিনিতে মই কবলৈ বাধ্য হৈছো যে গোৰেশ্বৰৰ ওচৰৰ পুৰণি বজাৰত যোৱা বছৰ ধ্বংসলীয়াত সময়ত বহুতো ব্যৱসায়ীৰ ঘৰ-দুৱাৰ জ্বলাই দিয়া হয়। সেইদৰে ৰামগাওঁ অঞ্চলতো বহুতো ঘৰ দুৱাৰ ধ্বংস কৰা হল আৰু বহুতো সা-সম্পত্তি নষ্ট কৰা হল। তেওঁলোকৰ সাহায্যৰ নামত দুহাজাৰ টকা বা ৩ বান্দোল টিনপাতে যথেষ্ট নহয়। সেইকাৰণে তেওঁলোকে ব্যৱসায়, বানিজ্য আৰু জীৱিকা নিৰ্বাহৰ কাৰণে চৰকাৰৰ পৰা ঋণ বিচাৰিছে। কিন্তু মই জানিব পাৰিছো এই ঋণ এতিয়ালৈকে দিয়া হোৱা নাই, কেৱল ফাইলতহে আছে বুলি জানিব পাৰিছো। এই ক্ষতিগ্ৰস্ত লোক সকলক চৰকাৰে ঋণ দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰিলে তেওঁলোকে কেনেকৈ চলিব সেইটো চিন্তনীয় বিষয়। ইয়াৰ মাজতে চৰকাৰে পশ্চিম বঙ্গৰ কেম্পত থকা মানুহ বিলাকক ঘৰলৈ ঘূৰি আহি-বলৈ দিছে আৰু তেওঁলোকক ৰেচনৰ ব্যৱস্থা দিয়াৰ কথা আছিল। সেই সময়ত যিসকল লোকৰ ঘৰ দুৱাৰ পোৱা নাছিল তেওঁলোককো ৰেচনৰ যোগান ধৰাৰ কথা আছিল। কিন্তু সেই ৰেচন উক্ত মানুহ-

বোৰে আজিলৈকে পোৱা নাই। গতিকে এই আটাইবোৰ কথা বিবেচনা কৰি চাবলৈ মই চৰকাৰক অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Benoy Kumar Basumatary—Mr. Speaker Sir, I also wish to supplement some of the points and objections in regard to Appropriation Bill. Sir, in regard to Grant No. 23— "Vigilance and Special Commissions" Rs. 1,19,23,000·00 is provided. If we to go to the detailed estimate of the Budget on this Head, we find that 87 lakhs of rupees are provided for the Tribunals to detect and remove the proposed twenty tribunals. It means that appx. Rs. 4 lakhs are provided for each Tribunal. Sir, this "foreigners issue" is agitating our mind for the last 4/5 years and therefore, I was wondering whether with this four lakhs of rupees a Tribunal could work in any of the places of Assam, considering the dimension of the work. Now Sir, I have in my hand a Statistical Hand Book of Assam which is distributed today and if we study through this Hand Book, we find that there is a declining trend in most of our economic activities. For instance, at page 69, if we observe to record the production of winter rice in the State, we find that the growth is 'nil' or rather it is declining. So, for instance, in 1977-78 autumn rice production was in 580 thousand hectares, but in 1980-81 the increase was only to 606·2 thousand hectares and in case of summer rice, the productien in thousand hectares are reduced from 39·4 in 1977-78 to 34·2 in

1980-81. Since these are the latest figures given to us, declining trend is very clear. Similarly under out-turn of timber and fuel-wood in Assam at page 96, if we refer to this in any of the District in 1979 and 1980, it was 9,325 cu.m. and timber and rough poles was 356 cu. m and fuel wood was 4,915 cu. m. So, if we go through this record like this, we will find that the forest produce have declined, forest areas have been reduced. But Sir, this is the time for the Government to specify publicly state some policies regarding improvement of the forest areas and forest resources. But the main problem with the forests,—we have tried to narrate earlier also is that every one, every poor people comes to the forest areas,—they may be flood eroded people, the landless tribal people and there may be others, all of whom rush to the forest areas for shelter. In this process of Tongia Village during the British time, it was understood that the forest villagers will contribute some particular number of days for improvement of forests and plantation of forests. But now-a-days, we find in these forest areas the forest villagers are not utilised to plant and protect the forest rather they use the forest areas for normal cultivation and share of there produce go to the Foresters, Rangers and others. Therefore, Sir, we have to carefully preserve the forest areas but since the National Policy of the Forest states that the tribal should be given preference in forest areas, it should be adhered to. But Sir, what do we find ? The tribals are merc-

ilessly treated and evictions are carried on inspite of the orders given by the then Chief Minister himself. There are clear cases of flagrant violation of the forest people in the interior forest areas wherein even if some injustice is done it takes many days to reach the news of such depredation to civilisation. In this way, lot of injustice is going in forest areas. In 1975 we had 756 tea gardens in Assam ; in 1980 it was increased to 770 gardens. But, Sir, in the next column the number of factories in 1975 is shown as 589 but in 1980 the number of factories have been reduced to 575. Why Sir ? Why the number of factories are reduced and how could the number of tea gardens increased ? Sir, that means the Government is encouraging tea industry through grant of excess land whereas there is a population explosion in the State and there are lakhs of landless people and this land which could possibly be utilised by these landless people of the State have been given to tea gardens. If we give land to these tea gardens they should have increased the number of factories to employ the technically qualified people of the State but we see instead of increasing the number in factories the number of 'faltu' labourers are increased. Today we discussed this subject of Co-operation Sir, and unfortunately due to guillotine, the Minister could not reply. In 1975-76 the number of Co-operative societies was 7868 but today it is reduced—in 1980-81 it is 7356, a reduction of more than five hundred Co-operative

societies. Therefore, Sir, I can go on and on and say that in every sphere of our economic activity in the State we have a declining trend. Today, Sir, we are going to pass the budget and we do not find an encouraging assurance from the Government; we have failed to assure that this budget will vitalise the economies of this State. With this, Sir, I oppose this Appropriation Bill.

* Shri Devananda Konwar—Mr. Speaker Sir, I rise to support the Bill that has been just introduced by the hon'ble Chief Minister, the Assam Appropriation (No. II) Bill, 1984 for withdrawal of a sum of Rs. 1420,78,63,000 from and out of the Consolidated Fund of the State of Assam and I lend my support to the Bill and commend the Bill for consideration and passing by the House. While supporting the Bill I wish to put in a few observations by way of supplementary submissions for consideration of the respective ministries while utilising the appropriated amount in the times ahead. First I wish to submit in respect of the administration of land revenue. Now, there is a booklet that has been circulated among the members; it is called Supplement to the Budget Speech, 1984-85. Here in page 17 certain general information has been given with regard to land reform and revenue administration. I wish to submit that the administration of land revenue in the State is not in a very happy position. Here the booklet has given that revenue administration has been expa-

* Speech not corrected

nded and it has been proposed to create 1382 new lots, 158 sub-circles in addition to 2073 existing lots, and 158 sub-circles. It is also proposed to increase the Revenue Circles from 105 to 130 Circles. So far so good and for the expansion programme I congratulate the department. But at the same time what I feel is that administration of land revenue has been slackened very much. For example in certain districts the settlement operations have been completed long back yet there is no issue of pattas. I can name few mouzas where not a single household has been given pattas, for example, Netaipukhuri and Panidihing mouzas, earlier in the Sibsagar district and now in Jorhat not a single patta has been issued. Another aspect of the revenue administration is that no proper survey and documentation has been done in many areas, in many districts although updating of the documentation in one of the points of the 20 Point Programme. Thirdly, Sir, there is very heavy and serious leakage of Government revenue on account of absolute lack of supervision over circle offices by the Deputy Commissioners. Because, Sir, it is known to every member of this House that immovable property of the value of rupees more than one hundred under the law is compulsorily registerable, but in many revenue circles landed property have been transferred without executing the deeds in proper form, that is in proper nonjudicial stamps. These immovable properties are

transferred by a sort of flimsy agreement on ordinary paper and on the basis of these non-registered documents circle officers have given mutations. But when there is a sale these mutation proceedings to be taken up and certain notices are required to be issued and then the matter has to be heard and to be passed by the circle officers and the sales deed or purchase deed has to be exhibited, although I have seen in many circle register mutation has been allowed and it is specifically written by circle officers that mutation has been granted because of right of occupation and right of transfer through sale deeds or by right of purchase but whereas no mutation proceedings have been drawn up and no proper sale deed in proper form by paying revenue transfer of property has been done, what is the effect of such transfer ? The effect is that in many districts valuable piece of land is held by the villagers without lawful authority and title. Second aspect is : Government is losing revenue to the tune of several lakhs and several crores of rupees. This aspect has to be looked into and the revenue administration should be strengthened. Now, with respect to the land acquisition problem I would like to point out that land is acquired for various project, say flood control, irrgation etc. There are many old land acquisition cases which are not yet settled. There are certain difficulties. But I would like to suggest for the consideration of the Revenue Minister that many poor people who have been paid the 50%of the value assessed by the Deputy

Commissioners, for the rest of the balance 50% they have been waiting not for years but for decades. This balance 50% is sometimes 1000/- or 1500/- or 2000/- or even less than few thousands. I think Government may take decision and discuss the matter and take a Cabinet decision for payment of the balance amount on land acquisition fixing a ceiling say, Rs. 5000/.

Mr. Speaker—I request the hon'ble members who are willing to speak on the Appropriation Bill to be very brief because we are going to attend the oath taking ceremony of the Governor. I think the speaker will continue up to 6-30 and the Minister will reply after that. In any way we must close by 7 P. M.

Shri Debananda Konwar—So this balance 50%, fixing a ceiling of Rs. 5000/- may be paid. For example in my district there are 700 old pending cases of the age of 10 years and above. Now, when we are taking steps in terms of welfare State concept, when we are offering loan to the educated unemployed youth to the tune of Rs. 25,000/- I do not think Government is not in a position to take a decision to pay the balance 50%, I do not say to pay all the money, by fixing a ceiling as I have said earlier so that the poor people are relieved of the hardship. This is on quid pro quo basis. If the compensation is paid in time people will not be put to hardship.

With respect to the Industries Department I would like to make a few suggestions. To my mind the In-

dusry Department may be bifurcated to make it more efficient. One section may be entrusted to control the public sector undertakings while another department may be for the control of private sector industries. Sir. we have set up a Vanaspati Plant. There is an ancilliary industry viz: M/S New Enterprise set up by the local youths. They will manufacture the containers for the Vanaspati Plant. This small scale industry will need Rs. 11 lakhs. Their application is pending for last 2 and half years.

Shri Keshab Gogoi ( Minister )—Sir, the learned member has discussed all this on the demands for grants. In the Appropriation Bill we should confine to the demands which have not been discussed.

Shri Binoy Kumar Basumatari—Sir, as per Rule we can deal with the demands we have already discussed. But we are to make new points.

Shri Debananda Konwar—I think for the administration of the Industry Department the department should be bifurcated, one section for the administration of the public sector undertakings and the other for private sector industries. Here is a case ....

Mr. Speaker—If you continue like this it is difficult to complete it within the scheduled time. It is our duty also to attend the oath taking ceremony. We must not forget it.

Shri Debananda Konwar—Sir, asr egards loan applications there are some anomalies. I would like to bring it to the notice

of hon'ble Minister, Industry that for DIC loan applications receipts are not given. Therefore, sometimes these applications are lost and sometimes the applications are detached. Therefore, I suggest that Government should issue a circular that for all DIC loan applications proper receipts should be given when received so that all the applications are taken up for consideration. Another thing which I would like to mention that in this booklet ( Plan Achievements 1983-84 and Programme for 1984-85 ) which has been circulated. There is one idle industrial estate on the bank of Jaysagar. This is a heavy estate of the Industry Department and value will be Rs. 5 lakhs. At page 84 of this booklet it is said "there are 9 Industrial Estates having 239 nos. of sheds, out of these sheds 229 are occupied -- " This is a misleading term. Out of sheds 8 are lying idle for 7 years. They are not utilised. Technically it may be correct to say that these are occupied, but in actual practice these are lying idle and not under use. This aspect of the matter should be looked into by the Minister, Industry. This is my humble submission.

With these few observations, Sir, I conclude.

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, মই আজি যিখন বিনিয়োজন বিল অনা হৈছে তাৰ বিৰোধিতা কৰি দুআষাৰ কব বিচাৰিছো। আমি ভাবিছিলো যে ৰিলিফ এন্দ বিহেবিলিটেচন অৰ্থাৎ এই পুনৰ সংস্থাপনৰ বিষয়টো মই ঘৰত কিতাপ চাই চাই দেখিলো যে মাত্ৰ ৫০ হাজাৰ টকা। ৫০ হাজাৰ টকাৰে কি হব ? বহী পত্ৰবোৰ মেলি চাই দেখিলো যে, মুখ্যমন্ত্ৰীয়ে যদিও কৈছে ৫০ হাজাৰ টকা তাৰে ভিতৰত ৩০ হাজাৰ টকা দৰমহাত যাব। আৰু ২০ হাজাৰ

টকা পইচা খৰচ কৰিছে। ২০ হাজাৰ টকাৰে কি কি কাম কৰিব, এইটোৱে হৈছে সমস্যা। বিষয়টো লৈ গভীৰ চিন্তা আহিল। আমি আলোচনা কৰিব লগা বিষয় এটি এনেদৰে কেনেকৈ এৰো।

অধ্যক্ষ মহোদয়, কমৰেড হেমেন দাসে প্ৰশ্ন তুলিছিল আৰু চৰকাৰৰ তৰফৰ পৰা সুবিধা দিম বুলিও কৈছিল। কিন্তু এতিয়াহে আমি ভাবিছো যে, ভোজ এটাৰ বাবে যেনেকৈ সকলো যা-যোগাৰ শেষত ৰন্ধা-বঢ়াও হ'ল কিন্তু আঞ্জাত লোন নিদিয়াত সকলো পন্দ হৈ যায় ঠিক তেনেদৰে আজি আমাৰ সকলোখিনি ভালেই হৈ গ'ল। শেষতো ভাল হোৱা হ'লে আৰু ভাল হ'লহেতেন।

কেন্দুকোনাৰ পুনৰ সাহায্যৰ কথা তেখেতে কৈছে। ক্ষতিগ্ৰস্ত মানুহ খিনিয়ে সেই সময়ত কোনো প্ৰকাৰৰ সাহায্য নাপালে। সময় মতে শস্যৰ বিধান নাপালে, গৰু কিনাৰ কাৰণে যি টকা পাব লাগিছিল তাকো নাপালে। এইখিনিতে মই ১৯৬০ চনৰ এটা কথা কব খুজিছো। তেতিয়া ভাষা আন্দোলনৰ ফলত সংস্থানহীন হোৱা লোক সকলক পুনৰ সংস্থান দিয়া ক্ষেত্ৰত ৰঙিয়াৰ এচ, দি, চি জনৰ এজন পিয়নে দুখন বাছ কিনিলে আৰু দুটা ঘৰ সাজিলে। এতিয়া মোৰ সন্দেহ হৈছে চাৰিওফালে যি সময়ত দুৰ্দশা সেই সময়ত সুদীৰ্ঘ ২৩ বছৰৰ পিছত আজি মানুহে টকা পইচাৰ ব্যৱহাৰ কৰিব জনা হ'ল। যোৱা বেলি গোৰেশ্বৰ আৰু নগাওঁত আৰু এইবেলি গোটেই অসমতে দুৰ্ঘটনা ঘটিল। এতিয়া আমি যি সকল মানুহক উদ্ধাৰ কৰাৰ কাৰণে আপ্ৰান চেষ্টা চলাইছো, কান্দিছো, খাটিছো সেইসকল মানুহক সহায় কৰিবলৈ লৈ যদি ঘৰ সাজিবলৈ দিব নোৱাৰো তেতিয়া হলে বৰ বিপদৰ কথা। আপুনি জানে যে, অধ্যক্ষ মহোদয়, কোনোবা এঠাইত যদি ঘৰত জুই লাগে তেনেহলে কোনেও নামাতিলেও ওলাই যাব লাগে। কিন্তু ওলাই গৈ যদি ক'ত কি আছে কি পাও এই মনোভাৱ থাকে তেন্তে বৰ বিপদজনক কথা। গোৰেশ্বৰৰ যিখিনি মানুহ, সেইখিনি মানুহে খেতিৰ কাৰণে টেক্টৰ দিছে যদিও পোৱা আৰু গৰু কিনাৰ কাৰণে টকাও পোৱা নাই। যি কেইঘৰৰ মাটি নাছিল ব্যৱসায় কৰি খাই আছিল সেই সকলে পালে কিন্তু প্ৰকৃত খেতিয়কে নাপালে। অধ্যক্ষ মহোদয়, আপুনি চিন্তা কৰক। যি কি নহওক যি

হৈ গ'ল গ'ল যোৱা কথা কৈ লাভ নাই। এতিয়া মই জলসিঞ্চনৰ কথালৈ আহো। চৰকাৰে এই বিভাগক লাখ লাখ কোটি কোটি টকা দিছে। কিন্তু মাহৰ পিচত মাহ খেতিয়কে নানা দূৰ্গতি ভুগিবলগা হৈছে। ইৰিগেচনৰ ইলেকট্ৰিক মটৰ হেৰাল, অ'ত ইটো হ'ল ত'ত সিটো হল এনেধৰণৰ কথা কৈছে।

( ধ্বনি : আপুনি বহক )

শ্ৰীমথুৰা ডেকা – মই বহিলে আপোনালোকে কব, গতিকে মোকেই কবলৈ দিয়ক।

মাননীয় অধ্যক্ষ—আৰু ৫ মিনিট হলেই আপোনাক বহিবলৈ দিম।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, আপোনাৰ ক্ষমতা আছে তেতিয়া যথেষ্ট কৰিব পাৰে। কিন্তু মই আপোনাৰ শলাগ লৈছো এই বাবেই আপুনি কেনে ভাবে মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ নোপোৱাকৈয়ে বিলখন পাছ কৰি দিব পাৰে তাৰ চিন্তাত আছে। মই ভাবিছো এনে হ'লে বিধান সভাৰ প্ৰয়োজনেই নাই। আমি গালো বালো খোলা কুটিৰ তান। বক্তৃতা দি থাকিলো সকলো মিছা হ'ল। ভাবিছিলো মন্ত্ৰী মহোদয়ক আমি ভালকৈ জব্দ কৰিম। কিন্তু আপুনি চাহ মেল পাতিলে। অন্যদিনা নিদিয়া লাল-মোহনো দিলে। আজি আমি দেখিছো আন দিনাখন নোখোৱা লোকেও, ডায়েবেটিচ থকা মানুহেও লালমোহন বোৰ দেখি লোভ সামৰিব নোৱাৰি খাইছে। এই কথাটো মই ভালকৈ চাইছো।

( সদনত হাঁহিৰ ৰোল )

খেতি কৰিবলৈ খেতিয়কক পানী লাগে। চৰকাৰৰ সাহাৰ্য্য খেতিয়কে বিচৰা নাই। খেতিৰ পানী কিয় দিব পৰা নাই ? পানী দিয়াৰ কাৰণে এটা স্বকীয়া বিভাগ আছে। তথাপি আমাৰ মানুহে পানী নাপায় এইটো চিন্তাৰ বিষয় হৈছে। এইবিষয়ত মন্ত্ৰী মহোদয়ৰ লগত আমাৰ এটা চুক্তি আছিল আৰু সেইমতে কাট মোচন নানিলো। অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খোজো যে, আমাৰ খেতিয়ক সকলক সময়মতে পানী যোগান ধৰিব লাগে। নলা

নহল, ইলেকট্ৰিক মটৰ চোৰ কৰি নিলে এইবিলাক কথা যেনে আমি ভৱিষ্যতে নুশুনো তাৰ বাবে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। ইয়াবোপৰি অন্যান্য ৰাজ্যত আমি দেখিছো খেতিয়কৰ বাবেও টুৰিজিমৰ বিশেষ সুবিধা আছে। কিন্তু আমাৰ ইয়াত কোনো ব্যৱস্থা নাই। মন্ত্ৰী মহোদয়ক এই বিষয়ে কলে আধাশুনা কৰে। আনৰ কথা শুনে। পোৱামক্কাৰ পৰা হয়গ্ৰীব মাধৱলৈ বহুতো পুৰণা মূৰ্ত্তি আছে। শিৱই ভাং খুন্দা শিল পৰ্য্যন্ত আছে। টুৰিজিমে এইটো ৰক্ষনাবেক্ষন দিব লাগে। পদ্ম পুৰান ৰচনা কৰা হৈছিল, তাত আছে নেতাই ধুবুনীৰ ঘাটে হাজোতে আছে। আন আন ঠাইতো আছে বুলি শুনা যায়। কিন্তু হাজো যেতিয়া আমাৰ নিচেই ওচৰত এই ঠাইডোখৰত গুৰুত্ব দিব লাগে। টুৰিজিমৰ মন্ত্ৰী মহোদয়ে অলপ চিন্তা কৰি টকা পইচা বৰ বিশেষ খৰচ কৰিব নালাগে। তেখেত অহা যোৱা কৰিলেই মানুহ অহা যোৱা কৰিব। শিক্ষক সকল গলেই বাটৰ দুবৰিবন মৰিব। এইদৰেই হাজো উদ্ধাৰ কৰিব লাগে। অধ্যক্ষ মহোদয়, আপুনি জানে যে, পোৱা মক্কালৈ ভাৰতৰ বিভিন্ন ঠাইৰ পৰা মানুহ আহি পৰিদৰ্শন কৰে। হাজো দৰ্শন কৰিবলৈ ভাৰতৰ বিভিন্ন ঠাইৰ পৰাতো মানুহ আহেই আন কি ভাৰতৰ বাহিৰৰ মানুহো আহে।

Mr. Speaker—You can continue upto 6·30 p. m. after which I will not give any more time. Hon. Ministers will have to give their replies. So please cut short your speech.

শ্ৰীমথুৰা ডেকা—মাননীয় অধ্যক্ষ মহোদয়, হাজোৰ কেদাৰৰ পুখুৰীতেই অশোক স্তম্ভৰ ডাঙৰ মূৰ্ত্তিটো পোৱা গৈছিল। এইবিলাক কৰিলে আমাৰ পৰ্য্যটন বিভাগৰ মাননীয় মন্ত্ৰীৰ সন্মানটো থাকে। শিক্ষা মন্ত্ৰীৰ নাম সদায় থাকিব। সেই কাৰণেই এই পৰামৰ্শ আগবঢ়াইছো। আমি তেখেতক কথা কবলৈ টান পাওঁ এই কাৰণেই যে, আমি কথা কলেই তেখেতে আন এজনৰ লগত কথা পাতি থাকে। তেখেতৰ যাত্ৰী ইমান বেছি যে, সুস্থ ভাৱে একো কথা পাতিব নোৱাৰি। আমি পৰ্য্যটন বিভাগৰ

মন্ত্ৰীক আক্ৰমণ কৰি কথা কোৱা নাই। অনুৰোধ হে কৰিছো যাতে হাজোত এই বিলাক ব্যৱস্থা কৰক যাতে বিদেশী পৰ্য্যটকৰ তাত যি ভীৰ হয়, থকা মেলাৰ যাতে সুবিধা হয়। মাননীয় অধ্যক্ষ মহোদয়, আপুনি বাৰে বাৰে নিৰ্দেশ দি আছে সেই নিৰ্দেশ নেমানিলে আপোনাক অৱমাননা কৰা হব। আমি আপোনাক অৱমাননা কৰিব নোৱাৰো। কাৰণ আমিয়েই আপোনাক সসন্মানে পাতিছো। গতিকে আপোনাৰ নিৰ্দেশৰ প্ৰতি সন্মান জনাই মই মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

* Shri Keshab Chandra Gogoi—Mr. Speaker, Sir Hon. Member Shri Devananda Konwar has raised some points on Land Revenue and the Industries. Although we have discussed both these subjects at length day before yesterday but when it has again been raised by the hon. member if I do not reply to them I would be failing in my duty. First thing the hon. member mentioned is about mutation and loss of revenue. I think hon. members are aware that loss of revenue is there. Regarding mutation the Assam Land Revenue Regulation Act is there and there is a chaper 'registration'. The SDCs who do the registration they are governed by that chapter. They are to consider two things only for granting mutation. One is prima facie title and the other is possession. They are not concerned whether the deed is registered or unregistered. If they are satisfied on both these grounds they grant mutation. If one is aggrieved he can go to the Deputy Commissioner or the Board of Revenue which is the highest revenue authority under the law. Now, Sir

* Speech not corrected

regarding title, deeds and other things these are necessary only in a Civil Court where title of a land can be questioned. It is not done in Revenue Court. So, Sir, I think there is no lapse on the part of the Revenue authority on that account. About land Acquisition Act, Sir, I have already replied that the land acquisition cases are disposed of as quickly as possible. At the time of acquisition we pay 50 p. c. immediately. Now if the party is satisfied of the prices fixed by the DCs then there would be no delay in disposing of the case. But Sir, in many cases parties are not satisfied with the amount fixed by the DCs. They go to the High Court and cases are locked up there. I agree with hon. member Shri Konwar that in some cases there are some delay. That is because of the fact that Sir, there are no Land Acquisition Officer in all the Districts. We are trying to see that the Land Acquisition Officers are posted in all the Districts and they do their duty expeditiously. Regarding Payment of compensation, Sir, I have already said in this august House that in future we shall only hand over the land when full compensation will be paid by the Department concerned.

Regarding Industries, Sir, I said sheds are occupied. I have never said they are utilized. I have very correctly said that they are occupied. Some of the sheds are occupied by CRPF. Because of the law and order situation in the State we had to give them to the CRPF. In Nowgong except one all are occupied by

CRPF. We have requested the Home Department to help us in the matter. But, Sir. there are no other houses available for housing of CRPF. Therefore, there are some difficulties in view of the prevailing situation in the State. Now, Sir, the situation has changed. Law and order is under control. We are now thinking how to take possession of those occupied sheds and to utilize them for the purpose of industry. Regarding industries training centre Sir, in early 1970 institutions have gone to the Mahkuma Parishad. For maintaining them we are only paying salaries and other things to the Mahkuma Parishad. But the Mahkuma Parishad, it seems, have not been able to run them properly. We are thinking now as to what should be done. We are now thinking whether these training centres are to be taken back from the Mahkuma Parishads and run by the Industries Department. Any how, Sir, we shall do something about these institutions.

Another point, hon. member Shri Konwar has said about bifurcation of the Industries Department. I have no objection. Actually Sir, there is a Public Enterprise Deptt. who is looking after the public undertakings. Sericulture & Weaving Department was formerly under the Industries Deptt. Now it has been separated. So, if the hon. members think that for the better administration of the Department the Industries Deptt. should be bifurcated that can be considered.

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, বাজেট বক্তৃতাত

মই বহু খিনি কথা কৈছোঁৱেই। আজি দুটামান বিষয়ত নতুনকৈ কব লাগিব। প্ৰথমে 'ৰিলিফ এণ্ড ৰিহাবিলিটেশ্বন'ৰ কথাটোৰ ওপৰত কম। আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই এই সংক্ৰান্তত এই বিভাগটোৰ কথা উল্লেখ কৰিছে। মই ৰাতিপুৱা কোন শিতানত এই টকা ধাৰ্য্য কৰিছো আৰু সেই শিতানত ধাৰ্য্য কৰিলেও বাজেটৰ কিতাপত বিতং ভাৱে লিখাৰ কথাটো উল্লেখ কৰিছিলো। এই কিতাপ খনত, মই আজি ৰাতিপুৱাও কৈছিলো যে ইয়াত স্পষ্ট ভাৱে দুই কোটি টকা ধৰা হৈছে বুলি কোৱা হৈছে। অৱশ্যে ইয়াৰ ভিতৰত ফ্ৰিড'ম ফাইটাৰছ পেন্সন ইত্যাদি কথা বিলাকো সন্নিবিষ্ট হৈ আছে। ইয়াত মুঠ যিটো খৰছৰ হিচাব দেখুউৱা হৈছে তাত দুই কোটি, ৯৮ লাখ ৭০ হেজাৰ টকা আছে। ত বে দুই কোটি বিশেষ ভাৱে ৰিলিফ এণ্ড ৰিহাবিলিটেশ্বন'ত উল্লেখ কৰা হৈছে। অৱশ্যে কিতাপ খন নোচোৱাৰ কাৰণেই এই শিতানত এই বিষয়টো নথকা বুলি ভাৱিয়েই 'কাট মোচন' নিদিলে। যোৱাকালি সমাজ কল্যাণ বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰীমূৰ্ম্মু ডাঙৰীয়াই সমাজ কল্যাণ বিভাগৰ এই টকা ধৰি ৫০ হেজাৰ টকা খৰছৰ হিচাব দেখুৱাই সেইটো টকা উল্লেখ কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা কালিও কৈছিলো যে, দেশ বিভাজনৰ পিছত পূব আৰু পশ্চিম পাকিস্তানৰ পৰা যি সকল ভগনীয়া ভাৰতবৰ্ষলৈ আহিছিল সেই সকলক ৰক্ষণাবেক্ষণ দিবৰ কাৰণে আৰু পুনৰ সংস্থাপনৰ কাৰণে যি কাম কৰিব লগীয়া হয় তাৰ কাৰণেই এই বিভাগটো খুলিব লগীয়া হয়।

মাননীয় অধ্যক্ষ মহোদয়, সময়ৰ লগে লগে এই কাম বিলাক সম্পূৰ্ণ হৈ আছে। শেষত পুনৰ সংস্থাপন বিভাগটো উঠাই দিয়া হ'ল। তেতিয়াৰ পৰা যিবিলাক কাম থাকে সেইবিলাক সমাজ কল্যান বিভাগৰ জৰিয়তে চাই থকা হৈছে। আমাৰ সমাজকল্যান বিভাগে চাই থকাত কিছুমান টকা ১৯৭৭-৭৮ চনত খৰছ কৰিছিল বুলি উল্লেখ কৰিছো। অধ্যক্ষ মহোদয়, এই শিতানত আমি দিব লাগে বুলি ধৰা বন্ধা কথা নাই।

* Speech not corrected.

আমাৰ বাজেট আৰু একাউন্সবিলাক সকলো শেষ হৈছে। কেন্দ্ৰীয় চৰকাৰৰ এপেণ্ডিক্স ২ ভলিউম ১ জেনেৰেল ইন ইণ্ডিয়া বিভিন্ন বাজেটত খৰচ কৰি শেষ কৰিছে। সেই কাৰণে মই সদনত দেখাব খুজিছো ১৪৯ পৃষ্ঠাত এইটো দিয়া হৈছে। '২৮৮ চোছিয়েল চিকিউৰিটি এণ্ড ওৱেলফাৰ' এই শিতানত টকা পঠিয়াবলৈ কেন্দ্ৰীয় চৰকাৰৰ বাজেটত উল্লেখ আছে। বাজেটত এইটো আহিব 'চোছিয়েল চিকিউৰিটি এণ্ড ওৱেলফাৰ', 'পেনছন ফৰ ফ্ৰিডম ফাইটাৰ', ৰাজ্যিক সৈনিক বোৰ্ড। কেন্দ্ৰীয় চৰকাৰৰ বাজেট হৈছে। অধ্যক্ষ মহোদয় সেয়ে আমি যি শিতানত দেখাইছো 'পেন্সন টু ফ্ৰিডম ফাইটাৰ', ৰাজ্যিক সৈনিক বোৰ্ড ইতিমধ্যে আছে। আমাৰ এই শিতানত এনে কৰা নাই। কেন্দ্ৰীয় চৰকাৰৰ যি বাজেট তাত সকলো আছে আৰু সকলোখিনি অন্তৰ্ভুক্ত হৈছে। মাননীয় সদস্য সকলক মই এই কথা উল্লেখ কৰিব পাৰিম। সেইটো গভৰ্নমেণ্ট অব ইণ্ডিয়াৰ বাজেটৰ শিতানত যেতিয়া সেইটো বিভাগ আছে। অধ্যক্ষ মহোদয়, ইয়াৰ পিচত হালৰ গৰু সম্পৰ্কে নানা কথা উঠিছে। হয়তো ঠাই বিশেষে গাই গৰু আৰু টকাও পোৱা নাই। সেই কথা উল্লেখ কৰিছে। মাননীয় সদস্য বসুমতাৰী, বৰুৱা, দাস ডাঙৰীয়াই। অধ্যক্ষ মহোদয়, ১৯৮৩ চনৰ সেই সময়ত আমি যি দায়িত্ব লৈছিলো আমাৰ ৰাজ্যখনৰ বিভিন্ন জিলাত ২৫০ টা শিবিৰত ৩ লাখ ১০ হেজাৰ ৭ শ ৩২ জন মানুহৰ ক্ষেত্ৰত পৰিয়াল হিচাবে ৫২ হেজাৰ ৮ শ ১৮ টা এই পৰ্য্যায়ত বিভিন্ন ধৰণে আছিল। আশ্ৰয় শিবিৰ নাছিল। ঠাই বিশেষে ৰেল ষ্টেচন, স্কুল ঘৰ, কলপাতৰ ৰভা আদিত পৰি আছিল। গহপুৰত প্ৰায় ১২ হেজাৰ জনজাতীয় শৰনাৰ্থী আছিল। সেই সকলৰ কাৰণে মাত্ৰ ৭ টা টিউবওৱেল আছিল। খৈৰাবাৰী অঞ্চলত যিবিলাক ডাক্তৰৰ মনোবৃত্তি আৰু বিভিন্ন ঠাইত যিসকলক দায়িত্ব দিয়া আছিল সেই কথা সদনত কৈছো। এই ৩ লাখ ২ হেজাৰ ৭ শ ৩২ জনক শিবিৰত ৰাখোতে এজনো মানুহ নমৰিল। খৈৰাবাৰীতো একেলগে ১৯ হেজাৰ আছিল। কিন্তু এজনো মানুহ মৰা নাই। পশ্চিমবঙ্গৰ কথা কব খুজিছো, তেওঁলোকৰ ২৮ হেজাৰ ৪ শ ৬০ জন আছিল। কেবা মাহ আগতে মই চাবলৈ গৈছিলো। তাত ১৫ শতকৈ বেছি মানুহ

মৰিল। আমাৰ ৰাজ্যখনত এজনো মৰা নাই। আমি মানুহখিনিক ৰক্ষণা বেক্ষণ দিবৰ কাৰণে চেষ্টা কৰিছিলো। মানুহখিনি উপকৃত হৈছে। তাৰ কাৰণে আমি ২ কোটি ৮৫ লাখ ২৮ হেজাৰ ৫ শ টকা বিচাৰিছিলো। আমি ২ কোটি ৮৫ লাখ ২৮ হেজাৰ ৫ শ টকাৰ পৰিবৰ্ত্তে ১ কোটি ৮০ হেজাৰ টকা পাইছিলো। আধাই পোৱা নাই। মোটামুটি ভাবে আমি ৰাজ্যখনৰ মানুহবিলাকক ৰক্ষণা বেক্ষণৰ ক্ষেত্ৰত যি কৰিছো অসমৰ কাৰণে ভালেই কৰিছো। মাদাৰ টেৰেছাই জনাইছে—I have never seen such quickest rehabilitation throughout the world. কেৱল আন্তৰাষ্ট্ৰীয় হিচাবে পৃথিবীৰ ভিতৰতে ইমান কম সময়ত হোৱাটো দেখা নাই। তেওঁ নিজে নেলী চাই আহি ক'লে তাত কথা বতৰা ভাল পাইছে। এতিয়া আৰু আগৰ নেলী হৈ থকা নাই। ঠাই বিশেষে একোটা পৰিয়ালৰ ৫ টা ৩ টা পৰিয়াল হিচাবে ওলাই চাৰ্টিফিকেট দিছে। যি বিলাক মানুহৰ ঘৰ নষ্ট হৈছে তেওঁলোকে ৫ শ ৩ শ পাব লাগে। কিন্তু আমি তেওঁলোকক ৩ হেজাৰকৈ দিছো। আমাৰ ৰাজ্যখনত যি দূৰ্নীতি চলি আছে, আমাৰ সামাজিক ব্যৱস্থা যেনে ধৰণেৰে চলি আছে তাত দুই এজন মানুহে দূৰ্নীতি কৰাটো বা দুই এজন বিষয়াই দূৰ্নীতি কৰাতো বা দুই এজন বেয়া মানুহ থকাটো একো অস্বাভাৱিক কথা নহয়। কিন্তু মোটামুটি ভাবে আজি আমি এই মানুহখিনিক সকলো সা-সুবিধা দিয়াৰ কাৰণে মাননীয় সদস্য সকলে কোৱাৰ দৰে চৰক'ৰে সকলো কৰিব। এই সকলোখিনি কৰিবৰ বাবে মই নিজে প্ৰত্যেকটো শিবিৰলৈ যাম আৰু ক'ত কি কৰা হৈছে সেইটো মই ফলোআপ কৰিম আৰু মই নিজে দায়িত্ব লৈছো।

অধ্যক্ষ ডাঙৰীয়া, মাননীয় শ্ৰীদাস ডাঙৰীয়াই প্ৰশাসনৰ কথা কৈছে আৰু কিমান বিষয়াক বেচি দায়িত্ব দিয়াৰ কথা কৈছে আৰু কৈছে যে মন্ত্ৰী সকলে গোটেই ক্ষমতা লৈ লৈছে। বিষয়া সকলৰ হাতত ক্ষমতা নাই নেকি? সকলো ক্ষমতা বাইজে তেওঁলোককেই দিছে নেকি? প্ৰশাসনীয় ক্ষেত্ৰত খেলিমেলি হোৱাৰ কথাটো তেখেতে কোন ক্ষেত্ৰত দেখিছে মই সেইটো কব নোৱাৰো। কিন্তু মই ভাবো যথেষ্ট শক্তিশালী হৈছে

আৰু প্ৰশাসন আমি নিয়ন্ত্ৰণৰ মাজলৈ আনিছো। এইটো কোনেও অস্বীকাৰ কৰিব নোৱাৰে। আপুনি জানে আমি দায়িত্ব লোৱাৰ আগলৈকে অসমত জনতা কাৰ্ফু দিলে বা অন্যান্য বন্ধ আদি দিলে শতকৰা ৫০ ভাগ মানুহে কাম নকৰিছিল কিন্তু এতিয়া শতকৰা ৯৯ জন মানুহে কাম কৰিলে। ভালেমান জনতা কাৰ্ফু দিলে, নানাধৰণৰ ধৰ্মঘট কৰিলে কিন্তু কৰ্মচাৰী, বিষয়া সকলে আন্তৰিকতাৰে কাম কৰিলে। গোটেই অসমত ৩৪ টা চাৰ্ভিচ এচোচিয়েচন আছে তাৰ ভিতৰত ২৯ টা চাৰ্ভিচ এচোচিয়েচন আনুগত্য প্ৰকাশ কৰিলে। সেই কাৰণে তেওঁলোকৰ ওপৰত যিমান শাস্তিমূলক ব্যৱস্থা আছিল সেই সকলোবোৰ উঠাই লোৱা হৈছে আৰু যিবিলাক ইনক্ৰিমেণ্ট ইত্যাদি পাবলগীয়া আছিল সেইবিলাক দিয়া হৈছে। ৰাজ্যখনত এতিয়ালৈকে মাত্ৰ ৪।৫ জন মানুহ এতিয়াও বাকী আছে সেই সকলে আনুগত্য প্ৰকাশ কৰিলে তেওঁলোকৰ ওপৰত থকা সকলোবোৰ শাস্তিমূলক ব্যৱস্থা উঠাই লোৱা হব। প্ৰশাসনটো কটকটীয়া কৰা হৈছে আৰু মই এইটোও কব খুজিছো যে যোৱা ফেব্ৰুৱাৰী মাহত কেন্দ্ৰীয় চৰকাৰৰ প্ৰধানমন্ত্ৰীৰ যিটো ৰিচাৰ্চচেল আছে সেইটোৱে যোৱা ২টা বছৰত সমীক্ষা চলাই কৈছে যে ভাৰতবৰ্ষৰ ২২ খন ৰাজ্যৰ ভিতৰত ১৯ খন ৰাজ্যতেই ১১ টা কাৰ্য্যসূচীত যোৱা বছৰটোত কৈ এই বছৰ পিচ পৰি আছে কিন্তু আমাৰ ৰাজ্যখনে এই আটাইকেইটাতে আগবাঢ়ি আছে। আৰু ১৮ টাৰ ভিতৰত ১৭ টাতে আগবাঢ়ি আছে। এইটো মই উদাহৰণ দিবহে বিচাৰিছো তেনেকৈ আমাৰ প্ৰশাসনটো কটকটীয়া কৰিব পাৰিছো। খেলিমেলি নোহোৱাকৈ যোৱা বছৰতকৈ আমাৰ অসম খনে এই বছৰ যে অগ্ৰগতি লাভ কৰিছে এইটো মোৰ কথা নহয় এইটো কেন্দ্ৰীয় চৰকাৰৰ ৰিচাৰ্চচেলৰ মন্তব্য। মই এইটো অস্বীকাৰ নকৰো যে ২।৪ জন বিষয়াৰ ওপৰত বেচি ভাৰ পৰিছে কিয়নো কিছুমান কাম আমি খৰটকীয়া কৰিবলগীয়া হৈছে। যি সকল বিষয়াৰ যোগ্যতা আছে তেওঁলোকক দায়িত্ব দিব লাগিব আৰু তেতিয়াহে তেওঁলোকে কামৰ প্ৰতি প্ৰেৰণা পাব আৰু তাকে চাই বাকী বিলাকবো কাম কৰিবলৈ আগ্ৰহ হব। জুনিয়ৰ হলেও যদি প্ৰকৃততে চিনচিয়াৰ হয় তেওঁলোকক প্ৰমোচন

দিয়াটো সমীচিন হব বুলি মই ভাবো। যি সকলে নিষ্ঠাৰে কাম কৰিব ভাল কাম কৰিব তেওঁলোকক জুনিয়ৰ হলেও প্ৰমোচন দিব লাগে তেতিয়াহে তেওঁলোকে কৰ্ম্মপ্ৰেৰণা পাব। অধ্যক্ষ মহোদয়, মন্ত্ৰী সকলে ক্ষমতা অনাটো তেনেকুৱা কথা নহয়। এটা কমিনিউকেচন গেপ হৈ গৈছিল। ৰাজ্যখনত ভালে কেইটা বছৰ ৰাজ্যপালৰ শাসন চলিছিল, বিষয়াৰ সকলৰ হাততেই সকলো শাসনৰ ক্ষমতা আছিল। নিৰ্ব্বাচন পাতিলে, নিৰ্ব্বাচন হ'ল আৰু আমি নিৰ্ব্বাচিত হৈ চৰকাৰ গঠন কৰিলো। গণসংগ্ৰাম আৰু ছাত্ৰ সন্থাই ঘোষণা কৰিলে আমাক বৰ্জন কৰিব লাগে, জনতা ভৱনত আহিব নালাগে, মন্ত্ৰী সকলৰ ওচৰলৈ আহিব নালাগে, বিধায়ক সকলৰ ওচৰলৈ আহিব নালাগে আৰু মন্ত্ৰী সকল আৰু বিধায়ক সকলক বৰ্জন কৰিব লাগে, ৰাইজ তেওঁলোকৰ ওচৰলৈ আহিব নালাগে কিন্তু আমি প্ৰত্যাহ্বান জনালো আৰু ৰাইজৰ ওচৰলৈ গলো আৰু ৰাইজেও আমাৰ ওচৰলৈ আহিল। প্ৰশাসনটোক আমি এনক্ৰোচ কৰিব বিচৰা নাই। আমি মাত্ৰ অসমৰ ৰাইজক বিপথে পৰিচালিত কৰিব খোজা, বিভ্ৰান্ত কৰিব খোজা সেই শক্তিক দেখুৱাব বিচাৰিছো ৰাইজ কাৰ লগত আছে আৰু কাৰ লগত নাই। ফলত দেখা গ'ল জনতা ভৱনত ৰাইজৰ ইমান হেচা। পুৱা ৭ বজাত আহোতে মই মানুহৰ ভীৰ দেখি আচৰিত হওঁ প্ৰায় ৫ শ ত কৈও বেচি মানুহৰ সমাগম হয়। তেওঁলোকে কষ্ট কৰি ৰৈ থাকে। গতিকে মইও কষ্ট কৰি হলেও লগ ধৰো অথচ সেই সময়ত বাচত অহা মানুহক মাৰপিট কৰে, বিশ্ববিদ্যালয়ত ছাত্ৰই পঢ়িব নোৱাৰে, প্ৰেক্টিকেল কৰিবলৈ পাৰ্টানৰ নাপায়। ইফালে প্ৰতিদন্দিতামূলক ভাৱে কাম কৰিব বিচাৰিছে আমি তাৰ বিৰোধীতা কৰিছো। সেই সকলে যিমানেই ভয় নেদেখুৱাওক কিয় ৰাইজৰ কাৰণে আমাৰ দুৱাৰ সদায় খোলা আছে আৰু ৰাইজ আহি আছে। অধ্যক্ষ মহোদয় ট্ৰেঞ্চ-ফাৰৰ ক্ষেত্ৰত দুই এটা কেচ হব পাৰে। গতিকে মই নিৰ্দেশ দিছো যাতে কোনো বিষয়াক ৩ বছৰ নোহোৱাকৈ সলনি কৰা নহয়। পৰীক্ষাৰ ২ মাহ আগতে আৰু ২ মাহ পিচত দিষ্টাৰ্ব কৰিব নালাগে। কিন্তু ৩ বছৰ পাৰ হৈ যোৱাৰ পাচত ট্ৰেঞ্চফাৰ হবই লাগিব আৰু ৩ বছৰ পাৰ

হোৱাৰ পাচতেই বিচনাপত্ৰ লৈ সাজু হব লাগিব। নহলে দেখিছে মেডিকেল কলেজখনত ১০।১২ বছৰ একে ঠাইতে থকাৰ কাৰণে আদ্ধা হৈ পৰিছে। অঙহী বঙহী হলেও নহব। বসুমতাৰী ডাঙৰীয়াই ট্ৰিবিউনেল আদিৰ কাৰণে ৪ লাখ টকা ধৰাৰ কথা কৈছে লগতে কো-অপাৰেচন আৰু প্ৰটেকচনৰ কথাও আছে তেখেতে ১৯৮০-৮১ চনৰ হিচাবটোৰেহে দিছে। সেই সময়ত অসমত জঞ্জাল আছিল, ৰাজ্যপালৰ শাসন চলিছিল, কোনো চৰকাৰ নাছিল, আন্দোলনৰ অগ্ৰগতি চলিছিল, বিষয়া সকলে আন্দোলনত সোমাই পৰিছিল সেয়ে মই এই সম্পৰ্কে বাজেট বক্তৃতাত কৈছোৱেই।

অধ্যক্ষ মহোদয় ১৯৮৩-৮৪ চনত আমাৰ প্ৰগ্ৰেচ যে ভাল সেইটো প্ৰমাণিত হৈছে। গতিকে ১৯৮০-৮১ চনলৈ নাচাই ১৯৮৩-৮৪ চনটো পৰ্য্যালোচনা কৰিলে ভাল হব।

Shri Binoy Kumar Basumatary—My friend is another tribal like me. I know the line he takes. This is the point to be considered. The Comptroller and Auditor General has allotted the main head "288-Social Security and Others". Instead of posting this amount under this main head, the Relief & Rehabilitation amount has come under Rajya Sainik Board and compensation scheme. If the department adhered to the main head "Social Security," this confusion could never occur. I would, therefore, request the Govt that a main head should be made in line with the central Govt. directive.

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবড়ো ডাঙৰীয়াই চাব প্লেনৰ কথা কৈছে আৰু এই প্লেনৰ টকা খৰচ হোৱা নাই বুলি কৈছে আৰু কৈছে টকা পইচা বিলাক শেষলৈ খৰচ কৰিবলৈ ৰাখি থব নালাগে। সেই কাৰণে আমি ফেব্ৰুৱাৰী মাহৰ শেষতেই তেওঁলোকক কৈ দিছো—তেওঁলোকৰ কি কি খৰচ কৰিবলৈ আছে আৰু কি কি নাই সেই

খৰচৰ হিচাব দিব লাগে। সেই কাৰণে মই ফেব্ৰুৱাৰী মাহৰ শেষত বা তাৰ আগতেই সকলো হিচাব নিকাচ আনি ঠিক কৰিবলৈ বিচাৰিছো।

অধ্যক্ষ মহোদয়, প্লেন বাজেটৰ টকাও ডাইভাৰ্ট কৰাইছে। তথাপি টকা ঘূৰাই দিয়া নাই। কিন্তু কিছুমান হেডত কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা আহে। সেই টকাৰ ৰেভিনিউ এতিয়া আহি আছে। সেইখিনিতহে অসুবিধা হৈছে। ষ্টেটপ্লেনৰ টকা সম্পূৰ্ণ নিয়ম মতে খৰচ কৰাইছে। মাত্ৰ কেন্দ্ৰীয় চৰকাৰৰ পৰা অহা টকাৰ কাৰণেহে কিছু সময় লৈছে। আমি আগৰ দৰে ৩১ মাৰ্চলৈ ৰৈ থকা নাই বা টকা ঘূৰাই পঠিয়াব লগীয়া হোৱা নাই। আমি ফেব্ৰুৱাৰী মাহৰ পৰাই চেকচন দিয়া আৰম্ভ কৰিছো। মই দাস ডাঙৰীয়াৰ লগত একমত যে শেষৰ ফালে টকা খৰচ কৰিলে টকাৰ অপচয় হয়। সেইকাৰণে আগধৰি যিমান পৰা যায় কাম কাজ বিলাক কৰি আছো। অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য সকলে জানি সুখী হব যে আজিৰ তাৰিখত আমাৰ নামত অভাৰড্ৰাফত বিল যিখিনি আছিল সেইখিনিও উঠাই লোৱা হৈছে। অৰ্থাৎ আজিৰ তাৰিখত অভাৰড্ৰাফট নাই। কিন্তু পশ্চিমবঙ্গৰ চৰকাৰৰ ১৯৭ কোটি টকা অভাৰ ড্ৰাফট আছে। কেন্দ্ৰীয় চৰকাৰে তেওঁলোকক বেচি অভাৰ ড্ৰাফত লবলৈ মানা কৰি দিছে। তথাপিও আৰু ৩২ কোটি টকাৰ অভাৰ ড্ৰাফ বঢ়াইছে! কিন্তু আমাৰ ইয়াত অভাৰ ড্ৰাফত নাই। আমাৰ চৰকাৰে বিভিন্ন শিতানত যিখিনি টকা ধৰা হৈছিল সেইখিনি টকা খৰচ কৰিছে বা কৰিব। সেইখিনি আশ্বাস মই আপোনালোকক দিব পাৰো। এইখিনিকে কৈ মই এই বিলখনৰ বিষয়ে সমৰ্থন জনাবলৈ আগবঢ়ালো।

শ্ৰীপূৰ্ণ বড়ো—অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰো যে তেখেতে গোৰেশ্বৰ কেম্পত মানুহ মৰা নাই বুলি কৈছে কিন্তু মই জনাত তাত মানুহ মৰিছে। এইখিনিতে আৰু এটা কথা কব বিচাৰিছো ৰিলিফ এণ্ড ৰিহেবিলিটেচনৰ মাজত যি দাবী মঞ্জুৰী উত্থাপন কৰিব লাগিছিল সেই দাবী মঞ্জুৰী ভুল কৰা হ'ল কিয়? সমাজ কল্যাণৰ মন্ত্ৰীয়ে বাননিয়ন্ত্ৰণৰ মন্ত্ৰীৰ হকে দাবী উত্থাপন কৰিলে কিয় বা বাননিয়ন্ত্ৰণ নামটো উঠাই লোৱা হ'ল কিয়?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) — অধ্যক্ষ মহোদয়, মোৰ হাতত যিখিনি খবৰ আছে গোৰেশ্বৰত কোনো কেম্প নাছিল আৰু কেম্পলৈ অহাৰ আগতে ৩ মাহৰ বেচন দি মানুহ বিলাকক ঘূৰাই পঠোৱা হৈছিল। অৱশ্যে ঠিক ৩ লাখ লোকৰ মাজত কোনোবা দুই এজন মানুহ মৰিব পাৰে। কিন্তু মোৰ খবৰ মতে তেওঁলোকক ৩ মাহৰ বেচন দি পঠোৱা হৈছে। এখেতে ৰিলিফৰ কথা কৈছে—এই সদনতে ছেপ্তেম্বৰ মাহত ৰিলিফৰ কাৰণে তেখেত সকলক পইচা দিছে। এই বছৰ মাত্ৰ বাজেটত ২ কোটি টকা আছে। আমি ৰিলিফ কমিটি এখন কৰিছিলো যদিও কোনো বিভাগ খোলা নাছিলো। টকাখিনি যাৰ যি দৰকাৰ ভগাই দিয়া হৈছে।

শ্ৰীপূৰ্ণ বড়ো — গোৰেশ্বৰত কেম্প হোৱা নাই বুলি কৈছে কিন্তু কলেজত কেম্প হৈছিল। মুখ্যমন্ত্ৰীয়ে নোহোৱা বুলি কেনেকৈ ক'লে। আমাৰ ৰাজ্যত এটা সময়ত যি নিৰাপত্তহীনতা বিচৰণ কৰিছে তাৰ কাৰণে এই চৰকাৰ দায়ী নহয় জানো ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)— মই কৈছিলো পশ্চিমবঙ্গ চৰকাৰৰ কাৰণে যেনেকৈ টকা দিছিল ঠিক তেনেকৈ আমাৰ চৰকাৰকো দিছিল। এইটো মাত্ৰ মেনেজমেণ্টৰ কথা। আমি কাকো দোষ দিয়া নাই। মাত্ৰ এটা উদাহৰণ দিছো। তাত মানুহ মৰিছিল আমাৰ ইয়াত মৰা নাই। স্কুল বিলাকত মানুহ অহাৰ লগে লগে বেচন দি পঠোৱা হৈছিল। হেড অৱ একাউণ্টৰ ক্ষেত্ৰত তেওঁলোকে যিখিনি কথা কৈছে সেইটো আমি চাম। মোৰ বোধেৰে প্ৰয়োজন নহব। হলে চাম।

Shri Jiba Kanta Gogoi—It is just for a clarification, Sir. We came to know a few days back two hon'ble members while attending the Gauhati University Council meeting were assaulted in the Gauhati University campus. In view of this, whether Govt is going to amend the University Act ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) — আপুনি আগতে নক'লে এতিয়া কৈছে। তথাপি

চাম। মই স্বাস্থ্যমন্ত্রী ডাঙৰীয়াৰ পৰা আকৌ নিশ্চিত হলো। গোবেশ্বৰত মানুহ মৰা নাই।

Shri Benoy Kumar Basumatary—Sir, since there is a serious challenge, Government should verify and make an enquiry.

Mr. Speaker—I put the Motion before the House that the Assam Appropriation (No. II) Bill, 1984 be taken into consideration.

The Motion is passed.

Now item No. 3 (c). As there is no amendment I put Clauses 2, 3 and Schedule of Bill. Clauses 2, 3 Schedule do form part of the Bill.

The Clauses 2,3 and Schedule form part of the Bill.

Now I put Clause 1, preamble, enacting formula and short title of the Bill. Clause 1, preamble enacting formula and the short title do form part of the Bill.

The Clause 1, preamble, enacting formula and the short title form part of the Bill.

Now Item No. 3 (d). Shri Hiteswar Saikia, Chief Minister to move.

Shri Hiteswar Saikia (Chief Minister)—I beg to move that the Assam Appropriation (No. II) Bill, 1984 be passed.

Mr. Speaker—Now I put that the Assam Appropriation (No. II) 1984 be passed.

The Motion is passed and the Bill is passed.

The House stands adjourned till 10 A. M. on 29/3/84.

## ADJOURNMENT

The House then rose at 7-13 p. m. and stood adjourned till 10 A. M. on Thursday, the 29th March, 1984.

Shri P. D. Barua
Secretary,
Assam Legislative Assembly.

Dated, Dispur
The 28th March, 1984.